ASM-AE-1014

# গুৱাহাটী বিশ্ববিদ্যালয়

## দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান

যোগ্যতামূলক অসমীয়া

## স্নাতক প্ৰথম ষাণ্মাসিক

(সক্ষমতা বিকাশ পাঠ্য)

## Paper: ASM-AE-1014

# যোগ্যতামূলক অসমীয়া

www.idolgu.in

UG-ASM-AE-1014

দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান

**Institute of Distance and Open Learning**

গুৱাহাটী বিশ্ববিদ্যালয়

**Gauhati University**

স্নাতক প্ৰথম ষান্মাসিক

**B.A. First Semester**

(সক্ষমতা বিকাশ পাঠ্য)

**(ABILITY ENHANCEMENT COURSES)**

# Paper: ASM-AE-1014

# যোগ্যতামূলক অসমীয়া

## বিষয়শূচী (Contents) :

প্ৰথম বিভাগ ঃ কথনগত দক্ষতাঃ ভাষা-জ্ঞান, যতি জ্ঞান, উচ্চাৰণ

দ্বিতীয় বিভাগ ঃ কৰ্মক্ষেত্ৰত অসমীয়াঃ আবেদন, বিজ্ঞাপন, নিবিদা লেখন দক্ষতা

তৃতীয় বিভাগ ঃ সামাজিক মাধ্যম আৰু অসমীয়া ভাষাঃ ইন্টাৰনেট, ফেচবুক, টুইটাৰ

চতুৰ্থ বিভাগ ঃ কম্পিউটাৰ আৰু অসমীয়া ভাষাঃ অসমীয়া মুদ্ৰণ, অসমীয়া ভাষাৰ ছুউটৰেৰৰ ব্যৱহাৰ

## Contributors:

Mowsumee Bordoloi Hazarika — Unit- 1
Dept. of Assamese, KHS College, Guwahati

Minakshi Tamuli — Unit- 2
Dept. of Assamese, Mayong Anchalik College

Mayashree Mahanta — Units- 3 & 4
C/O Prof. Bibha Bharali, Dept. of Assamese, GU

## Course Coordination:

Prof. Amit Choudhury — Director, IDOL, Gauhati University
Prof. Taranee Deka — Professor, Dept. of Assamese, G.U.

## Content Editor:

Prof. Upen Rabha Hakacham (Unit: 1) — Dept. of Assamese, G.U.
Prof. Taranee Deka (Unit: 2) — Dept. of Assamese, G.U.
Dr. Sangita Saikia (Unit: 3) — ASC, Visva Bharati, W.B.
Prof. Bibha Bharali (Unit: 4) — Dept. of Assamese, G.U.

## Cover Page Designing:

Bhaskar Jyoti Goswami — IDOL, Gauhati University


**ISBN: 978-81-944179-4-1**

**December, 2019**

© Copyright by IDOL, Gauhati University. All rights reserved. No part of this work may be reproduced, stored in a retrieval system, or transmitted, in any form or by any means, electronic, mechanical, photocopying, or otherwise.
Published on behalf of Institute of Distance and Open Learning, Gauhati University by the Director, and printed at Gauhati University Press, Guwahati-781014.

## প্ৰথম বিভাগ

## কথনগত দক্ষতাঃ ভাষা-জ্ঞান, যতি জ্ঞান, উচ্চাৰণ

### (ক) কথনগত দক্ষতা

**বিভাগৰ গঠন ঃ**


১.১ ভূমিকা (Introduction)

১.২ উদ্দেশ্য (Objectives)

১.৩ কথনগত দক্ষতা

১.৪ কথনগত দক্ষতা আহৰণৰ কৌশল

১.৫ কথোপকথনৰ বৈশিষ্ট্য

১.৬ সাৰাংশ (Summing Up)

১.৭ আৰ্হি প্ৰশ্ন (Model Questions)

১.৮ আত্মমূল্যায়ন প্ৰশ্নৰ উত্তৰ

১.৯ প্ৰসংগ গ্ৰন্থ (References & Suggested Readings)


### ১.১ ভূমিকা (Introduction) ঃ

ব্যক্তি সমাজৰ এটা প্ৰধান অংগ। আনহাতে ব্যক্তিৰ ব্যক্তিত্ব বিকাশ আৰু সুস্থ-সবল মানসিক, শাৰীৰিক, সামাজিক চেতনা বিকাশৰ থলী হৈছে একোখন মানৰসৃষ্ট সমাজ। ব্যক্তি আৰু ব্যক্তিৰ আৰু ব্যক্তি আৰু সমাজৰ মাজত ভাবৰ আদান প্ৰদান সম্ভৱ হয় সংযোগ অথবা কথা-বতৰাৰ মাধ্যমেৰে। গতিকে কথা-বতৰাই মানুহৰ ব্যক্তিত্ব বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। পৃথিৱীৰ আন প্ৰাণীবোৰৰ ভিতৰত একমাত্ৰ মানুহেহে এজনে আনজনৰ সৈতে কথা-বতৰা পাতি মনৰ আবেগ-অনুভূতি প্ৰকাশ কৰিব পাৰে আৰু এই বিশেষ বৈশিষ্ট্যটোৰ বাবেই মানুহে জীৱশ্ৰেষ্ঠ আখ্যা পাইছে।

ভাবৰ আদান-প্ৰদানৰ মূল ভেটি হৈছে কথোপকথন। অৰ্থাৎ এজন ব্যক্তিয়ে নিজৰ মনৰ ভাব আন এজনৰ আগত কথাৰে ব্যক্ত কৰে। আনজন ব্যক্তিয়ে সেই কথাখিনি শুনিবলৈ বা বুজিবলৈ সমৰ্থ হ'লেহে আকৌ এই কথা পতা বা বাৰ্তালাপ কৰা প্ৰক্ৰিয়াটো সফল হৈ উঠিব। অন্যথাই বক্তাৰ বক্তব্য স্বগতোক্তি হ'ব আৰু শ্ৰোতাৰো শুনিবলৈ একো কথা নাথাকিব। গতিকে কথনগত প্ৰক্ৰিয়াটোত বক্তা আৰু শ্ৰোতাৰ সমানে ভূমিকা থাকিব। এই প্ৰক্ৰিয়াটোৰ এটা গুৰুত্বপূৰ্ণ অংগ হৈছে কথনগত দক্ষতা। প্ৰকৃত অৰ্থত, কথনগত দক্ষতাৰ মাপকাঠি নাথাকে। ইয়াক আহৰণ কৰি, অধিক সক্ষম কৰিবলৈ কোনো যন্ত্ৰপাতি বা শিক্ষণ সঁজুলিও নাথাকে। কিন্তু এই দক্ষতা বহুকেইটা বিষয়ৰ ওপৰত নিৰ্ভৰশীল;

যিবোৰ বিষয় মানুহে আয়ত্ত কৰিবলৈ সক্ষম। ইয়াৰ কাৰণে, ব্যক্তি বিশেষৰ বয়সতকৈ ভাষা এটা শিকাৰ পৰিৱেশ বা তেওঁৰ আগ্ৰহ আৰু অভ্যাসেহে অধিক ক্ৰিয়া কৰে।

তোমালোকৰ পাঠ্যক্ৰমত থকা বিষয় 'কথনগত দক্ষতা'ৰ গুৰুত্ব যথেষ্ট। ওপৰত দি অহা ভূমিকাৰ আধাৰতে আমি পিছলৈ কথনগত অৰ্থাৎ কথা-বতৰা পতাৰ দক্ষতাৰ বিভিন্ন দিশৰ বিষয়ে পৰ্যালোচনা আগবঢ়াম।

## ১.২ উদ্দেশ্য (Objectives) ঃ

এই বিভাগটি অধ্যয়ন কৰি তোমালোকে তলত লিখা কথাকেইটা জানিব পাৰিবা—

- কথনগত দক্ষতাক কথন-কলা বুলি ক'ব পাৰি। এই কলাবিদ্যা আহৰণ কৰিলে প্ৰয়োগ কৰোঁতাই যিকোনো পৰিস্থিতিতেই নিজৰ মনৰ ভাব প্ৰকাশ কৰিবলৈ সংকোচ নকৰে। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলে শ্ৰুতিমধুৰ আৰু শুদ্ধকৈ কথা ক'বলৈ শিকিলে, স্থান-কাল অনুসৰি, মনৰ ভাব প্ৰকাশ কৰোঁতে ভয়-সংকোচ নকৰি মুকলি মনেৰে প্ৰকাশ কৰিব পাৰিব।
- কথন জ্ঞানে ছাত্ৰ-ছাত্ৰীক ভাষাৰ ব্যৱহাৰৰ ক্ষেত্ৰত সংযমী আৰু আগ্ৰহী কৰি তুলিব।
- কথা কওঁতে ব্যৱহাৰ হোৱা ধ্বনি, ধ্বনিসমষ্টিৰ উচ্চাৰণত বাগইন্দ্ৰিয়ৰ ব্যৱহাৰ আৰু সঞ্চালনৰ জ্ঞান ছাত্ৰ-ছাত্ৰীসকলে পাব।
- কথা কওঁতে ব্যৱহাৰ হোৱা অতি প্ৰয়োজনীয় দিশ 'যতি'ৰ বিষয়েও ছাত্ৰ-ছাত্ৰীসকল সজাগ হ'ব।
- কথন বিষয়টো শুদ্ধকৈ শিকি অনুশীলন কৰা ছাত্ৰ-ছাত্ৰীয়ে কুইজ অথবা তৰ্ক প্ৰতিযোগিতা আদিত অংশগ্ৰহণ কৰোঁতে আৰু আন ব্যক্তিয়ে সভা-সমিতিত সমাজৰ আগত কথা কওঁতে বা বক্তৃতা দিওঁতে কেতিয়াও ভয় নকৰে।
- ছাত্ৰ-ছাত্ৰী তথা আন আন বৃত্তিগত দিশৰ লগত জৰিত ব্যক্তিৰ বাবেও অভিনয়, প্ৰশিক্ষণ আদি দিয়াৰ সময়ত কথোপকথন দক্ষতাৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে।

## ১.৩ কথনগত দক্ষতা ঃ

কথন শব্দৰ অৰ্থ হৈছে কথা কোৱা। এটি শিশু জন্ম হোৱাৰ কিছুদিন পিছৰেপৰা থুনুক-থানাক, ভগা ভগা ধ্বনিৰে শব্দৰূপ সৃষ্টি কৰি কথা ক'বলৈ আৰম্ভ কৰে। এনেদৰে শৈশৱ কালতেই আৰম্ভণি ঘটা মানুহৰ কথা কোৱা প্ৰক্ৰিয়া সমগ্ৰ জীৱনব্যাপি চলি থাকে। কথন বা কথা কোৱা কাৰ্যতো পৰিচালন আৰু আদান-প্ৰদান কৰিবলৈ আন একাধিক মানুহৰ প্ৰয়োজন। ইয়াৰ কাৰণ হৈছে এজন মানুহৰ মনত সৃষ্টি হোৱা যিকোনো ভাব আন এজন

মানুহৰ আগত প্ৰকাশ কৰিবলৈ হ'লে তেওঁ, কথা ক'ব লাগিব বা কথন প্ৰক্ৰিয়াটোৰ সহায় ল'ব লাগিব। এনেদৰে কথন প্ৰক্ৰিয়াৰ সহযোগত অৰ্থাৎ, সহজ ভাষাত ক'বলৈ হ'লে মনৰ ভাব কথাৰদ্বাৰা প্ৰকাশ কৰি, এজনে আনজনৰ সৈতে ভাবৰ আদান-প্ৰদান কৰে বা কৰিব পাৰে।

কথা ক'বলৈ অথবা আন এজনৰ সৈতে ভাব বিনিময় কৰিবলৈ কওঁতাজনৰ প্ৰয়োজনীয় দক্ষতা থাকিব লাগিব। এই দক্ষতা প্ৰতিজন মানুহৰ ক্ষেত্ৰত একে নহ'বও পাৰে। মানুহভেদে ব্যক্তিগত কৌশল অথবা দক্ষতাৰ ভেদ এটা অতি সাধাৰণ বিষয়। (মানুহে সমাজ পাতি বাস কৰে। একোখন সমাজৰ অন্তৰ্ভুক্ত বা সমাজৰ সদস্যৰ দৈনন্দিন জীৱনৰ প্ৰয়োজন সকলো কথা আৰু ব্যক্তিৰ লগত ব্যক্তিৰ, তথা ব্যক্তিৰ লগত সমাজৰ সংযোগ স্থাপনৰ মূল চালিকা শক্তিয়েই হৈছে কথা-বতৰা বা ভাষাৰ মাধ্যমেৰে গঢ় লৈ উঠা আদান-প্ৰদান।) কথনগত দক্ষতা ব্যক্তিভেদে ভিন্ন হোৱাৰ বহুতো কাৰণ থাকিব পাৰে— ভাষাজ্ঞান, যতিজ্ঞান, শুদ্ধ উচ্চাৰণ, সৰল প্ৰকাশ কৌশল, অংগী-ভংগী, স্পষ্ট আৰু প্ৰভাৱশালী বাকভংগী, সচেতনতা আদিকেই প্ৰধানকৈ আঙুলিয়াব পাৰি। এইসমূহ বিশিষ্ট গুণেৰে পৰিপূৰ্ণ ব্যক্তিয়ে মনৰ ভাব আদান-প্ৰদানৰ মাধ্যমেৰে সমাজ এখন সুচাৰুৰূপে পৰিচালিত হোৱাত সহায় কৰে।

## ১.৪ কথনগত দক্ষতা আহৰণৰ কৌশল ঃ

কথনগত দক্ষতা আহৰণৰ কৌশলসমূহ আয়ত্ত কৰি ল'ব পাৰিলে তাৰ প্ৰয়োগৰ সন্তোষজনক ফল লাভ কৰাত অসুবিধা নাথাকে। কথাৰদ্বাৰাই মানুহে দৈনন্দিন জীৱনৰ যোগাযোগৰ প্ৰয়োজনীয়তা পূৰ্ণ কৰে। সেয়েহে এই মাধ্যম সদায় শুৱলা হোৱাটো বাঞ্ছনীয়। দক্ষ লোকৰ কথনভংগীয়ে যেনেকৈ শুনোতাজনক আকৰ্ষণ কৰে, ঠিক তেনেকৈ কঠোৰ, নিৰস কথনভংগীসম্পন্ন মানুহৰ আচৰণে বক্তা এজনক সমাজৰ মাজত অপ্ৰিয় কৰি তোলে। কথা কোৱাৰ সুৰৰ ওপৰতো বাক্য একোটাৰ অন্তৰ্নিহিত অৰ্থৰ তাৰতম্য ঘটিব পাৰে। সেয়েহে সঠিক কথন প্ৰক্ৰিয়াৰদ্বাৰাহে সঠিক অৰ্থ প্ৰকাশ হোৱা সম্ভৱ।

কথা কওঁতে বক্তাই স্বাভাৱিক ভংগীত, সহজ-সৰলভাৱে মনৰ ভাব ব্যক্ত কৰিলেহে বক্তব্য বিষয় আকৰ্ষণীয় হয়। হাস্যৰসযুক্ত কথা কওঁতে যদি বক্তাইকৌশলেৰে ক'ব নাজানে, তেতিয়া সেই ৰসপূৰ্ণ বক্তব্য আমনিদায়ক হ'ব পাৰে। সেই একেদৰেই কৌতূহল সৃষ্টি কৰিব পৰা কোনো বক্তব্য দাঙি ধৰাৰ সময়তো বক্তাৰ কথনভংগীত সেই কৌতূহল বৰ্তাই ৰাখিব পৰা দক্ষতাৰ প্ৰয়োজন। অন্যথা শুনোতাৰ মনোযোগ ধৰি ৰখাত ব্যৰ্থ হ'ব পাৰে। সজাই-পৰাই কোৱা বক্তব্য বিষয় য'ত, ফকৰা-যোজনা, উদাহৰণ আদিও থাকে, সেই ধৰণৰ বিষয়বস্তুৰ প্ৰতি শ্ৰোতাৰ আগ্ৰহ অধিক হয়। শিশু অৱস্থাৰপৰাই এই কথন অভ্যাসে গঢ় লয়। ই এক দীৰ্ঘকালীন প্ৰক্ৰিয়া।

কথন কাৰ্যটোৰ সৈতে শুনন অথবা শুনা প্ৰক্ৰিয়াটোৰ এক ওতঃপ্ৰোতঃ সম্পৰ্ক থাকে। গতিকে বক্তা আৰু শ্ৰোতাৰ মাজত, বিশেষকৈ ভাবৰ আদান-প্ৰদানৰ ক্ষেত্ৰত শ্ৰৱণ শক্তিৰ ভূমিকা অপৰিহাৰ্য। শৰীৰ বিজ্ঞানীসকলৰ মতে, জন্মৰ তিনিমাহ পিছৰপৰাই শিশুৰ শ্ৰৱণক্ষমতাৰ বিকাশ হ'বলৈ ধৰে। আনহাতে এবছৰৰ ভিতৰৰপৰাই শিশুটিয়ে বাগযন্ত্ৰৰ সহায়ত সদায় শুনি থকা চৌপাশৰ কথাবোৰৰ মাজৰ পৰা সহজ কথাবোৰৰ খণ্ড খণ্ড ৰূপ কিছুমান উচ্চাৰণ কৰিবলৈ চেষ্টা কৰে। বিশেষকৈ এই সময়ত শিশুৱে অভিভাৱকসকলক অনুকৰণ কৰে, তেওঁলোকে কথা-বতৰা কোৱাৰ দৰে নিজেও ক'বলৈ বিচাৰে। ই মানুহৰ এটা জন্মগত প্ৰবৃত্তি। এই ক্ষেত্ৰত প্ৰথমতে এটি শিশুৰ শ্ৰৱণ ইন্দ্ৰিয়ই সহায় কৰে। যি শিশুৱে যিমান ভালকৈ সিহঁতৰ চাৰিওফালৰ শব্দবোৰ শুনিবলৈ সক্ষম হয়, সেই শিশুৱে সহজে আৰু শুদ্ধকৈ শব্দবোৰ উচ্চাৰণ কৰিব পাৰে। শুনা আৰু কোৱাৰ মাজত এক নিবিড় সম্পৰ্ক আছে। গতিকে কোনো কথা শুনিবলৈ যদি শিশু আগ্ৰহী নহয়, তেন্তে সেই শিশুৰ উচ্চাৰণো সঠিক নহ'ব। সেয়ে কথা কোৱাৰ দক্ষতা আহৰণ কৰিবলৈ হ'লে ব্যক্তি বিশেষে শিশু অৱস্থাৰপৰাই কিছুমান মৌলিক বিষয়ত ধ্যান দিব লাগিব। সেই বিষয়কেইটা হৈছে—

- শব্দৰ জ্ঞান আৰু ইয়াৰ প্ৰয়োগৰ কৌশল
- শব্দৰ শুদ্ধ উচ্চাৰণ
- ভাষাৰ জ্ঞান
- যতি জ্ঞান
- কথনৰ অভ্যাস
- শ্ৰৱণ সক্ষমতা

উপৰোক্ত বিষয়কেইটাৰ সঠিক ৰূপায়ণে কথন দক্ষতা লাভ কৰাত বিশেষভাৱে সহায় কৰিব। কৌশলহীন কথনে শ্ৰোতাক বিশেষ আকৰ্ষণ কৰিব নোৱাৰে। কথনৰ কৌশল জনা মানুহে বহুতো কাম কম সময়তে বা কম কথাৰ জৰিয়তেই সমাধা কৰিব পাৰে। অৱশ্যে এই কৌশল অতি সহজতে আয়ত্ত কৰিব নোৱাৰি। সৰুৰেপৰা অৰ্থাৎ ছাত্ৰ-ছাত্ৰীসকলে ঘৰত আৰু বিদ্যালয়ত আৰু বন্ধু-বান্ধৱীৰ সৈতে কথা কোৱাৰ সময়ত, সহজে আৰু শুদ্ধকৈ সলসলীয়াকৈ ক'ব পাৰিবলৈ যথেষ্ট অনুশীলন কৰিব লাগে। অভিভাৱক আৰু শিক্ষকে এই ক্ষেত্ৰত সহায় কৰিলে কথন দক্ষতাৰ কৌশল সহজে আয়ত্ত কৰিব পৰা যাব।

**জানি থওঁ আহা ঃ**

'কথাত বঁটা পায় কথাত কটা যায়' এই আপ্ত বাক্যশাৰীতে কথনগত দক্ষতা কথাটো সোমাই আছে। কথা সুন্দৰকৈ ক'ব পৰা ব্যক্তিয়ে নিজৰ কথাৰ জৰিয়তে শ্ৰোতাক আকৰ্ষিত কৰিব পাৰে, ই এক কলা; এই কলা আহৰণৰ বাবে অনুশীলনৰ প্ৰয়োজন।

## ১.৫ কথোপকথনৰ বৈশিষ্ট্য ঃ

কথনগত দক্ষতাৰ বহুকেইটা বৈশিষ্ট্য আছে। এই বৈশিষ্ট্যসমূহৰ বিশ্লেষণে ব্যৱহাৰিক জীৱনত মানুহক যথেষ্ট সহায় কৰে। সৰুকালৰ পৰাই অভিভাৱক, শিক্ষক তথা ছাত্ৰৰ সহযোগত কথনৰ বৈশিষ্ট্যসমূহ অনুশীলন কৰিলে কথোপকথন সুন্দৰ হৈ উঠিব। তলত কথোপকথনৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা হ'ল—

**স্বাভাৱিকতা ঃ** কথনৰ প্ৰসংগত স্বাভাৱিকতা এক বিশেষ প্ৰয়োজনীয় দিশ। প্ৰতিগৰাকী ব্যক্তিৰে কথা কোৱাৰ এটা নিজা ধৰণ থাকে। সেই ধৰণটো যদি আসোঁৱাহপূৰ্ণ নহয়, তেন্তে কথা পাতোঁতে ব্যক্তিজনে নিজস্ব ঢংতে কথা পাতিব লাগে। আকৌ, এজনৰ সৈতে পতা কথা, নিৰক্ষৰজনৰ সৈতে পতা কথা, একেধৰণৰ হ'ব নোৱাৰে। সেয়েহে পৰিৱেশ পৰিস্থিতি অনুযায়ী কথন ভাষাৰ মান উচ্চ মৰ্যাদাসম্পন্ন অথবা সাধাৰণ হোৱা উচিত। কথা প্ৰসংগত দিবলগা উদাহৰণো সৎ কথাৰ উদাহৰণেই হোৱা বাঞ্ছনীয়। অন্যথাই অলাগতিয়াল প্ৰসংগই কথনভংগীৰ স্বাভাৱিকতা ব্যাহত কৰাৰ সম্ভাৱনাই সৰহ।

**প্ৰাসংগিকতা ঃ** কথোপকথনৰ ক্ষেত্ৰত প্ৰাসংগিকতাৰ গুৰুত্বও যথেষ্ট। কথোপকথনৰ এটা মূল বিষয়বস্তু থাকে। ভাব বিনিময়ৰ মাজতে নিজৰ স্বাৰ্থত প্ৰাসংগিক বিষয়ক চেৰ পেলাই অপ্ৰাসংগিক বিষয়ক টানি আনিব নালাগে। ই শ্ৰোতাক বিৰক্তহে কৰিব পাৰে। ফলত মূল কথাটোৱে গুৰুত্ব হেৰুৱাই পেলোৱাৰ পৰিস্থিতিৰ উদ্ভৱ হ'ব পাৰে।

**কথনৰ মানদণ্ড ঃ** দুজন বা ততোধিক ব্যক্তিৰ মাজৰ কথোপকথনত বক্তা আৰু শ্ৰোতাৰ বয়স আৰু মানৰ ব্যৱধানটোৱে এক গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰে। অৰ্থাৎ এজন বক্তাই সদায় তেওঁতকৈ বয়সত ডাঙৰ বা মানত তেওঁতকৈ জ্যেষ্ঠজনক কেনেদৰে ব্যৱহাৰ কৰিব লাগে বা সম্বোধন কৰিব লাগে, সেই কথা শিশু অৱস্থাতে শিকাৰুজনক শিকোৱাত গুৰুত্ব দিব লাগে। জ্যেষ্ঠজন , সমবয়সীয়াজন আৰু নিজতকৈ সৰুজনক, কাক 'আপুনি' বা 'তুমি' বা 'তই' বুলি সম্বোধন কৰিব লাগে, সেইখিনি সামাজিক শিষ্টাচাৰৰ ভিতৰত পৰে। ইয়াৰ সঠিক ব্যৱহাৰেহে কথোপকথনৰ মানদণ্ড বজাই ৰাখে।

**মধুৰভাষিতা ঃ** কথনভংগীতাৰ এক আকৰ্ষণীয় বৈশিষ্ট্য হৈছে মধুৰ কথন দক্ষতা। মধুৰভাষিতাই মানুহক বক্তা আৰু বক্তব্য বিষয়ৰ প্ৰতি আকৰ্ষণ কৰে। সহজ ভাষাত, মধুৰ, সুললিত কথন ভংগীয়ে শ্ৰোতাৰ মন মুহি নিব পাৰে। গতিকে অতি সাধাৰণ, জনা কথা এটাকেই, সজাই-পৰাই ক'ব পৰাটোকেই কথন ভংগীৰ মাধুৰ্যতা বুলি ক'ব পাৰি।

**সময়ৰ প্ৰতি সজাগতা ঃ** কথনগত দক্ষতা আহৰণ কৰিবলৈ কথন প্ৰক্ৰিয়াত শ্ৰোতাৰ সময়ৰ গুৰুত্বৰ বিষয়ে অনুধাৱন কৰিব পাৰিব লাগিব। এজন বক্তাই শুনোতাজনৰ সময়ৰ অভাৱ বা অসুবিধাৰ কথা হৃদয়ংগম কৰি বক্তব্য বিষয় বহলাব বা চমু কৰিব লাগে। কোনো ব্যক্তিয়ে হয়তো সৌজন্যতাৰ খাতিৰত নিজৰ অসুবিধা সত্ত্বেও প্ৰকাশ নকৰিব পাৰে; তথাপি আনজনে কিন্তু সেই পৰিস্থিতি বুজি পাবলৈ সক্ষম হ'ব লাগিব। শিক্ষক তথা পিতৃ-মাতৃয়ে ছাত্ৰ-ছাত্ৰীক ইজনে-সিজনৰ সময়ৰ মূল্যৰ প্ৰতি ধ্যান দিয়াত গুৰুত্ব দিবলৈ শিক্ষা দিয়া উচিত।

**সামাজিক আচৰণ ঃ** সামাজিক আচৰণ বুলিলে সমাজৰ মানুহৰ লগত ভাব আদান-প্ৰদানৰ কিছুমান অলিখিত নীতি-নিয়মকে বুজা যায়। অচিনাকী মানুহৰ সৈতে প্ৰথম পৰিচয় হওঁতে, প্ৰথমে 'নমস্কাৰ' জনাই, নিজৰ পৰিচয় প্ৰদান কৰি, বিনম্ৰতাৰে কথন আৰম্ভ কৰিব লাগে। তেনেকৈ অপৰিচিত ব্যক্তি যদি আমাৰ ঘৰলৈ আহে, তেন্তে নম্ৰভাৱে, সমাগত জনৰ পৰিচয় লৈ সোধা-পোছা কৰি, ঘৰলৈ অহাৰ উদ্দেশ্য জানি ল'ব লাগিব। এনে ধৰণৰ আচৰণ মানি নচলি খং বা আবেগত উদ্বাওল/উত্ৰাৱল হৈ হোৱা কথোপকথন অভদ্ৰতাৰ পৰিচায়ক।

**কথোপকথনৰ ৰীতি ঃ**

কথন ভংগীৰ এটা অতি প্ৰয়োজনীয় ৰীতি হৈছে পোনপটীয়া ধৰণৰ ভংগী। অৰ্থাৎ বক্তাই কোৱা কথাখিনি বিষয় অনুযায়ী পোনপটীয়াকৈ কোৱা দৰকাৰ। এজনে যদি কিবা কথাৰ উত্তৰ বিচাৰিছে তেন্তে প্ৰত্যুত্তৰ ঠিক সেই বিষয়ৰে দিয়া যুগুত। এনেদৰে সৰল অথচ গভীৰ যুক্তিপূৰ্ণ কথা বতৰাই শ্ৰোতাক অভিভূত কৰি তুলিব পাৰে। এইখিনিতে এটা উদাহৰণ দিব পাৰি—মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰধান শিষ্য মহাপুৰুষ মাধৱদেৱ শাক্ত ধৰ্মী আছিল। গুৰুজনাৰ কথা আনৰ মুখত শুনি এবাৰ লগ পাবলৈ আহি তেৰাৰ যুক্তিপূৰ্ণ কথাত হাৰ মানিলে আৰু কথন দক্ষতাত মোহিত হৈ নিজকে শিষ্যৰূপে স্বীকাৰ কৰিলে।

**মতৰ অমিল ঃ**

কথা-বতৰা আদান-প্ৰদান হোৱাৰ সময়ত কেতিয়াবা ইজনৰ সৈতে আন এজনৰ মতৰ অমিল হ'ব পাৰে। এনে পৰিস্থিতিত দুয়ো পক্ষই সচেতনতা অৱলম্বন কৰা খুবেই প্ৰয়োজন। অন্যথাই পৰিস্থিতি বেয়াৰ ফাললৈ যাব পাৰে। ছাত্ৰ-ছাত্ৰী অথবা আন প্ৰাপ্তবয়স্ক ব্যক্তিয়ে সেই সময়ত যুক্তিসহকাৰে, বিনম্ৰতাৰে, ধৈৰ্যসহকাৰে, শান্ত পৰিৱেশত আলোচনা কৰি সমস্যা সমাধানৰ সূত্ৰ উলিয়াব লাগে। তৰ্কৰ খাটিৰত তৰ্ক কৰাটো তৰ্কসভাৰহে ধৰ্ম, কথোকথনৰ ক্ষেত্ৰত ই মিষ্টাচাৰ বহিৰ্ভুত।

**শুদ্ধ উচ্চাৰণ ঃ**

শুদ্ধ উচ্চাৰণে কথন প্ৰক্ৰিয়া সহজ আৰু স্বাভাৱিক কৰি তোলে। উচ্চাৰণ শুদ্ধ হ'বলৈ হ'লে ছাত্ৰ-ছাত্ৰীক ভাষা জ্ঞান প্ৰদান কৰাটো অতি প্ৰয়োজন। তাৰ বাবে শিক্ষকে শ্ৰেণীত পাঠদানৰ সময়ত বৰ্ণ, শব্দ, বাক্য আদিৰ জ্ঞান দিয়াৰ লগতে শুদ্ধ লিখিত ভাষা বা মান্যভাষাৰ ব্যৱহাৰ কৰিব লাগে। এই ক্ষেত্ৰত কেৱল ছাত্ৰ-ছাত্ৰীয়ে নহয় প্ৰাপ্তবয়স্ক ব্যক্তিসকলেও মান্য ভাষাক শুদ্ধকৈ উচ্চাৰণ কৰি কথা-বতৰা পাতিব লাগে। উদাহৰণ

স্বৰূপে বহুতো ব্যক্তিয়ে ভুলবশতঃ ইস্কুল, ইস্কেল, ধুব্ৰী, ছিবসাগৰ, দেছী/ দেখী (দেশী), ছইকীয়া/হইকীয়া (শইকীয়া), ল'আ (ল'ৰা), বুৰা/বুহা (বুঢ়া) গাঈ (গাড়ী), পঈখা (পৰীক্ষা) আদি শব্দ ব্যৱহাৰ কৰি থাকে।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

কথন দক্ষতা আহৰণ কৰাৰ মৌলিক উপায় সমূহ কি?

কথনগত বা কথোপকথনৰ বৈশিষ্ট্যসমূহ কি কি?

## ১.৬ সাৰাংশ (Summing Up) ঃ

কথনগত দক্ষতা হৈছে বক্তাই সুন্দৰকৈ কথা ক'বলৈ সক্ষম হোৱা এক কলা। এই কলা আহৰণ একে দিনাই সম্ভৱ নহয়। কথনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী তথা বক্তাই মনৰ ভাব-অনুভূতি আনৰ লগত আদান-প্ৰদান কৰিব পাৰে। কথন প্ৰক্ৰিয়া সৰ্বাংগসুন্দৰ কৰি তুলিবলৈ বক্তাই শব্দৰ জ্ঞান আৰু প্ৰয়োগৰ কৌশল, শুদ্ধ আৰু স্পষ্ট উচ্চাৰণ, যতি জ্ঞান, শ্ৰৱণ সক্ষমতা আদিৰ ওপৰত বিশেষভাৱে মন দিব লাগিব। কথনগত বিষয়ত অভিভাৱক, শিক্ষক তথা জ্যেষ্ঠজনে, ন-শিকাৰু আৰু ছাত্ৰ-ছাত্ৰীক বিশেষ গুৰুত্ব দিব লাগে; যাতে সৰুৰেপৰা সঠিকভাৱে অনুশীলন কৰি কথন দক্ষতা বৃদ্ধি কৰিব পৰা যায়।

## ১.৭ আৰ্হি প্ৰশ্ন (Model Questions) ঃ

১। কথন শব্দৰ অৰ্থ কি?

২। কথনগত দক্ষতা আহৰণৰ প্ৰধান উদ্দেশ্যবোৰ কি কি?

৩। কথনগত দক্ষতা আহৰণৰ কৌশল সম্পৰ্কে এটি টোকা লিখা।

৪। কথোপকথনৰ বৈশিষ্ট্যসমূহ বহলাই আলোচনা কৰা।

৫। "কথোপকথনৰ মাধ্যম ভাষা"—ব্যাখ্যা কৰা।

## ১.৮ আত্মমূল্যায়ন প্ৰশ্নৰ উত্তৰ ঃ

১। নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰথম দক্ষতা আহৰণৰ মৌলিক উপায়সমূহ—

- শব্দৰ জ্ঞান আৰু ইয়াৰ প্ৰয়োগৰ কৌশল
- যতি জ্ঞান
- শব্দৰ শুদ্ধ উচ্চাৰণ
- কথনৰ অভ্যাস
- ভাষাৰ জ্ঞান
- শ্ৰৱণ সক্ষমতা

২। নং প্ৰশ্নৰ উত্তৰ ঃ ইয়াৰ বাবে ১.৫ সংখ্যক পাঠ চাবা।

## ১.৯ প্ৰসংগ গ্ৰন্থ (References & Suggested Readings) ঃ


উপেন্দ্ৰ নাথ গোস্বামী ঃ ভাষা বিজ্ঞান

চক্ৰেশ্বৰ দাস ঃ অসমীয়া ভাষা-শিক্ষণৰ ৰূপৰেখা

ধৰ্মসিংহ ডেকা ঃ ৰচনা বিচিত্ৰা

বাণীকান্ত কাকতি ঃ পুৰণি অসমীয়া সাহিত্য

মহেশ্বৰ নেওগ ঃ নিকা অসমীয়া ভাষা

ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা ঃ প্ৰাথমিক বিদ্যালয়ত ভাষা শিক্ষণৰ ন-দিগন্ত

ৰাম হাকাচাম, উপেন ঃ ব্যৱহাৰিক অসমীয়া ব্যাকৰণ।


*****

## (খ) ভাষা জ্ঞান

**বিভাগৰ গঠন ঃ**


**১.১ ভূমিকা (Introduction)**

**১.২ উদ্দেশ্য (Objectives)**

**১.৩ [illegible]**

**১.৪ ভাষাৰ প্ৰকৃতি**

**১.৫ ভাষা জ্ঞান আহৰণৰ উদ্দেশ্য**

**১.৬ ভাষা শিক্ষাৰ কৌশল**

**সাৰাংশ (Summing Up)**

**আৰ্হি প্ৰশ্ন (Model Questions)**

**আত্মমূল্যায়ন প্ৰশ্নৰ উত্তৰ**

**১.১০ প্ৰসংগ গ্ৰন্থ (References & Suggested Readings)**


### ১.১ ভূমিকা (Introduction) ঃ

ভাষা হৈছে মানুহৰ আদিমতম অন্যতম ভাব বিনিময়ৰ মাধ্যম। অৰ্থাৎ ভাষা ব্যক্তিৰ এনে এটা মৌলিক সম্পদ যাৰ দ্বাৰা এজন ব্যক্তিয়ে আন এজন বা একাধিক ব্যক্তিৰ আগত মনৰ ভাব প্ৰকাশ কৰিব পাৰে। লগতে আন ব্যক্তিজনে বা একাধিক ব্যক্তিয়ে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব পাৰে। এনেদৰে ব্যক্তিয়ে ব্যক্তিৰ সৈতে বা ব্যক্তিয়ে ব্যক্তিসমূহৰ সৈতে ভাবৰ আদান-প্ৰদান কৰিবলৈ সক্ষম হয়। মানুহৰ এই কথা ক'ব পৰা গুণটোৰ বাবেই মানুহ আন জীৱ-জন্তুৰ পৰা পৃথক। ইয়াৰ লগতে মানুহৰ বিচাৰ-বুদ্ধিয়েও মানুহক পৃথিৱীৰ আন আন প্ৰাণীতকৈ সম্পূৰ্ণ বেলেগ হিচাপে প্ৰতিষ্ঠা কৰিছে। জীৱ-জন্তুৱেও মনৰ ভাব প্ৰকাশ কৰিবলৈ কিছুমান মাধ্যমৰ সহায় লয়। সিহঁতৰ ভোক লগা, খং উঠা, ঘৰচীয়া জন্তুৰ ক্ষেত্ৰত নিজৰ প্ৰভুক দেখিলে এক বিশেষ শব্দ আৰু ভংগীৰে ইংগিত দিয়া, বিপদৰ আগজাননী দিয়া, জৈৱিক ক্ষুধা পূৰণৰ বাবে সংগীক ইংগিত দিয়া, আদি বুজাবলৈ বিভিন্ন ধৰণৰ বেলেগ বেলেগ শব্দ প্ৰয়োগ কৰে। সিহঁতে এনেদৰে প্ৰয়োগ কৰা শব্দবোৰৰ কিন্তু কোনো নতুনত্ব নাই। একে ধৰণৰ শব্দ কিছুমান উচ্চাৰণ কৰাৰ বাহিৰে নতুনকৈ আন কোনো শব্দ উচ্চাৰণ কৰিবৰ ক্ষমতা পশু-পক্ষী বা জন্তুৰ নাই। ভাটৌ, মইনা আদি চৰাই কিছুমানে শিকাই দিয়া মতে শুৱলাকৈ মাত কিছুমান উলিয়াব পাৰে। কিন্তু তথাপি সেই বিশেষ শব্দকেইটাতকৈ এটাও শব্দ বেছিকৈ নিজৰ পৰা ক'ব

নোৱাৰে। তাতকৈও ডাঙৰ কথাটো হৈছে যে জীৱ-জন্তুৰ বিচাৰ-বিবেচনা, চিন্তা, ভবাশক্তি আৰু চেতনা নাই। সেইবাবে সিহঁতে উচ্চাৰণ কৰা শব্দবোৰক ভাষাৰ শ্ৰেণীত ধৰিব নোৱাৰি।

## ১.২ উদ্দেশ্য (Objectives) ঃ

এই বিভাগটি অধ্যয়ন কৰি তোমালোকে তলত লিখা কথাকেইটা জানিব পাৰিবা—

- ভাষাৰ বিষয়ে জানিব পাৰি।
- পাঠটিৰ আলমত বাগইন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমষ্টিৰ বিষয়ে জানিবা।
- ভাষাৰ সংজ্ঞাৰ বিষয়ে জানিবা।
- ভাষাজ্ঞান কেনেদৰে আহৰণ কৰিবা তাৰ বিষয়ে জানিব পাৰিবা।
- ভাষা শিক্ষাৰ কৌশলকেইটা জানিবা।

## ১.৩ □□□□□□□□□□□ ঃ

ভাষা শব্দটোৰ মূল হৈছে সংস্কৃত 'ভাষ্' ধাতু। ভাষ্ মানে ব্যক্ত বাণী। 'ভাষ্' ধাতুৰ পৰা সৃষ্টি হোৱা 'ভাষা' শব্দই মানুহৰ মনৰ ভাৱ বিনিময় কৰিবলৈ ব্যৱহাৰ কৰা অৰ্থযুক্ত ধ্বনিসমষ্টিকে বুজায়। এই ধ্বনিসমষ্টি, অৰ্থযুক্ত শব্দ আৰু শব্দসমষ্টি অথবা বাক্য প্ৰয়োগৰ ক্ষেত্ৰত ব্যৱহাৰ হয়। আন আন উপায়েৰেও কিছুমান ভাব প্ৰকাশ কৰিব পাৰে। সেইবোৰ হ'ল— ৰাস্তাত জ্বলা ৰঙা লাইট, বিজয়ৰ নিচান উৰুওৱা, পুলিচৰ হুইচেল, জাহাজৰ নাৱিকে দিয়া নিচান আদি। এনেবোৰ মাধ্যমক ভাষাৰ ভিতৰত ধৰিব নোৱাৰি। (ভাষা প্ৰধানকৈ দুটা কাৰ্যৰ ওপৰত প্ৰতিষ্ঠিত। এটা হৈছে ধ্বনিৰ উচ্চাৰণ অৰ্থাৎ ধ্বনন আৰু আনটো তাৰ শুনিব পৰা ক্ষমতা বা শুনন। মনৰ ভাব আদান-প্ৰদান কৰোঁতে এই দুয়োটা বিষয় তাৎপৰ্যপূৰ্ণ।

গতিকে ইংগিত, হাতৰ মুদ্ৰা অথবা আন আন অঙ্গী-ভংগীৰে এজনৰ মনৰ ভাব অইন এজনৰ সন্মুখত সম্পূৰ্ণকৈ প্ৰকাশ কৰিব নোৱাৰাৰ বাবেই প্ৰকৃতাৰ্থত ভাষাৰ সৃষ্টি আৰু প্ৰয়োগ।

ভাষাৰ জৰিয়তে মানুহে দৈনন্দিন জীৱনৰ প্ৰায় প্ৰতিটো অভাৱ পূৰণ কৰিবলৈ সক্ষম হৈছে যদিও ই মানুহৰ জন্মগত নহয়। পৰিৱেশ, পৰিস্থিতি তথা অনুশীলনৰ দ্বাৰাহে ইয়াক লাভ কৰিব পাৰিব। অৰ্থাৎ ইয়াক এনেদৰেও ক'ব পাৰি যে ভাষা হৈছে দুই বা ততোধিক ব্যক্তিৰ কথোপকথনৰ এক পদ্ধতি। ভাষাৰ বিষয়ে বহুকেইজন ভাষাবিদে বিভিন্ন সংজ্ঞা আগবঢ়াইছে—

চাৰ্লচ বাৰবাৰৰ মতে, "ভাষা হ'ল এক ইঙ্গিতপূৰ্ণ মাধ্যম— যাৰ দ্বাৰা কোনো লোকসমষ্টিয়ে একপ্ৰকাৰ প্ৰতীকী ধ্বনি ব্যৱহাৰ কৰি যোগাযোগ আৰু সামাজিক বুজাপৰা ৰক্ষা কৰি চলিব পাৰে।" [১]

E. Sapire ৰ মতে— "ভাষা হ'ল স্বয়ংসিদ্ধ প্ৰকাশৰ সামূহিক কলা, হাজাৰজনৰ ব্যক্তিগত জ্ঞানৰ সংক্ষিপ্ত বৰ্ণনা"[২]

১। "Language is signalling system which operates with symbolic vocal sounds and which is used by some group of people for the purpose of communication and sound operation"– Charles Barber

২। "Language to itself the collective of expression a summary of thousands upon thousands of individual intuition"- E. Sapise : Language P.231

ৰণাল্ড ৱাৰ্ডহগৰ মতে "ভাষা হ'ল মানুহৰ যোগাযোগ মাধ্যমৰ এক স্বতঃস্ফুৰ্ত ধ্বনি।"[৩]

এনেবোৰ সংজ্ঞাৰ দ্বাৰা স্পষ্ট ৰূপে বুজা যায় যে এজনৰ মনৰ ভাব জনাৰ বাবে অইন এজনে যি ধ্বনি উচ্চাৰণ কৰে, সেয়েই হৈছে ভাষা।

## ১.৪ ভাষাৰ প্ৰকৃতি ঃ

ভাষাৰ প্ৰকৃতি বা Nature বুলিলে আমি তলত দিয়া কেইটামান বিষয় বুজি পাওঁ—

১। ভাষা হৈছে ভাব বিনিময়ৰ মাধ্যম। ভাষা সৃষ্টি হ'বলৈ আত্মা, বুদ্ধি, মন আৰু বায়ুৰ আৰশ্যক।

২। ভাষা সময় অনুযায়ী পৰিবৰ্তনশীল। ই কোনো নিৰ্দিষ্ট সময়ৰ বাবে নহয়।

৩। পৰম্পৰা অনুযায়ী ভাষা শিকা হয়। ভাষা শিকাৰ এটা নিৰ্দিষ্ট প্ৰণালী থাকে।

৪। ভাষা হৈছে মানুহৰ সহজাত আৰু বিশুদ্ধ মানৱীয় প্ৰবৃত্তি।

৫। মানুহে উচ্চাৰণ কৰা প্ৰতিটো ধ্বনি প্ৰতীকেই যাদৃচ্ছিক। অৰ্থাৎ উচ্চাৰিত ধ্বনি আৰু অৰ্থৰ মাজত কোনো সহজাত সম্পৰ্ক নাই। অৰ্থাৎ প্ + আ + ন্ + ঈ ধ্বনি প্ৰতীকৰ দ্বাৰা অসমীয়া ভাষাত 'পানী' বুজালেও এই ধ্বনিকেইটাৰ সৈতে অৰ্থৰ কোনো সম্পৰ্ক নাই। আন ভাষাত এইকেইটা ধ্বনিয়ে একেটা অৰ্থকে প্ৰকাশ নকৰে।

৬। ধ্বনিবোৰ আকৌ ধ্বনিযন্ত্ৰৰ সহায়ত উচ্চাৰিত ধ্বনি হ'ব লাগিব। অন্য উপায়েৰে উচ্চাৰিত ধ্বনিৰ দ্বাৰা ব্যক্ত হোৱা ভাবক ভাষা বুলি ধৰা নহয়।

৭। ভাষাৰ ধ্বনি প্ৰতীকবোৰ একোটা বিশেষ অৰ্থত প্ৰয়োগ হয়। অৰ্থাৎ, অসমীয়া ভাষাৰ কথা ক'ব পাৰি— এই ভাষাত আগৰে পৰা 'কুকুৰ' শব্দটো চলি আহিছে। প্ৰতিজন নতুন শিকাৰুৱে সেইমতে 'কুকুৰ' টো শিকি আহিছে আৰু ব্যৱহাৰ কৰিছে। কিন্তু কোনেও 'কুকুৰ' কিয় হ'ল বুলি প্ৰশ্ন নকৰে। বা কুকুৰ শব্দত

আন এটা শব্দ প্ৰয়োগ নকৰে। সেয়েহে ক'ব পাৰি যে ভাষাৰ ধ্বনি প্ৰতীকবোৰ প্ৰধানকৈ ৰূঢ়।

৮। ভাষাৰ প্ৰয়োগ হয় একোখন সমাজত। এখন সমাজৰ অন্তৰ্বৰ্তী, একে ভৌগোলিক পৰিসৰত এচাম মানুহে এটা ভাষা প্ৰয়োগ কৰে। সেয়েহে, 'ইংৰাজী' বা 'বঙলা' ভাষা চলা সমাজ এখনত 'অসমীয়া' বা 'হিন্দী' ভাষাই কাৰ্য সম্পাদন কৰিব নোৱাৰে।

**জানি থওঁ আহা ঃ**

ভাষাজ্ঞান কথোপকথনৰ চাবিকাঠি। যি ভাষাতে কথা পতা হয় সেই ভাষাৰ জ্ঞান থাকিলেহে কথন প্ৰক্ৰিয়া সবল হ'ব। সেয়েহে ভাষাজ্ঞান আহৰণৰ কৌশলসমূহ আয়ত্ত কৰা অতি আৱশ্যকীয় বিষয়।

[3.] "Language is a system of orbitrary vocal symbols used for human communication. Ronald wardhauge.

## ১.৫ ভাষা জ্ঞান আহৰণৰ উদ্দেশ্য ঃ

ভাষা মানুহৰ জন্মগত প্ৰবৃত্তি নহয়। কিন্তু মানুহে মনৰ ভাব-অনুভূতি, ইচ্ছা-অনিচ্ছাৰ কথা প্ৰকাশ কৰা একমাত্ৰ মাধ্যম হৈছে ভাষা। জীৱ-জন্তুৱে বিশেষ কিছুমান ইংগিত, সংকেত দিব পৰাৰ বাবে আন একো কৰিবলৈ সক্ষম নহয়। কিন্তু এটা শিশুক যদি ভাষা এটা শিকোৱা হয় তেন্তে সি সম্পূৰ্ণভাৱে মনৰ ভাব প্ৰকাশ কৰিবলৈ সক্ষম হৈ পৰিব। অন্যথাই শিশুটিক যদি মানুহৰ মাত-কথা শুনা ঠাইৰ পৰা আঁতৰাই এখন অৰণ্যৰ মাজত ৰখা হয়, তেন্তে সি কিন্তু ভাষা ক'বলৈ নিশিকিব। অৰ্থাৎ শিশু এটি জন্ম হোৱাৰ পিছত চৌপাশৰ পৰিৱেশৰ কথা-বতৰা শুনি প্ৰথম মাত মাতিবলৈ আৰম্ভ কৰে। গতিকে প্ৰথম ভাষা জ্ঞান আহৰণ কৰাৰ প্ৰক্ৰিয়া হৈছে শ্ৰৱণ। সেয়েহে শিশু এটি জনা-বুজা হোৱাৰ পৰা শুদ্ধ ভাষা শিকোৱাতো প্ৰতিগৰাকী অভিভাৱকৰ নৈতিক কৰ্তব্য।

ভাষা জ্ঞানৰ প্ৰধান উদ্দেশ্যকেইটা আমি এনে ধৰণে আলোচনা কৰিব পাৰোঁ—

(ক) নিজৰ ভাব, ইচ্ছা-অনিচ্ছাৰ কথা স্পষ্টকৈ প্ৰকাশ কৰিবলৈ দক্ষতা অৰ্জন কৰা।

(খ) বুদ্ধিৰ বিকাশ ঘটোৱা।

(গ) ভাষা জ্ঞানৰ জৰিয়তে কথনগত দক্ষতা বৃদ্ধি কৰি বক্তব্য বিষয় আকৰ্ষণীয় কৰি তোলা।

(ঘ) আনৰ মনৰ ভাব সহজে বুজিবলৈ নিজকে সক্ষম কৰি তোলা।

(ঙ) অন্যৰ মনৰ ভাব অনুভূতি আৰু নিজৰ ভাব অনুভূতিক ভাষা জ্ঞানৰ জৰিয়তে সহজে আদান-প্ৰদান কৰা।

(চ) ভাষা জ্ঞানৰ জৰিয়তে নিতৌ নতুন নতুন শব্দ প্ৰয়োগৰ কৌশল উদ্ভাৱন কৰি বক্তব্য বিষয় অধিক মাধুৰ্যময় কৰি তোলা।

(ছ) কথন দক্ষতাৰ কৌশল আয়ত্ত কৰাৰ লগতে লিখনতো সমানে পাৰদৰ্শিতা অৰ্জন কৰা।

(জ) ভাষা শুদ্ধকৈ শিকি, তাৰ শুদ্ধ উচ্চাৰণ কৰি, যতি, বিৰাম আদিৰ সুপ্ৰয়োগ কৰি, নিজকে সুন্দৰ বক্তা হিচাপে গঢ়ি তোলা।

(ঝ) নিজে এজন ভাষা জ্ঞানী হোৱাৰ লগতে আনকো বিতংভাৱে আৰু শুদ্ধকৈ ভাষা শিক্ষা দিয়া।

(ঞ)ভাষাৰ সম্যক জ্ঞান অৰ্জন কৰি লিখিত ৰূপ দিয়াৰ পিছত তাক ভালদৰে পঢ়িব পাৰিলেহে ভাষা শিক্ষাৰ উদ্দেশ্যত সফল হ'ব পাৰি।

ওপৰত উল্লেখ কৰা ভাষা শিক্ষাৰ উদ্দেশ্যকেইটা আগত ৰাখি ছাত্ৰ-ছাত্ৰী বা ন শিকাৰুক ভাষা জ্ঞান দিয়া হয়। সেইবাবে ভাষা শিক্ষাৰ প্ৰধান কৌশলকেইটা আয়ত্ত কৰা অতি প্ৰয়োজন।

আত্মমূল্যায়ন প্ৰশ্ন ঃ

১। ভাষাৰ সংজ্ঞা দিয়া।

২। ভাষাৰ প্ৰকৃতি বৰ্ণনা কৰা।

## ১.৬ ভাষা শিক্ষাৰ কৌশল ঃ

ভাষা জ্ঞান আহৰণ কৰিবলৈ অথবা শিক্ষকে ভাষা জ্ঞান প্ৰদান কৰাৰ ক্ষেত্ৰত প্ৰধানকৈ চাৰিটা কৌশল প্ৰয়োগ কৰিব লগা হয়। সেইকেইটা হৈছে— শ্ৰৱণ, কথন, পঠন আৰু লিখন।

**শ্ৰৱণ ঃ** জন্ম হোৱাৰ পিছৰে পৰা এটি শিশুৱে কাষতে থকা মানুহবোৰৰ পৰা এটা নিৰ্দিষ্ট ভাষা শুনিবলৈ ধৰে। শিশুটিৰ চৌপাশৰ পৰিৱেশৰ মাজত থকা মানুহ, চৰাই-চিৰিকতি, জীৱ-জন্তু আদিৰ মাতবোৰ অনবৰতে শুনি শুনি শিশুৱে সেই মাতবোৰ অনুকৰণ কৰিবলৈ চেষ্টা কৰে। শিশুটিয়ে যেতিয়া মাত মাতিব পৰা হয় তেতিয়া সেই কথাবোৰৰ ভগা ভগা টুকুৰা-টুকুৰ ধ্বনি (যাক 'থুনুক থানাক' মাত বোলা হয়) আৰু শব্দাংশ কিছুমান ক'বলৈ

চেষ্টা কৰে। এই সময়তে অভিভাৱক আৰু জ্যেষ্ঠজনে শিশুটিৰ শুদ্ধ উচ্চাৰণৰ প্ৰতি মনোযোগ দিব লাগে। লগতে শিশুৰ আগত পিতৃ-মাতৃ বা আনসকলে কথা কওঁতে সদায় শুদ্ধকৈ আৰু স্পষ্টকৈ ক'ব লাগে।

**কথন ঃ** শিশু এটিয়ে চাৰিওফালৰপৰা শুনা কথাবোৰ লাহে লাহে আয়ত্তলৈ আনি, নিজে কথাবোৰ ক'বলৈ আৰম্ভ কৰে। বিদ্যালয়লৈ যোৱাৰ আগতেই শিশুটিয়ে শ্ৰৱণ আৰু কথন প্ৰক্ৰিয়াৰ দ্বাৰা মনৰ ভাব ব্যক্ত কৰিব পৰাকৈ শিক্ষা আয়ত্ত কৰি লয়। সাধাৰণভাৱে শিক্ষিত অথবা অশিক্ষিত ব্যক্তিসকলেও যদি দক্ষ বক্তা আৰু শিক্ষিত লোকৰ সৈতে থাকি, শুদ্ধকৈ ভাষা প্ৰয়োগ শিকে আৰু নিজৰ ল'ৰা-ছোৱালীক শিকাই, তেন্তে তেনে পৰিৱেশৰ শিশুৱেও ভাষা কথনৰ ক্ষেত্ৰত উচ্চাৰণ শুদ্ধ আৰু স্পষ্টকৈ কৰিবলৈ সক্ষম হ'ব।

**পঠন ঃ** ভাষা শিক্ষাৰ ক্ষেত্ৰত পঠন এক উল্লেখনীয় প্ৰক্ৰিয়া। শিশু এটি বিদ্যালয়লৈ যোৱাৰ পিছতেই আনুষ্ঠানিক শিক্ষাৰ আৰম্ভণি হয়। ইমান দিনে ঘৰত শিকি থকা শব্দবোৰৰ গঠনৰ বিষয়ে, ধ্বনি, বৰ্ণ আদিৰ বিষয়ে শিকে। শিক্ষকে ধ্বনিসমষ্টিৰ দ্বাৰা শব্দৰ গঠনৰ অনুশীলন কৰোৱাৰ উপৰিও ন ন শব্দও শিকায়। বাক্য গঠন প্ৰক্ৰিয়াত বা কথনত কমা, বিৰাম, যতি আদিৰ ব্যৱহাৰো শিকিবলৈ আৰম্ভ কৰে।

**লিখন ঃ** শিশু এটিয়ে লাহে লাহে মৌখিকভাৱে শিকি থকা পঠনৰ বিষয়সমূহ লিখিত ৰূপেৰে প্ৰকাশ কৰিবলৈ সক্ষম হৈ উঠে। শুদ্ধ আৰু স্পষ্ট শ্ৰৱণ, কথন আৰু পঠনে শুদ্ধকৈ পাঠ লিখাত সৰ্বতোপ্ৰকাৰে সহায় কৰে।

ভাষা শিক্ষা প্ৰক্ৰিয়াত পঠনৰ গুৰুত্ব অধিক বুলি ক'ব পাৰি। কিয়নো পঠন সদায় বক্তা বা পাঠকৰ অধীনত থাকে। ঠিক তেনেদৰে কথন কাৰ্যও কথকজনৰ নিয়ন্ত্ৰণত থাকে। কথন, পঠন আৰু শ্ৰৱণে একেলগে ক্ৰিয়া কৰাৰ ফলত লিখন প্ৰক্ৰিয়া সহজসাধ্য হৈ পৰে। বক্তাভেদে বা ব্যক্তিভেদে কথন প্ৰক্ৰিয়াও বেলেগ ধৰণৰ হয়। অৰ্থাৎ শিক্ষিত-অশিক্ষিত, পুৰুষ-মহিলা অনুযায়ী ভাষা বা কথন কৌশল ভিন্ন। ঠিক তেনেদৰে বৃত্তিভেদেও এই কথন কৌশল বেলেগ হয়। যেনে—শিক্ষক এজন আৰু মাছমৰীয়া এজনৰ ভাষা একে নহয়। তেনেদৰে ব্যৱসায়ী আৰু পুৰোহিত এজনৰ মাজতো ভাষা কোৱাৰ শৈলী একে নহয়। কৰ্মক্ষেত্ৰ ভিন্ন হোৱাৰ বাবে ভাষাগত জ্ঞানৰ পৰিসীমাও ভিন্ন হয়। আকৌ পুৰুষ আৰু মহিলাসকলৰ ভাষা ব্যৱহাৰৰ প্ৰক্ৰিয়াৰো পাৰ্থক্য দেখা যায়।

ভাষাজ্ঞানৰ সৈতে ব্যক্তিৰ চিন্তা, চেতনা আৰু অনুভূতিয়েও ক্ৰিয়া কৰে। ব্যক্তিভেদে এই জ্ঞান, চেতনা, অনুভূতি আদি বেলেগ। ভাষাজ্ঞানৰ উপলব্ধি বহু পৰিমাণে নিৰ্ভৰ কৰে অভিজ্ঞতাৰ ওপৰত। ন-শিকাৰু আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ভাষাজ্ঞানৰ ক্ষেত্ৰত সীমাবদ্ধতা থাকে। ভাষাজ্ঞান আহৰণৰ ফলত ব্যক্তিৰ কথনগত দক্ষতা বৃদ্ধি হয়। এই ক্ষেত্ৰত পৰ্যাপ্ত অনুশীলনৰ প্ৰয়োজন। পৰ্যাপ্ত জ্ঞানৰ চৰ্চাই এটা ভাষাক সকলো পিনৰ পৰাই চহকী কৰি তোলাৰ লগতে বক্তা এজনৰ কথনগত দক্ষতা বৃদ্ধি কৰে।

### সাৰাংশ (Summing Up) ঃ

ভাষা শব্দটো সংস্কৃত 'ভাষ্' ধাতুৰ পৰা উৎপত্তি হৈছে। ভাষ্ শব্দৰ অৰ্থ ব্যক্তবাণী। মানুহে মনৰ ভাব আনৰ সৈতে আদান-প্ৰদান কৰোতে ভাষাৰ ব্যৱহাৰ হয়। মানুহৰ মনৰ ভাব প্ৰকাশ আন উপায়েৰেও কৰিব পাৰে— হাত চাপৰি বজাই, ৰাস্তাত ৰঙা লাইট জ্বলাই, পুলিচে হুইচেল মাৰি, ঘণ্টা বজাই ইত্যাদি উপায়েৰে। প্ৰকৃততে এনে ধৰণেৰে ভাব প্ৰকাশ কৰা মাধ্যমক ভাষা বুলিব নোৱাৰি। ভাষা হ'বলৈ হ'লে দুটা ক্ৰিয়াৰ প্ৰয়োজন—সেইকেইটা হৈছে ধ্বনন আৰু শ্ৰৱণ। এই দুটাৰ এটাৰ যদি অভাব থাকে তেন্তে ভাষাকথন প্ৰক্ৰিয়া সম্পূৰ্ণ নহয়। ভাষা জ্ঞান আকৌ মানুহৰ জন্মগত প্ৰবৃত্তি নহয়। মানুহে জন্মৰ পিছত চৌপাশৰ পৰিৱেশৰ পৰা শুনি শুনি ভাষাৰ প্ৰথম আৰম্ভণি কৰিবলৈ শিকে। ই এটা জীৱনজোৰা প্ৰক্ৰিয়া। আন প্ৰাণীৰ নথকা বুদ্ধি, চিন্তা, চেতনা থকাৰ বলতে মানুহে ভাষা ব্যৱহাৰ কৰি মনৰ ভাব আদান-প্ৰদান কৰিব পাৰে আৰু পৃথিৱীৰ আন আন প্ৰাণীতকৈ পৃথক ৰূপে ঠিয় দিব পাৰিছে। ভাষা জ্ঞান আহৰণ কৰিবলৈ অনুশীলনৰ প্ৰয়োজন।

### আৰ্হি প্ৰশ্ন (Model Questions) ঃ

১। ভাষা কাক বোলে?

২। ভাষা শব্দটো ক'ৰপৰা আহিছে?

৩। ভাষাজ্ঞান মানুহৰ জন্মগত হয়নে?

৪। ভাষাৰ প্ৰকৃতি বৰ্ণনা কৰা।

৫। ভাষাজ্ঞান আহৰণৰ কৌশলসমূহ উল্লেখ কৰা।

### আত্মমূল্যায়ন প্ৰশ্নৰ উত্তৰ ঃ

১ নং উত্তৰ ঃ ভাষাৰ সংজ্ঞা জানিবলৈ ২.৩ সংখ্যক পাঠখিনি চাবা।

২ নং উত্তৰ ঃ  ইয়াৰ বাবে ২.৪ সংখ্যক পাঠখিনি চাবা।

### ১.১০ প্ৰসংগ গ্ৰন্থ (References & Suggested Readings) ঃ


| | | |
|---|---|---|
| উপেন্দ্ৰ নাথ গোস্বামী | ঃ | ভাষা বিজ্ঞান |
| চক্ৰেশ্বৰ দাস | ঃ | অসমীয়া ভাষা-শিক্ষণৰ ৰূপৰেখা |
| ধৰ্মসিংহ ডেকা | ঃ | ৰচনা বিচিত্ৰা |
| বাণীকান্ত কাকতি | ঃ | পুৰণি অসমীয়া সাহিত্য |

| | | |
|---|---|---|
| মহেশ্বৰ নেওগ | ঃ | নিকা অসমীয়া ভাষা |
| ফণীন্দ্র নাৰায়ণ দত্তবৰুৱা | ঃ | প্ৰাথমিক বিদ্যালয়ত ভাষা শিক্ষণৰ ন-দিগন্ত |
| F. L. Billows | ঃ | The Techniques of Language Teaching |

*****

## (গ) যতিজ্ঞান

**বিভাগৰ গঠন ঃ**

**১.১ ভূমিকা (Introduction)**
**১.২ উদ্দেশ্য (Objectives)**
**১.৩ যতিৰ প্ৰকাৰ**
**১.৪ যতি বা বিৰাম চিহ্নৰ ব্যৱহাৰ**
**১.৫ সাৰাংশ (Summing Up)**
**১.৬ আৰ্হি প্ৰশ্ন (Model Questions)**
**১.৭ আত্মমূল্যায়ন প্ৰশ্নৰ উত্তৰ**
**১.৮ প্ৰসংগ গ্ৰন্থ (References & Suggested Readings)**

### ১.১ ভূমিকা (Introduction) ঃ

আমি আগতেই আলোচনা কৰি আহিছোঁ যে মানুহৰ মনৰ ভাব প্ৰকাশৰ প্ৰধান আৰু শ্ৰেষ্ঠ মাধ্যম হ'ল ভাষা। ভাষাৰ দ্বাৰাই এজনে আনজনৰ সৈতে মনৰ ভাব আদান-প্ৰদান কৰে। ভাষা অবিহনে মানৱ সভ্যতাৰ বিকাশ অসম্ভৱ। হেজাৰ বছৰৰ প্ৰগতিৰ ফলতহে এনে সভ্যতাৰ সৃষ্টি সম্ভৱ।

ভৌগোলিক অৱস্থান অনুসৰি ব্যক্তিৰ মাজৰ ভাষাৰ স্বৰূপ ভিন্ন। অৰ্থাৎ একেটা ভৌগোলিক পৰিবেষ্টনৰ মাজত বাস কৰা মানুহখিনিয়ে এটা বিশেষ ভাষা ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে বৰ্তমান অসম নামেৰে পৰিচিত ভূ-খণ্ডৰ মাজত বাস কৰা মানুহখিনিয়ে ইজনে-সিজনৰ সৈতে আদান-প্ৰদানৰ মাধ্যমৰূপে ব্যৱহাৰ কৰা ভাষাটোক অসমীয়া ভাষা বোলা হয়। পৃথিৱীৰ প্ৰতিটো ভাষাৰে কথন ভংগী বেলেগ বেলেগ হ'ব পাৰে।

### ১.২ উদ্দেশ্য (Objectives) ঃ

এই বিভাগটি অধ্যয়ন কৰি তোমালোকে —

- যতি কি আৰু ইয়াৰ ব্যৱহাৰ ক'ত, কেনেদৰে হয় জানিব পাৰিবা।
- যতি কেইপ্ৰকাৰৰ সেই বিষয়ে জানিবা।
- আমি ভাষা ব্যৱহাৰত কিমান প্ৰকাৰৰ যতি ব্যৱহাৰ কৰোঁ শিকিব পাৰিবা।
- যতিয়ে কথন বিষয় কেনেদৰে অসম্পূৰ্ণ আৰু শুৱলা কৰি তোলে তাৰ বিষয়ে জানিবা।

## ১.৩ যতিৰ প্ৰকাৰ ঃ

মানুহে মৌখিকভাৱে বা লিখিতভাৱে শব্দ উচ্চাৰণ কৰোঁতে বা বাক্য প্ৰয়োগ কৰোঁতে একে লেথাৰিয়ে কৈ নাযায়। এটা বাক্য আৰু আন এটা নতুন বাক্যৰ মাজত ভিন্নতা বুজাবলৈ বা মনত থকা ভাবৰ উচ্চাস বুজাবলৈ, বাক্যৰ দৈৰ্ঘ্যৰ তাৰতম্য বুজাবলৈ, সুবিধা অনুযায়ী ক'ৰবাত অলপ সময়ৰ বিৰাম লোৱা হয়। কথন ভংগীৰ (মৌখিক বা লিখিত) মাজত এনেদৰে লোৱা সাময়িক বিৰামকে যতি বোলা হয়। অৰ্থাৎ মানুহে কথা-বতৰা কওঁতে ভাবৰ যি আদান-প্ৰদান হয়, সেই আদান-প্ৰদান সহজভাৱে, সুন্দৰভাৱে আৰু সৰলভাৱে বুজাবলৈ কথাৰ মাজত কেইবাধৰণেৰে বিৰাম লোৱা হয়। সেইবোৰ এনে ধৰণৰ— প্ৰথমে কথা কওঁতে কথাৰ মাজত কওঁতাই উশাহ-নিশাহৰ বিৰাম দিব লগা হয়; যাক আমি শ্বাস যতি বুলি কওঁ। দ্বিতীয়তে মনৰ ভাব ব্যক্ত কৰাৰ সময়ত অৰ্থ অনুযায়ী কথাৰ মাজে মাজে প্ৰদান কৰা বিৰামক অৰ্থযতি বা ভাবযতি বুলিব পাৰি। ক'বলগীয়া কথাবোৰ শুনিবলৈ সুৰলা কৰিবলৈ অথবা বক্তব্য বিষয়ৰ মাজতে উচ্চাৰিত ধ্বনিপ্ৰবাহৰ প্ৰক্ৰিয়াত ক্ষন্তেক বিৰাম লোৱা হয়। ইয়াকে আমি ছন্দযতি বুলি ক'ব পাৰো।

এতিয়া আমি ক'ব পাৰোঁ যে অসমীয়া ভাষাত যতি তিনি প্ৰকাৰৰ হ'ব পাৰে—

১। শ্বাস যতি

২। ভাব যতি বা অৰ্থ যতি

৩। ছন্দ যতি।

সাধাৰণতে পঢ়াৰ সময়ত যি ঠাইত ৰ'লে শুনিবলৈ ভাল লাগে জিভাখনেও বিৰাম অনুভৱ কৰে, সেইখিনিতে ৰোৱাকে যতি বোলে। গদ্য বা পদ্যৰ শাৰীৰ মাজত বিৰাম ল'লে বা যতি পেলালে ছন্দৰ বা গদ্যশাৰীৰ সৌষ্ঠৱ বৃদ্ধি পায়। সেয়েহে ছন্দৰ বিৰাম বা যতিয়ে সুনিয়ন্ত্ৰিত ধ্বনি প্ৰবাহক সাময়িকভাৱে বিচ্ছেদ কৰি আকৌ নতুনকৈ প্ৰবাহিত হোৱাত সহায় কৰে। লগতে প্ৰতিটো ক'বলগীয়া কথাৰ মাজত ঠাই লৈ বিষয়বস্তু অৰ্থপূৰ্ণ, সুৰলা আৰু সৌষ্ঠৱপূৰ্ণ কৰি তোলে। উদাহৰণ স্বৰূপে—

আপুনি আপোন বন্ধু　　　　আপুনি আপোন শত্ৰু

আপুনি আপোন ৰাখে মাৰে।

হৰিক নভজি নৰে　　　　আপুনি হোৱই নষ্ট

হৰি ভজি আপোনাক তাৰে।। (পয়াৰ ছন্দ২৬ (নামঘোষা)

ইয়াত প্ৰত্যেক শাৰীতে অষ্টম আখৰৰ পিছত বিৰাম, আকৌ অষ্টম আখৰৰ পিছত বিৰাম লৈ দশম আখৰত অৰ্ধ যতি হৈছে। তেনেদৰে আকৌ অষ্টম আখৰৰ পিছত বিৰাম আকৌ অষ্টম আখৰৰ পিছত বিৰাম লৈ, দশম আখৰৰ পিছত পূৰ্ণ বিৰাম বা পূৰ্ণ যতি পৰিছে। এনেদৰে যতি পৰাৰ বাবে পংক্তিটোৰ পূৰ্ণকৈ বিকাশ হৈ ভাব-ভাষা লয়যুক্ত হৈ শ্ৰৱণৰ হেতু সুন্দৰ হৈ পৰিছে।

শ্ৰীৰাম ৰূপে কৌশ/ল্যাত অৱতৰি।

বনবাস খপিলা পি/তৃৰ বাক্য ধৰি।। (কীৰ্তন)

উক্ত পদফাকিত প্ৰথম শাৰীত 'কৌশল্যাত' শব্দটোৰ 'কৌশ'ৰ শব্দাংশৰ পিছতে যতি পৰিছে আৰু পিছৰ শাৰীটোত 'পিতৃৰ' শব্দৰ 'পি' শব্দাংশৰ পিছতে যতি পৰি ছন্দৰ স্বাভাৱিক গতিত বিৰাম আনিছে। যাৰ ফলত পদফাকি অৰ্থবহ হোৱাৰ লগতে সুললিত ধ্বনিৰে মুখৰিত হৈ পৰিছে।

যতিক আকৌ আন দুই ধৰণে ভগাব পাৰি। বাক্য প্ৰয়োগৰ ক্ষেত্ৰত অথবা পদ আঁওৰোৱাৰ সময়ত য'ত অতি কম সময়ৰ বাবে ৰোৱা হয় তাকে অৰ্ধ যতি বোলে। কেতিয়াবা আকৌ পদৰ য'ত যতি পৰে, সেয়া অলপ বেছি সময় স্থায়ী হোৱা দেখা যায়। তেনে ধৰণৰ যতিকে পূৰ্ণ যতি বুলি কোৱা যায়।

ৰাত্ৰি দিনে গাৱে/ হৰি চৰিত্ৰ/।

তিনিয়ো লোকক/ কৰৈ পৱিত্ৰ।। (কীৰ্তন) ১২৫৫ পদ

মহাপুৰুষ শংকৰদেৱ ৰচিত 'কীৰ্তন' পুথিৰ উক্ত পদফাকিত অৰ্ধ যতি আৰু পূৰ্ণ যতিৰ উদাহৰণ এনেদৰে দেখুৱাব পাৰি—

প্ৰথম শাৰীত ঃ

| | | |
|---|---|---|
| ৰাত্ৰি দিনে গাঁৱে | — | অৰ্ধ যতি, |
| হৰি চৰিত্ৰ | — | পূৰ্ণযতি |

আকৌ ঠিক তেনেদৰে, দ্বিতীয় শাৰীত ঃ

| | | |
|---|---|---|
| তিনিয়ো লোকক | — | অৰ্ধযতি, |
| কৰৈ পৱিত্ৰ | — | পূৰ্ণযতি। |

**জানি থওঁ আহা ঃ**

যতি চিনৰ ব্যৱহাৰ কথোপকথনৰ এক প্ৰধান অংশ। দাৰি, ক'মা, প্ৰশ্নবোধক চিন, ভাববোধক চিন ইত্যাদি যতি চিহ্নবোৰৰ সহায়ত কথিত বিষয় অৰ্থবোধক হৈ পৰে। অসমীয়া ভাষাত প্ৰাচীন কালৰ পৰা যতিৰ ব্যৱহাৰ হৈ আছে। আধুনিক অসমীয়া ভাষাত নতুন নতুন যতি চিহ্ন কিছুমানৰ প্ৰয়োজন আহি পৰিছে।

### ১.৪ যতি বা বিৰাম চিহ্নৰ ব্যৱহাৰ ঃ

কথন কাৰ্য চলি থকাৰ সময়ত বা লিখিতভাৱে বিষয়বস্তুৰ দ্বাৰা ভাবৰ আদান-প্ৰদানৰ সময়ত, অসমীয়া ভাষাত, সাময়িকভাৱে বিৰাম ল'বলৈ বা যতি পেলাবলৈ যতি চিহ্ন

ব্যৱহাৰ কৰা হয়। বিভিন্ন সময়ত অৰ্থ প্ৰকাশ কৰাৰ বাবে আৰু বাক্যৰ মাধুৰ্য প্ৰকাশ কৰাৰ বাবেও কথন প্ৰক্ৰিয়াত যতি চিহ্নই সহায় কৰে। ইয়াৰ ব্যৱহাৰ অবিহনে বিৰাম নোলোৱাকৈ কোৱা কথা কিছুমানৰ কোনো অৰ্থই প্ৰকাশিত নহ'ব। উদাহৰণ স্বৰূপে একেই ধ্বনিযুক্ত দুটা বাক্যলৈ মন কৰিব পাৰি —

তুমি ভাত খালা।

তুমি ভাত খালা?

ওপৰৰ বাক্য দুটাত একেই ধ্বনিৰ ব্যৱহাৰ হৈছে যদিও যতি চিহ্নই (প্ৰশ্নবোধক চিন) দুয়োটা বাক্যৰ অৰ্থ সলনি কৰিছে। অসমীয়া ভাষাত কথন ভংগী অৰ্থবোধক আৰু লয়যুক্ত কৰি সুৱলা কৰিবৰ বাবে কেইবাটাও যতি চিহ্ন ব্যৱহাৰ কৰা হয়। তলত সেইবোৰ আলোচনা কৰা হ'ল—

**(ক) পূৰ্ণযতি দাৰি (।) ঃ** বক্তব্য বিষয়ৰ এটা বাক্য সম্পূৰ্ণকৈ শেষ হোৱা বুজাবলৈ পূৰ্ণ যতি বা দাৰি ব্যৱহাৰ কৰা হয়। এই চিনটোৱে বক্তব্য বিষয়ৰ এটা ভাব সম্পূৰ্ণ হোৱা বুজায়। উদাহৰণ স্বৰূপে তুমি ভাত খালা মই বজাৰৰ পৰা আহিলো। এই বক্তব্য বিষয়খিনিৰ মাজত খালাৰ পিছত পূৰ্ণ যতি বা দাৰি '।' ব্যৱহাৰ কৰিলে আৰু 'আহিলোঁ'ৰ পিছতো এটা দাৰি '।' দিলে দুটা সম্পূৰ্ণ বাক্য হ'ব। লগতে বক্তাৰ মনৰ ভাব শ্ৰোতাই সুন্দৰকৈ বুজি পাব এনেধৰণে—

- তুমি ভাত খালা।
- মই বজাৰৰ পৰা আহিলোঁ।

**(খ) অৰ্ধযতি-চেমিক'লন (;) ঃ** কথনৰ প্ৰয়োজন অনুসৰি দুটা বাক্যৰ মাজত যদি সম্পৰ্ক থাকে তেনে ক্ষেত্ৰত দুটা বাক্যৰ মাজত অৰ্ধযতি বা চেমিক'লন বহে। এনে ক্ষেত্ৰত প্ৰথম অংশৰ লগত পিছৰ অংশৰ অৰ্ন্তকালিন সম্পৰ্ক থাকে। কেৱল মাত্ৰ দুয়োটা বাক্যৰ মাজৰ অংশত ; চেমিক'লন দি একেবাৰে শেষত পূৰ্ণ যতিৰ ব্যৱহাৰ কৰিব লাগে। যেনে ঃ
মানুহৰ জীৱন ক্ষন্তেকীয়া; সেয়ে সদায় ভাল কাম কৰি যাবা।

- ডাক্তৰ আহি আছে; আপোনাক বহিবলৈ কৈছে।

**(গ) পাদযতি ক'মা বা লঘুযতি (,) ঃ** কথা কওঁতে কেতিয়াবা একেজাতীয় একাধিক শব্দ, বিশেষ্য পদ বা চুটি চুটি বাক্য ক'ব লগা হ'লে প্ৰত্যেকটোৰ পিছতে ক'মা (,) দি একেবাৰে শেষৰটোত দাৰি বা পূৰ্ণযতি দিব লাগে। উদাহৰণ স্বৰূপে —

- ৰাম, যদু, মধু আৰু বীণা পঢ়াশালিলৈ গৈছে।
- নেহাই ভাত, মণিয়ে ৰুটি আৰু পাৰ্থই জলপান খালে।

এনে বাক্যৰ ক্ষেত্ৰত সংযোজক অব্যয় 'আৰু'ৰে বাক্য দুটা সংযোগ যদি কৰে তেনে ক্ষেত্ৰত ক'মা (,) নালাগে।

আকৌ, কেতিয়াবা কাৰোবাক সম্বোধন কৰি কথা ক'বলৈ যাওঁতে ক'মাৰ ব্যৱহাৰ হয়। যেনে—

● শ্ৰদ্ধেয়া বাইদেউ, নমস্কাৰ ল'ব।

● মামা, তুমি কেতিয়া আহিবা?

**(ঘ) প্ৰশ্নবোধক চিন ( ?) ঃ** কথন প্ৰক্ৰিয়াৰ সময়ত বক্তাই সন্মুখৰ শ্ৰোতাজনক যদি কিবা প্ৰশ্ন সুধিব লাগে, তেতিয়া বাক্যটো বা কেতিয়াবা শব্দৰ শেষতো প্ৰশ্নবোধক চিন ব্যৱহাৰ কৰিব লাগে। যেনে ঃ তুমি ক'ত থাকা? তোমাৰ নাম কি? কথন প্ৰক্ৰিয়াৰ সময়ত এনে বাক্য প্ৰয়োগ কৰোঁতে সাধাৰণ দাৰি (।) চিন থকা বাক্যতকৈ অলপ বেলেগ ধৰণে সুধিব লাগে।

**(ঙ) ভাববোধক চিন ( !) ঃ** বক্তাই কথনৰ প্ৰয়োজনত যদি আনন্দ, আশ্চৰ্য, শোক, ভয়, আদি আৱেগ প্ৰকাশ কৰিব লগা হয়, তেতিয়া বাক্যৰ শেষত এই ধৰণৰ যতি বা বিৰাম চিন ব্যৱহাৰ কৰিব। যেনে—

● কি ধুনীয়া চোলা!

● কি অসহ্য গৰম! ইত্যাদি

**(চ) হাইফেন বা যোগাযোগ ৰেখা (-) ঃ** অসমীয়া ভাষাত যুৰীয়া শব্দ কিছুমানৰ ব্যৱহাৰ আছে। কথা-বতৰা পাতোঁতে এই শব্দবোৰ ব্যৱহাৰ কৰিলে, শব্দৰ মাজত হাইফেন বা যোগাযোগ ৰেখা (-) ব্যৱহাৰ কৰা হয়। যেনে-

● বুঢ়া-বুঢ়ী, কাম-কাজ, মাছ-কাছ, শিশু-আলোচনী, জোন-বেলি-তৰা, ন-ছোৱালী, প্ৰাক-শংকৰী যুগ ইত্যাদি।

**(ছ) ক'লন (ঃ) আৰু ক'লন ডেছ (ঃ-) ঃ** বক্তব্য বিষয় কৈ তাৰ লগতে কিছু কথা ব্যাখ্যা কৰিবলৈ হ'লে ক'লন (ঃ) চিহ্ন ব্যৱহাৰ কৰা হয়। উদাহৰণ দিয়াৰ প্ৰয়োজনতো এই চিন ব্যৱহাৰ হয়। যেনে ঃ

● বিশেষ্য শব্দৰ উদাহৰণ ঃ ................. ইত্যাদি।

**(জ) ডেছ চিন (—) ঃ** কথনৰ প্ৰয়োজনত বাক্যৰ এটা অংশৰ লগত আন এটা অংশৰ সম্বন্ধ থকা বুজালে ডেছ চিন (-) ব্যৱহাৰ কৰা হয়। আকৌ কোনো কোনো ক্ষেত্ৰত, কথন ভংগীৰ প্ৰয়োজনত, এটা কথা কৈ থাকোতেই তাৰ লগত সংগতি থকা আন এটা কথা ক'ব লগা হ'লে, ডেছ চিন ব্যৱহাৰ কৰা হয়। যেনে—

● নতুন বছৰৰ বহুতো শুভকামনা থাকিল তোমাৰ আশাবোৰ যাতে পূৰ্ণ হওক—তাৰেই কামনাৰে...

**(ঝ) উৰ্ধ্বৰ্কমা (') ঃ** অসমীয়া ভাষাত অ ধ্বনিটো থকাৰ উপৰিও অ' ধ্বনি এটা আছে। এই অ' ধ্বনিটো বিশিষ্ট ধ্বনি। এই ধ্বনিটোৰ সহায়ত শব্দৰ অৰ্থ সলনি হ'ব পাৰে।

যেনে— ম'ৰা (এবিধ চৰাই) মৰা (মৃত্যু বুজোৱা শব্দ)।

ল'ৰা (পুৰুষ বুজোৱা শব্দ) লৰা (লৰচৰ কৰা) ইত্যাদি।

এনে ধৰণৰ অৰ্থ বুজাবলৈ 'অ' ধ্বনিটোৰ বাহিৰে আন বেলেগ আখৰ নাথাকে। এনে ক্ষেত্ৰত 'অ'ৰ ওপৰত উৰ্দ্ধকমা দি অ' বুলি লিখা হয়। অসমীয়া ভাষাত অ' এটা বিশিষ্ট স্বৰধ্বনি। সেইবাবে অ-ত উৰ্দ্ধকমাটো নিদিলে শব্দৰ অৰ্থটো সম্পূৰ্ণ সলনি হৈ যাব আৰু সম্পূৰ্ণকৈ একোটা বেলেগ শব্দৰ অৰ্থহে বুজাব। এনে ধৰণৰ কেইটামান শব্দৰ উদাহৰণ তলত দিয়া হ'ল—

ব'লা (যাবলৈ ওলোৱা) বলা (বতাহ চলাচল কৰা)

গ'ল (যোৱা অৰ্থ বুজাইছে) গল (শৰীৰৰ অংশ)

ম'হ (চাৰিঠেঙীয়া জন্তু) মহ (এবিধ তেজ পিয়া কীট)

য'ত (যিমান) ক'ত (কিমান) ইত্যাদি।

**(ঞ) উদ্ধৃতি উৰ্দ্ধক'মা ("—")** ঃ কথাৰ মাজত বা লিখনিৰ মাজত আন কথা হুবহু তুলি দিবলৈ বিচাৰিলে, আনৰ কথাখিনি "..." এনে ধৰণৰ উদ্ধৃতি উৰ্দ্ধক'মাৰ মাজত দিব লাগিব। সাধাৰণতে প্ৰত্যক্ষ উক্তিত এই চিন ব্যৱহাৰ কৰা হয়। যেনে—

● ৰামে ক'লে "মই আজি স্কুললৈ নাযাওঁ।"

● ভাৰতত মহাত্মা গান্ধীয়ে 'হিন্দুস্তানী' নাম দি এটা কৃত্ৰিম ৰাষ্ট্ৰভাষা চলাবলৈ ইচ্ছা কৰিছিল। তেওঁ কৈছিল "মই আজিয়ে যত্ন কৰি দুয়োটা লিপি শিকা উচিত আৰু এনে এটা ভাষা কোৱা উচিত য'ত হিন্দী আৰু উৰ্দু দুয়োটা ভাষা মিহলি হৈছে।"

**(ট) ফুলষ্টপ (.)** ঃ শব্দ একোটাৰ সম্পূৰ্ণ ৰূপটো নিলিখি সংক্ষিপ্ত ৰূপটো লিখিবলৈ হ'লে ফুলষ্টপৰ ব্যৱহাৰ কৰা হয়। ইংৰাজী ভাষাৰ আৰ্হিৰ এইটো বিৰাম চিন আধুনিক অসমীয়া ভাষাত ব্যৱহাৰ হৈ আহিছে। যেনে -

● অসমীয়া অভিধানৰ কথা ক'ব পাৰি। অভিধানত শব্দৰ অৰ্থ বিৱৰণৰ প্ৰয়োজনত পদ, সংকেত আদি বুজাবলৈ এই চিহ্ন ব্যৱহাৰ কৰে।

● অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ অ. ভা. উ. সা. স. (Abbreviation বা সংক্ষিপ্ত ৰূপ)

● হি. — হিন্দী

● বিন. — বিশেষ

● দ্ৰ. — দ্ৰষ্টব্য

● বি. — বিশেষ্য, ইত্যাদি

**(ঠ) তাৰকা চিহ্ন (*) ঃ** কোনো এটা বিষয়ৰ কথা কৈ থাকোতে বা লিখিত ৰূপত প্ৰকাশ কৰাৰ সময়ত সেই বিষয়ে বিস্তৃত বিৰৰণ দিব লগা হ'লে এই তাৰকা চিহ্ন (*)-ৰ ব্যৱহাৰ কৰা হয়।

**(ড) বৰ্জন চিন (....) ঃ** লিখিত ৰূপৰ কোনো উদ্ধৃতি অংশত যদি অলপমান এৰি দিয়া হয়, অৰ্থাৎ উদ্ধৃতি অংশৰ কিছু অংশ বৰ্জন কৰিলে বা বাদ দিলে তাতেই এই বৰ্জন চিহ্নৰ ব্যৱহাৰ হয়। যেনে —

- শান্তিৰ বাবেই কেতিয়াবা যুদ্ধ লাগে। তথাপি ক'ব লাগিব আমাক যুদ্ধ নালাগে, লাগে শান্তিহে
- (ডাৱৰ আৰু নাই, যোগেশ দাস)

আকৌ কেতিয়াবা ক'বলগীয়া কথাখিনি কৈ শেষ অংশত বৰ্জন চিহ্ন ব্যৱহাৰ কৰি বক্তব্য বিষয়ৰ ভাব অৰধাৰিতভাৱে ৰাখিবলৈ চেষ্টা কৰা হয়। যেনে-

- 'পঞ্চতীৰ্থ কৰি বিষ্ণুক দেখিবা, ধৰ্ম নাহি আত পৰে...।' (নামঘৰীয়া, অতুলানন্দ গোস্বামী)

**(ঢ) বন্ধনী চিন ([{( )}]) ঃ** বন্ধনী চিন প্ৰধানকৈ অংশ শাস্ত্ৰৰ বিষয় যদিও সাহিত্যৰ ক্ষেত্ৰত এই চিহ্ন অতি প্ৰয়োজনীয়। বক্তব্য বিষয়ৰ মাজত যদি কেতিয়াবা অৰ্থ প্ৰতিশব্দ বা ইংৰাজী ৰূপ আদি উল্লেখ কৰিব লাগে তেতিয়া এই চিন ব্যৱহাৰ কৰা হয়।

যেনে —

- পদুম কুঁৱৰী (১৯০৫),
- লক্ষ্মীনাথ বেজবৰুৱা (১৮৬৮-১৯৩৮),
- 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা'ৰ দ্বাৰা প্ৰকাশিত 'অসমীয়া সাহিত্যৰ বুৰঞ্জী [ষষ্ঠ খণ্ড (সম্পা. হোমেন বৰগোহাঞি, পৰিবৰ্দ্ধিত সংস্কৰণ)] খনত সাম্প্ৰতিক অসমীয়া সাহিত্যৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়াইছে। ইত্যাদি,

**(ণ) তিৰ্তক বা অল্লিক (/) ঃ** আধুনিক সাহিত্যত ব্যৱহাৰ হোৱা আন এটা বিৰাম চিহ্ন হৈছে অল্লিক (/)। একেজাতীয় দুই বা ততোধিক শব্দৰ ব্যৱহাৰৰ ক্ষেত্ৰত অল্লিক ব্যৱহাৰ হয়। কেতিয়াবা কবিতা এটা গদ্যত লিখিবলৈ শাৰীবোৰৰ মাজত তিৰ্থক বা অল্লিক (/) চিহ্ন দি লিখা হয়। আকৌ বিভিন্ন কৰ্মক্ষেত্ৰত ঠিকনা দিবলৈ বিচাৰিলে বা যোগাযোগৰ কেইবাটাও মাধ্যমৰ ভিতৰত যিকোনো এটা গ্ৰহণ কৰিবলৈ দিয়া হ'লে, সেইক্ষেত্ৰত মাজত এই চিন দি যোগাযোগৰ মাধ্যমসমূহ বুজোৱা হয়। যেনে—

- ফোন/ ই-মেইল/ টুইটাৰ ইত্যাদি।
- আকৌ 'কাৰ পৰশত ফুলিলি বান্ধৈ/ অ' মোৰ সাদৰী ফুলাম পাহি/

শ্যামলী পাতৰ ওৰণি গুচাই/ কাৰ ফালে চাই মাৰিলি হাঁহি।” (ৰঘুনাথ চৌধাৰী ঃ গোলাপ)

| আত্মমূল্যায়ন প্ৰশ্ন ঃ |
|---|
| ১। যতি কেইপ্ৰকাৰৰ আৰু কি কি? |
| ২। অসমীয়া ভাষাত ব্যৱহাৰ হোৱা যতিসমূহৰ বিষয়ে বহলাই আলোচনা কৰা। |

ওপৰৰ আলোচনাৰ পৰা জানিব পাৰিলোঁ যে, কথন ভংগীৰ সৈতে অতিকৈ প্ৰয়োজনীয় বিষয় এটা হৈছে যতি জ্ঞান। বক্তা কথা কোৱাত দক্ষ হ'বলৈ তেওঁৰ যতি জ্ঞান থাকিবই লাগিব। আনহাতে একেলেথাৰিয়ে কৈ থকা কথন প্ৰক্ৰিয়াৰ কোনো অৰ্থ নাথাকে। এনে কথন ভংগীয়ে শ্ৰোতাক কেতিয়াও আকৰ্ষণ কৰিব নোৱাৰে। লাগিলে বক্তব্য বিষয় যিমানেই গভীৰ হওক। সেয়েহে কথন ভংগীৰ দক্ষতা আহৰণ কৰিব লাগিলে যতিজ্ঞানৰ অবিহনে ই সম্ভৱ নহ'ব।

## ১.৫ সাৰাংশ (Summing Up) ঃ

যতি শব্দৰ অৰ্থ হৈছে বিৰাম। এটা বিষয় পঢ়াৰ সময়ত বা কথনৰ সময়ত যি ঠাইত নিশ্বাসৰ বাবে ৰ'ব লগা হয়, তাকে যতি বোলে। কথন বিষয় শুনিবলৈ শুৱলা, অৰ্থপূৰ্ণ কৰিবলৈও বাক্যৰ বা কেতিয়াবা শব্দৰ মাজত ক্ষন্তেক ৰ'ব লাগে। এনেদৰে ৰোৱা কাৰ্যকে যতি বা বিৰাম বোলে। যতিজ্ঞান বিষয়টো জানিবলৈ ব্যক্তিয়ে বা ন শিকাৰুৱে ভাষাটো ভালদৰে জানি লৈ, ক'ত ৰলে কথন বিষয় অৰ্থপূৰ্ণ তথা শুৱলা হ'ব, তেনেদৰেই অনুশীলন কৰিব লাগিব। অসমীয়া ভাষাত বহুকেইবিধ যতিৰ ব্যৱহাৰ আছে। দাৰি, ক'মা, প্ৰশ্নবোধক চিন, ভাববোধক চিন আদি যতি চিহ্নৰ সুব্যৱহাৰে অসমীয়া ভাষাৰ কথন প্ৰক্ৰিয়া লৈ মাধুৰ্যতা আনি দিছে। বক্তাৰ বক্তব্য বিষয়ত নিৰ্দ্দিষ্ট যতিৰ প্ৰয়োগে শ্ৰোতাক আকৰ্ষিত কৰে।

## ১.৬ আৰ্হি প্ৰশ্ন (Model Questions) ঃ

১। যতি কাক বোলে?

২। যতি কেইপ্ৰকাৰৰ আৰু কি কি?

৩। যতি বা বিৰামে কথোপকথনত কিদৰে সহায় কৰে?

৪। যতি চিহ্নসমূহৰ পৰিচয় দিয়া।

৫। যতিজ্ঞান শিক্ষণৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা।

## ১.৭ আত্মমূল্যায়ন প্ৰশ্নৰ উত্তৰ ঃ

১ নং উত্তৰ ঃ অসমীয়া ভাষাত যতি তিনি প্ৰকাৰৰ। শ্বাস যতি, ভাব যতি বা অৰ্থযতি আৰু ছন্দ যতি।

২ নং উত্তৰ ঃ অসমীয়া ভাষাত সততে ব্যৱহাৰ হোৱা যতিসমূহ হৈছে— ৩.৪ সংখ্যক পাঠ চোৱা।

## ১.৮ প্ৰসংগ গ্ৰন্থ (References & Suggested Readings) ঃ


| | | |
|---|---|---|
| চক্ৰেশ্বৰ দাস | ঃ | অসমীয়া ভাষা-শিক্ষণৰ ৰূপৰেখা |
| ধৰ্মসিংহ ডেকা | ঃ | ৰচনা বিচিত্ৰা |
| বাণীকান্ত কাকতি | ঃ | পুৰণি অসমীয়া সাহিত্য |
| মহেশ্বৰ নেওগ | ঃ | নিকা অসমীয়া ভাষা |
| ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা | ঃ | প্ৰাথমিক বিদ্যালয়ত ভাষা শিক্ষণৰ ন-দিগন্ত |
| হেমন্ত শৰ্মা (সম্পাদিত) | ঃ | যোগাযোগত ব্যৱহৃত বিভিন্ন যতিচিহ্ন আৰু ইয়াৰ ব্যৱহাৰ (প্ৰবন্ধ, কৰুণাকান্ত হাজৰিকা, যোগাযোগমূলক অসমীয়া ভাষা) |


*****

## (ঘ) উচ্চাৰণ

**বিভাগৰ গঠন ঃ**

**১.১ ভূমিকা (Introduction)**

**১.২ উদ্দেশ্য (Objectives)**

**১.৩ উচ্চাৰণৰ অৰ্থ**

**১.৪ অসমীয়া ভাষাত উচ্চাৰণৰ স্বৰূপ**

**১.৫ উচ্চাৰণগত দোষৰ কাৰণ**

**১.৬ উচ্চাৰণ শুদ্ধ কৰাৰ উপায়**

**১.৭ সাৰাংশ (Summing Up)**

**১.৮ আৰ্হি প্ৰশ্ন (Model Questions)**

**১.৯ আত্মমূল্যায়ন প্ৰশ্ন উত্তৰ**

**১.১০ প্ৰসংগ গ্ৰন্থ (References & Suggested Readings)**

### ১.১ ভূমিকা (Introduction) ঃ

প্ৰাচীন কালৰে পৰা ভাৰতীয় সংস্কৃতিত বেদৰ শ্লোকসমূহৰ প্ৰভাৱ অপৰিসীম। এই শ্লোকসমূহ মুখে মুখে চলতি হৈ আহিছিল আৰু সেইবোৰৰ পঠনৰ সময়ত উচ্চাৰণৰ শুদ্ধতা আৰু সুৰৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছিল। আৰ্য-সংস্কৃত ভাষাসমূহত উচ্চাৰণৰ স্পষ্টতা আৰু শুদ্ধতাত যথেষ্ট মন দিয়া হয়। শাস্ত্ৰত অৰ্থাৎ শাস্ত্ৰীয় গ্ৰন্থত বেদপঠনৰ বাবে প্ৰয়োজনীয় বিভিন্ন ধ্বনি উচ্চাৰণ কৰাৰ নিৰ্দেশ দি থোৱা থাকে। সেই নিৰ্দেশ অনুসৰি বেদপাঠ কৰোতে সকলো উচ্চাৰণ স্পষ্ট আৰু শুদ্ধ কৰিবলৈ যথেষ্ট অনুশীলন কৰা হৈছিল। ‘শব্দ’ক ব্ৰহ্ম অৰ্থাৎ ভগৱানৰ ৰূপ হিচাপে গণ্য কৰিছিল। সেয়েহে শব্দৰ অশুদ্ধ উচ্চাৰণে ভগৱানক অৱমাননা কৰাৰ দৰে জ্ঞান কৰিছিল। যিজন বক্তা জ্ঞানী, যাৰ বাগ ইন্দ্ৰিয়সমূহ সম্পূৰ্ণৰূপে সঠিক, যি কথা-বাৰ্তাত বিনয়ী, দক্ষ, তেৱেঁই শুদ্ধ বা প্ৰকৃত উচ্চাৰণ কৰিব পাৰে বুলি বেদৰ পণ্ডিতসকলে বিশ্বাস কৰিছিল।

### ১.২ উদ্দেশ্য (Objectives) ঃ

এই বিভাগটি অধ্যয়ন কৰি তোমালোকে

- উচ্চাৰণৰ অৰ্থ কি তাক জানিবা।
- কথন প্ৰক্ৰিয়াত উচ্চাৰণৰ ভূমিকাৰ বিষয়ে জানিবা।

- ছাত্ৰ-ছাত্ৰীৰ উচ্চাৰণৰ দোষৰ কাৰণ কি জানিবা।
- কথন প্ৰক্ৰিয়াত উচ্চাৰণ কেনেকৈ শুদ্ধ কৰিব পাৰি তাৰ উপায়ৰ বিষয়ে জানিবা।
- উচ্চাৰণ শিক্ষাত শিক্ষক আৰু অভিভাৱকৰ ভূমিকাৰ বিষয়ে জানিব পাৰিবা।

## ১.৩ উচ্চাৰণৰ অৰ্থ ঃ

উচ্চাৰণ শব্দৰ আভিধানিক অৰ্থ মাত, শব্দ কৰণ, বোলন বা মতা কাৰ্য Pronunciation, articulation ইত্যাদি। মুখেৰে কোৱা কথাত উচ্চাৰণ শুদ্ধ হোৱাটো এটা অতি প্ৰয়োজনীয় বিষয়। বক্তাৰ কথন দক্ষতা সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে উচ্চাৰণ শুদ্ধতাৰ ওপৰত। পৃথিৱীৰ প্ৰতিজন কথা ক'ব পৰা ব্যক্তিৰে কথন শৈলী আন এজনতকৈ পৃথক। তেনেদৰে অজশ্ৰ ভাষাৰ মাজত প্ৰতিটো ভাষাৰে একোটা নিজস্ব প্ৰকাশশৈলী বা ৰীতি থাকে। কোনো কোনো বক্তাই অকনো খোকোজা নলগাকৈ ক'বলগীয়া প্ৰতিপাদ্য বিষয় ক'ব পাৰে। শ্ৰোতাই, বক্তাই তেনেদৰে কোৱা কথিত বিষয় শুনি, নিজৰ মতামত আগবঢ়াব পাৰে। কেতিয়াবা আকৌ বক্তাৰ কথন দক্ষতাত বহুতো শ্ৰোতা মুগ্ধ হোৱাও শুনা যায়। অৰ্থাৎ কিছুমান লোকৰ কথাই বহু লোকক আকৃষ্ট কৰিব পাৰে। কোনো বক্তাই আকৌ খুব সুন্দৰ বিষয় এটা বৰ্ণনা কৰিব নজনাৰ ফলতে বা কথন দক্ষতাৰ অভাৱত শুনিবলৈ মন নোযোৱা হৈ পৰে। মুঠতে, বিষয় যিয়েই নহওক সাধাৰণ কথা এটাও যদি বক্তাই শুদ্ধ উচ্চাৰণেৰে ব্যক্ত কৰে, ই আমাৰ মন-মগজুক চুই যাব। ইয়াৰ বাবে অনুশীলন অতি প্ৰয়োজনীয়।

## ১.৪ অসমীয়া ভাষাত উচ্চাৰণৰ স্বৰূপ ঃ

অসমীয়া ভাষা আৰ্যভাষা সম্ভূত এটা ভাষা। ই যদিও আৰ্য ভাষাৰ পৰা ওলোৱা এটা ভাষা তথাপি এই ভাষাৰ লগত পূৰ্বৰে পৰা অসমৰ অধিবাসী আন কিছুমান জনজাতীয় ভাষাৰ সংমিশ্ৰণ হৈছে। এনেদৰে সংমিশ্ৰিত আৰ্যমূলীয় ভাষাটোত কিন্তু কিছুমান উচ্চাৰণগত সমস্যাও আছে। কাৰণ ভাষাটোৰ বৰ্ণমালা অনুসৰি যি ধৰণে লিখা হয়, তেনে ধৰণে উচ্চাৰণ কৰা নহয়। গতিকে লিখিত ৰূপটোৰ সৈতে কথিত ৰূপটো সামঞ্জস্যহীন হৈ পৰিছে, ইয়ে অসমীয়া ভাষাৰ উচ্চাৰণত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। পৃথিৱীৰ আন কিছুমান ভাষাৰ ক্ষেত্ৰটো এনে সমস্যাই দেখা দিছে। যি ভাষাত বৰ্ণমালাৰ প্ৰতিটো আখৰেই একোটা বিশিষ্ট ধ্বনি হয়, তেনে ভাষাত উচ্চাৰণৰ সমস্যা তুলনামূলকভাৱে বহুত কম। কাৰণ তেনে ভাষাত উচ্চাৰিত ধ্বনি আৰু লিখিত ৰূপত কোনো পাৰ্থক্য নাথাকে। সংস্কৃত ভাষাত বৰ্ণ আৰু ধ্বনিসমূহৰ মাজত মিল আছে। অৰ্থাৎ সংস্কৃত ভাষাত বৰ্ণসমূহ যিদৰে লিখা হয়, উচ্চাৰণৰ সময়তো প্ৰতিটো বৰ্ণৰে সেইদৰেই ভিন্ন উচ্চাৰণ কৰিব পাৰি আৰু সেইবাবে উচ্চাৰণ সম্পূৰ্ণৰূপে শুদ্ধ হোৱা সম্ভৱ। ভাষাৰ ব্যৱহাৰ কৰোঁতে সেইবাবে ভাষাৰ জ্ঞান অতি প্ৰয়োজনীয়। বৰ্ণ, ধ্বনি আৰু আখৰৰ সম্পূৰ্ণ আৰু শুদ্ধ

জ্ঞান অবিহনে উচ্চাৰণ শুদ্ধ হ'ব নোৱাৰে। প্ৰতিটো ভাষাৰে একোটা উচ্চাৰণ পদ্ধতি থাকে, সেইখিনি শুদ্ধকৈ শিকি, তেনেদৰে উচ্চাৰণ কৰিলে, কথনগত দক্ষতাও বৃদ্ধি পাব; লগতে বক্তব্য বিষয় আকৰ্ষণীয় হ'ব। গতিকে  ন শিকাৰুৰ ক্ষেত্ৰত অভিভাৱক, শিক্ষক তথা বিজ্ঞজনে শুদ্ধ উচ্চাৰণত বিশেষভাৱে গুৰুত্ব দিব লাগে। ইয়াক এনেদৰে ক'ব পাৰি—

(ক) উচ্চাৰণ শুদ্ধ হ'বলৈ হ'লে ভাষাৰ ধ্বনি জ্ঞান আৰু তাৰ প্ৰয়োগৰ বিষয়ে সঠিক জ্ঞানৰ প্ৰয়োজন।

(খ) কথনৰ আটাইতকৈ আৱশ্যকীয় অংগ হৈছে উচ্চাৰণ। শুদ্ধ উচ্চাৰণে কথন প্ৰক্ৰিয়াৰ আকৰ্ষণ বৃদ্ধি কৰে।

(গ) ছাত্ৰ-ছাত্ৰী আৰু ন শিকাৰুসকলে প্ৰথম অৱস্থাৰ পৰাই শুদ্ধ উচ্চাৰণৰ অভ্যাস কৰিব লাগে। অশুদ্ধ উচ্চাৰণে ভাষা একোটাৰ প্ৰকৃত ৰূপ বিকৃত কৰিব পাৰে।

(ঘ) প্ৰথম অৱস্থাত শিকা ভাষাগত ভুলবোৰ স্থায়ী হ'বলৈ দিব নালাগে।

(ঙ) ভাষাৰ এটা প্ৰধান ৰূপ উপভাষা। উপভাষাৰ ধ্বনিগত বৈশিষ্ট্যবোৰে যাতে বক্তাৰ উচ্চাৰণত প্ৰভাৱ পেলাব নোৱাৰে, সেই কথা বিশেষভাৱে মন কৰিবলগীয়া।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

১। উচ্চাৰণৰ অৰ্থ কি?

২। উচ্চাৰণ কেনেকৈ শুদ্ধ কৰিব পাৰি?

## ১.৫ উচ্চাৰণগত দোষৰ কাৰণ ঃ

ভাষা এটা নতুনকৈ শিকোতে ছাত্ৰ-ছাত্ৰী বা ন শিকাৰুৰ উচ্চাৰণ দোষ ঘটিব পাৰে। ইয়াৰ বহুত কাৰণ দেখা যায়। কাৰণসমূহ এনে ধৰণৰ —

(ক) শিশু এটা জন্ম হৈ তাৰ আশে-পাশে থকা মানুহ আৰু ঘৰখনৰ বাতাবৰণৰ সৈতে প্ৰথম পৰিচয় হয়। ঘৰৰ প্ৰতিজন মানুহৰ লগত শিশুটোৰ নিবিড় সম্পৰ্কই গা কৰি উঠে। ঘৰৰ চৌপাশতেই শিশুৰ প্ৰথম শিক্ষা জীৱনৰ বীজ ৰোপণ হয়। সেয়েহে ঘৰখনৰ মানুহখিনিয়ে ভাল-বেয়া, ভুল-শুদ্ধ যেনেধৰণেই ভাষাৰ উচ্চাৰণ কৰে, ঠিক তেনেধৰণেই শিশুটোৱেও উচ্চাৰণ কৰিবলৈ শিকিব।

(খ) ঘৰখনৰ পিছতে বিদ্যালয়ৰ শিক্ষকসকলৰ সৈতে শিশুসকলৰ সংযোগ ঘটে। গতিকে ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়াৰ আগতে শিক্ষক-শিক্ষয়িত্ৰীয়ে ভাষাৰ উচ্চাৰণ-ৰীতিৰ বিষয়ে পদ্ধতিগতভাৱে জানি লোৱা দৰকাৰ। অন্যথাই ছাত্ৰ-ছাত্ৰীৰ উচ্চাৰণ শুদ্ধ নহ'ব।

(গ) ছাত্ৰ-ছাত্ৰী বা ন-শিকাৰুৱে বক্তব্য বিষয় শুনোতে যদি অন্যমনস্ক হৈ থাকে, তেনে ক্ষেত্ৰতো উচ্চাৰণ বিভ্ৰাট ঘটিব পাৰে।

(ঘ) কিছুমান মানুহৰ বাকযন্ত্ৰ আৰু শ্ৰৱণ অংগত থকা বিকৃতিৰ বাবেও উচ্চাৰণ শুদ্ধকৈ আহৰণ কৰিব নোৱাৰে। তেওঁলোকে কওঁতে আৰু শুনোতে সম্পূৰ্ণভাৱে বিষয়টো আয়ত্ত কৰিব নোৱাৰে। আয়ত্ত কৰিলেও প্ৰকাশ কৰিবলৈ সক্ষমতাৰ অভাৱ হয়। এনে ক্ষেত্ৰত বক্তব্য বিষয়ত উচ্চাৰণৰ দোষে দেখা দিয়ে।

(ঙ) কোনো কোনো সময়ত আকৌ শিক্ষকে বা বক্তাই কোৱা কথাখিনিৰ উচ্চাৰণ শুদ্ধ হয়, কিন্তু অস্পষ্ট হয়। তেনে ক্ষেত্ৰত অস্পষ্ট কথনভংগীয়ে শ্ৰোতাজনৰ উচ্চাৰণৰ বিকৃতি ঘটাব পাৰে।

(চ) দুজন ব্যক্তিৰ সন্মুখা-সন্মুখিকৈ পতা কথাৰ পৰা উচ্চাৰণৰ শুদ্ধতা অনুসৰণ কৰিব পাৰি। কিন্তু শ্ৰেণীত শিক্ষকে কিতাপৰ পৰা পাঠ ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ দিলে, উচ্চাৰণৰ বিষয়ে শিকিবলৈ কিছু কঠিন হৈ পৰে। কাৰণ পাঠত থকা শব্দবোৰ প্ৰাণহীন, অৰ্থাৎ কিতাপৰ পৰা চাই চাই পঢ়া পাঠৰ অনুশীলনে উচ্চাৰণ শুদ্ধ কৰিব নোৱাৰে।

(ছ) উচ্চাৰণ অশুদ্ধ হোৱাৰ এটা প্ৰধান কাৰণ হৈছে, পৰিৱেশ অথবা পাৰিপাৰ্শ্বিকতা। ব্যক্তিয়ে যদি অহৰহ অশুদ্ধভাৱে ভাষা উচ্চাৰণ কৰা মানুহৰ মাজত থাকে, তেন্তে তেনে ভুল উচ্চাৰণ সদায় ভুল হৈ ৰৈ যোৱাৰ সম্ভাৱনাই সৰহ।

(জ) ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত দেখা যায় যে বয়স বাঢ়ি যোৱাৰ লগে লগে তেওঁলোকৰ পঢ়িব লগা বিষয়সমূহ বাঢ়ি আহে। ফলত তেওঁলোকে পাঠ ফুটাই নপঢ়ি নীৰৱ-পঠন কৰে। উচ্চাৰণ শুদ্ধ হোৱাৰ ক্ষেত্ৰত নীৰৱ পঠন এক প্ৰধান অন্তৰায়।

(ঝ) বিদ্যালয়বোৰত অথবা কাম-কাজ কৰাৰ পৰিৱেশত যদি বিভিন্ন ভাষা-ভাষী লোকৰ বা ছাত্ৰৰ সংমিশ্ৰণ হয়, তেতিয়া সেই ছাত্ৰ বা ব্যক্তিজনৰ চৌপাশে এক অন্য পৰিৱেশে গঢ় লৈ উঠে। এই ক্ষেত্ৰত ধ্বনন আৰু শ্ৰৱণ প্ৰক্ৰিয়াৰ ত্ৰুটি-বিচ্যুতি হৈ উচ্চাৰণ ভুল হোৱাৰ সম্ভাৱনাই দেখা দিয়ে।

(ঞ) উচ্চাৰণৰ শুদ্ধতাৰ ক্ষেত্ৰত ভাষাজ্ঞানৰ প্ৰয়োজনীয়তা অতি বেছি। ভাষা ভেদে ধ্বনি আৰু ধ্বনি উচ্চাৰণ বেলেগ বেলেগ। অসমীয়া ভাষাৰ স্বৰান্ত শব্দ, ব্যঞ্জনান্ত শব্দ (পাৰ আৰু পাৰ্) কিছুমানৰ বানান একে হ'লেও উচ্চাৰণ কেতিয়াও একে নহয়। পাৰ (অ) শব্দই চৰাই আৰু পাৰ (অ) শব্দই নদীৰ পাৰ-ক বুজায়। আকৌ 'উ' কাৰান্ত আৰু 'ও' কাৰান্ত শব্দৰ উচ্চাৰণত থকা পাৰ্থক্যহীনতা; শ ষ স আদিযুক্ত শব্দ; য, জ যুক্ত শব্দ; মূৰ্ধণ্য আৰু দন্ত্য বৰ্গ যুক্ত শব্দৰ সঠিক উচ্চাৰণ অভিভাৱক তথা শিক্ষকে ভালদৰে জানি শিকাব নোৱাৰিলে উচ্চাৰণ শুদ্ধ নহ'ব। সেয়েহে ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ত আৰু ন-শিকাৰুৰ ক্ষেত্ৰতো উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অতি প্ৰয়োজন।

(ট) আমাৰ ভাষাত সঠিক উচ্চাৰণৰ নিৰ্দেশনা থকা গ্ৰন্থ অথবা 'শুদ্ধ উচ্চাৰণ কোষ'ৰ অতি দৰকাৰ। এনে শুদ্ধ উচ্চাৰণ কোষৰ অবিহনে বক্তা, ন-শিকাৰু আৰু ছাত্ৰ-ছাত্ৰীৰ উচ্চাৰণৰ দোষ খণ্ডণ কৰা অসম্ভৱ।

(ঠ) উপভাষাৰ প্ৰভাৱত ভাষা কথনত উচ্চাৰণগত বিসংগতিয়ে দেখা দিব পাৰে। অৰ্থাৎ অসমৰ উজনি-নামনি অঞ্চলৰ ভাষাগত আঞ্চলিক ভেদবোৰৰ দ্বাৰা মান্য ভাষা কওঁতাৰ কথন প্ৰক্ৰিয়াত প্ৰভাৱ পৰে। ফলত ই বক্তাৰ উচ্চাৰণ দোষৰ কাৰণ হৈ পৰে।

**জানি থওঁ আহা ঃ**

বৈদিক যুগৰ পৰাই ভাৰতীয় আৰ্য সাহিত্যত উচ্চাৰণৰ গুৰুত্ব অপৰিসীম। শুদ্ধ আৰু স্পষ্ট উচ্চাৰণ সমৃদ্ধ কথোপকথনে সকলোকে আকৰ্ষিত কৰিব। সফল বক্তা, গায়ক, আবৃত্তিকাৰ আদি সকলোৰে প্ৰধান মন্ত্ৰ হৈছে শব্দৰ শুদ্ধ উচ্চাৰণ।

### ১.৬ কথন প্ৰক্ৰিয়াত উচ্চাৰণ শুদ্ধ কৰাৰ উপায় ঃ

কথন প্ৰক্ৰিয়াত উচ্চাৰণ শুদ্ধ কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী তথা ন-শিকাৰু; সকলোৱে কিছুমান কৌশল অথবা উপায় অৱলম্বন কৰিব লাগিব। তেতিয়াহে উচ্চাৰণ শুদ্ধ কৰিবলৈ সক্ষম হ'ব পৰা যাব। উচ্চাৰণ শুদ্ধ কৰাৰ উপায় কেইটামান এনেধৰণৰ—

**ক) অভিভাৱকৰ ভাষাজ্ঞান ঃ** শিশু এটিয়ে প্ৰথমে ঘৰখনত অভিভাৱকৰ পৰা শুদ্ধ উচ্চাৰণ শিকে। কিয়নো জন্ম হোৱা ক্ষণৰে পৰা শিশু এটিয়ে চৌপাশৰ কথাবোৰ শুনি শুনি সেইবোৰ ক'বলৈ আৰম্ভ কৰে। সেয়েহে অভিভাৱকে যদি উচ্চাৰণ শুদ্ধকৈ কৰে, তেন্তে শিশুটোৱেও শুদ্ধকৈ ক'বলৈ আৰম্ভ কৰিব।

**খ) অভিভাৱকৰ শব্দ শুধৰণি ঃ** প্ৰথমে মাত ফুটাৰ সময়ত এটি শিশুৱে শব্দবোৰ সম্পূৰ্ণ শুদ্ধকৈ ক'ব নোৱাৰে। সেই সময়ত শিশুৱে কিছুমান ধ্বনি উচ্চাৰণ কৰিব নোৱাৰাৰ বাবে এনে হোৱা দেখা যায়। থুনুক-থানাক অস্পষ্ট উচ্চাৰণবোৰ শুনিবলৈ অতি শুৱলা হয়। কিন্তু এনে ক্ষেত্ৰত শিশুটিক শব্দৰ শুধৰণি কৰি দিয়াটো অভিভাৱকৰ দায়িত্ব। এনে কিছুমান শব্দ। যেনে—

ৰেল —— লেল
এইফালে —— এফে
ধুনীয়া —— ধুনু
স্কুল —— ইস্কুল ইত্যাদি।

**গ) শিক্ষকৰ ভাষাগত জ্ঞান ঃ** শিশু এটি প্ৰথমে বিদ্যালয়লৈ যাওঁতে তেওঁৰ শিক্ষকগৰাকীৰ সৈতে কথোপকথনৰ জৰিয়তে শিক্ষা আৰম্ভ হয়। গতিকে ছাত্ৰ-ছাত্ৰীক শুদ্ধ উচ্চাৰণৰ শিক্ষা দিয়াৰ আগতে শিক্ষকজনৰ ভাষাগত জ্ঞানৰ অতি প্ৰয়োজন। শিক্ষকে ধ্বনিতত্ত্ব আৰু লগতে বাক্ ইন্দ্ৰিয়সমূহৰ বিষয়ে সঠিক জ্ঞান ছাত্ৰ-ছাত্ৰীক দিব পাৰিব লাগিব।

**ঘ) উচ্চাৰণ অনুশীলন ঃ** অসমীয়া ভাষাত দুই ধৰণৰ ধ্বনি বা বৰ্ণ আছে। স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণ। স্বৰধ্বনিৰ সহায় অবিহনে ব্যঞ্জন ধ্বনি উচ্চাৰণ কৰিব নোৱাৰি। শিক্ষকসকলে প্ৰাথমিক স্তৰতে ছাত্ৰ-ছাত্ৰীক কোনবোৰ শব্দৰ স্বৰ বা ব্যঞ্জন ধ্বনি কেনেদৰে উচ্চাৰণ কৰিব লাগে— তাক বুজাই দিব লাগে। আকৌ অসমীয়া ভাষাত ই, ঈ; উ; ঊ, চ, ছ আদি ধ্বনিৰ উচ্চাৰণগত কোনো পাৰ্থক্য নাই। গতিকে ভাষাগত বৈশিষ্ট্যমূলক সকলোখিনি জ্ঞান শিক্ষকে দিলে ছাত্ৰ-ছাত্ৰীৰ কথন প্ৰক্ৰিয়াত উচ্চাৰণ শুদ্ধ হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

**ঙ) স্পষ্ট পঠন ঃ** বক্তা বা ছাত্ৰ-ছাত্ৰীক পাঠ পঢ়িবলৈ দিয়াৰ সময়ত শিক্ষক আৰু অভিভাৱকে সুৰ লগাই পঢ়িবলৈ শিকাব লাগে। তেনেদৰে পঢ়িলে পাঠৰ শব্দ উচ্চাৰণ কৰাৰ সময়ত থকা ভুল-ত্ৰুটিবোৰ কাণত বাজে আৰু লগে লগে শিক্ষকে উচ্চাৰণ শুদ্ধ কৰি দিব পাৰে। গদ্য আৰু পদ্যৰ ভিতৰত পদ্য কৰোঁতে কৰিলে এই কৌশল অধিক কাৰ্যকৰী হ'ব।

**চ) সমস্বৰ গঠন ঃ** কেতিয়াবা কঠিন বাক্যবোৰ পঢ়োঁতে বা জটিল শব্দবোৰ উচ্চাৰণ কৰোতে ছাত্ৰ-ছাত্ৰীসকলৰ  খোকোজা লাগে। গতিকে তেনে ক্ষেত্ৰত শিক্ষকে প্ৰথমে শুদ্ধ উচ্চাৰণেৰে পাঠটো পঢ়ি শুনাই তাৰ পিছত ছাত্ৰ-ছাত্ৰীক একেলগে পাঠ কৰিব দিব লাগে।

**ছ) বক্তৃতা দিয়াৰ অভ্যাস ঃ** বক্তৃতা বা ভাষণ দিয়া কাৰ্যই উচ্চাৰণৰ শুদ্ধতাৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলায়। সেয়েহে ছাত্ৰ-ছাত্ৰীৰ মাজত বক্তৃতা দিয়াৰ অভ্যাস গঢ়ি তুলিব পাৰিলে ভাষা কথনৰ ভয়, শংকা, সংকোচ আদি আঁতৰি যাব। ফলত তেওঁলোকৰ উচ্চাৰণ শুদ্ধ হৈ উঠাৰ সম্ভাৱনা বৃদ্ধি পাব।

**জ) আবৃত্তিৰ অনুশীলন ঃ** আবৃত্তি এনে এবিধ কলা, যিয়ে মানুহৰ বচনভংগী সৰ্বাংগসুন্দৰ কৰি তোলে। "ছাত্ৰ-ছাত্ৰীয়ে যাতে প্ৰতিটো শব্দ, ধ্বনি বা বাক্য উচিত জোৰ দি, স্পষ্ট উচ্চাৰণ তথা যতি আৰু বিৰামেৰে পঢ়িব পাৰে, তাৰ বাবে কবিতা আবৃত্তি পঢ়াশলীয়া স্তৰৰ পৰাই ছাত্ৰ-ছাত্ৰীক অনুশীলন কৰোৱা ভাল।" এনেদৰে শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক সঠিক পথ প্ৰদৰ্শন কৰিব পাৰিব লাগিব।

**ঝ) শ্বাসাঘাতৰ অনুশীলন ঃ** শ্বাসাঘাতৰ অৰ্থ হৈছে বিশেষ ধ্বনিৰ ওপৰত দিয়া জোৰ। অসমীয়া ভাষাত এনে কিছুমান শব্দ আছে যিবোৰৰ গোটেই শব্দটোতে জোৰ নিদি কিছুমান বিশেষ ধ্বনিৰ ওপৰত জোৰ দিলেহে শব্দৰ প্ৰকৃত অৰ্থ প্ৰকাশ পায়। কিন্তু এই উচ্চাৰণ কৌশলৰ বিষয়ে সঠিককৈ নাজানিলে শব্দটোৰ অৰ্থ সলনি হৈ যাব পাৰে। কেতিয়াবা

শব্দটো অৰ্থহীন হৈ যোৱাৰো সম্ভাৱনা থাকে। সেয়েহে এই ক্ষেত্ৰত শিক্ষকে আগভাগ লৈ শব্দৰ কোন অংশত জোৰ দি উচ্চাৰণ কৰিব লাগে, তাক উচ্চাৰণ কৰি, মাতি শুনাই দিব লাগে। উদাহৰণস্বৰূপে -

একাধিক, ঈৰ্ষা, অক্ষয়, ঐৰাবৎ ইত্যাদি শব্দ।

**ঞ) মানসিক প্ৰস্তুতি ঃ** ভাষা শিকিবলৈ আগবাঢ়ি অহা ল'ৰা-ছোৱালীৰ মাজত কিছুমান ল'ৰা-ছোৱালীৰ মনত থকা সংকোচৰ বাবে শব্দ, বাক্য উচ্চাৰণ কৰোঁতে সততে ভুল হয়, বহুতো ছাত্ৰ-ছাত্ৰীৰ আকৌ শাৰীৰিক অসুস্থতা বা খোনা হোৱাৰ বাবেও কথা ক'বলৈ সংকোচ কৰে। শিক্ষকে এনে ছাত্ৰৰ শিক্ষণৰ সময়ত তেওঁলোকক এটা এটাকৈ শব্দ উচ্চাৰণ কৰিব দিব লাগে। এনেদৰে লাহে লাহে কোৱা অভ্যাস কৰিলে ছাত্ৰৰ খোনোৱা অভ্যাস কমি যাব।

**ট) উচ্চাৰণৰ গুৰুত্ব ঃ** বক্তা এজনে কথনৰ ক্ষেত্ৰত বা ছাত্ৰ-ছাত্ৰী, শিকাৰুৱে পঠনৰ ক্ষেত্ৰত, স্পষ্ট আৰু শুদ্ধ উচ্চাৰণৰ ওপৰত গুৰুত্ব দিয়া উচিত। এটা কথা ঠিক যে, যি ছাত্ৰই শুদ্ধ তথা স্পষ্টকৈ উচ্চাৰণ কৰিব নোৱাৰে, তেওঁলোকে ভালকৈ পঢ়িবও নোৱাৰিব।

উদাহৰণস্বৰূপে— 'পঢ়' ক পৰ, 'স্কুল' ক- ইস্কুল, 'আখ্যান' ক আইখান, 'আত্মা' ক 'আত্তা', 'ল'ৰা ক 'ল'আ' আদি শব্দ বহুতেই ভুলবশতঃ কয়। পঠন আৰু শ্ৰৱণ, দুয়োটা ক্ষেত্ৰতে যদি আঁসোৱাহ থাকে, তেন্তে গ্ৰহণ কৰোঁতেও দোষ থাকি যাব। এনেবোৰ কাৰণতে শুদ্ধ আৰু স্পষ্টকৈ পঢ়াত শিক্ষকে গুৰুত্ব দিব লাগে।

## ১.৭ সাৰাংশ (Summing Up) ঃ

কথন দক্ষতাত উচ্চাৰণে এক বিশেষ স্থান অধিকাৰ কৰি আছে। বক্তাৰ বক্তব্য বিষয় আকৰ্ষণীয় কৰি তোলে তেওঁৰ নিজস্ব কথন শৈলীয়ে। একেখিনি কথাই বেলেগ বেলেগ বক্তাৰ মুখত শুনিবলৈ বেলেগ হয়। কাৰোবাৰ কথাই শ্ৰোতাক মুগ্ধ কৰি ৰাখিব পাৰিলে আকৌ, আন কাৰোবাৰ একেখিনি কথাই আমনিদায়ক হ'ব পাৰে। কথনগত বিষয় যিয়েই নহয়ওক লাগে, তাক যদি শুদ্ধ উচ্চাৰণেৰে, স্পষ্টভাৱে ফুটাই কোৱা যায়, তেন্তে সেই বক্তব্যই মন-মগজু আকৃষ্ট কৰি তুলিব। উচ্চাৰণ প্ৰক্ৰিয়াৰ লগত শ্ৰৱণৰ অংগাংগী সম্পৰ্ক বিদ্যমান। অভিভাৱক আৰু শিক্ষকে ন শিকাৰু আৰু ছাত্ৰ-ছাত্ৰীৰ সন্মুখত ভাষাগত উচ্চাৰণ বৈশিষ্ট্যসমূহ বাৰে বাৰে আওঁৰাই শুনাব লাগে। এনে কৰিলে শ্ৰোতাৰ উচ্চাৰণ শুদ্ধ হোৱাত সন্দেহ নাথাকে। শাৰীৰিকভাৱে অক্ষম লোকৰ শ্ৰৱণ আৰু কথনৰ ক্ষেত্ৰত থকা অসুবিধাৰ বাবে স্পষ্টকৈ বক্তব্য আগবঢ়াব নোৱাৰিব। গতিকে দেখা যায় সুস্থ পাৰিপাৰ্শ্বিক পৰিৱেশত থকা এজন ব্যক্তিয়ে সুস্পষ্ট ধ্বনি প্ৰতীকেৰে প্ৰক্ষেপ কৰা কথনভংগী শুদ্ধ উচ্চাৰণৰ দ্বাৰা মাধুৰ্যমণ্ডিত কৰি তুলিব পাৰিব। সেয়েহে কথনভংগীৰ দক্ষতাত উচ্চাৰণৰ অৰিহণা যথেষ্ট।

## ১.৮ আৰ্হি প্ৰশ্ন (Model Questions) ঃ

১। উচ্চাৰণ শব্দৰ আভিধানিক অৰ্থ কি?

২। ভাৰতীয় সাহিত্যত উচ্চাৰণৰ গুৰুত্বৰ বিষয়ে লিখা।

৩। কথন প্ৰক্ৰিয়াত উচ্চাৰণৰ ভূমিকা কি?

৪। উচ্চাৰণগত দোষৰ কাৰণসমূহ উল্লেখ কৰি এটি টোকা লিখা।

৫। কথন প্ৰক্ৰিয়াত উচ্চাৰণ শব্দ কেনেদৰে কৰিব পৰা যায়?

## ১.৯ আত্মমূল্যায়ন প্ৰশ্ন উত্তৰ ঃ

১ নং উত্তৰ ঃ উচ্চাৰণৰ অৰ্থ শব্দকৰণ বা বোলন। ইংৰাজীত ইয়াক Pronunciation বোলা হয়।

২ নং উত্তৰ ঃ ইয়াৰ বাবে ৪.৬ সংখ্যক পাঠখিনি চাবা।

## ১.১০ প্ৰসংগ গ্ৰন্থ (References & Suggested Readings) ঃ


| | | |
|---|---|---|
| চক্ৰেশ্বৰ দাস | ঃ | অসমীয়া ভাষা-শিক্ষণৰ ৰূপৰেখা |
| ধৰ্মসিংহ ডেকা | ঃ | ৰচনা বিচিত্ৰা |
| বাণীকান্ত কাকতি | ঃ | পুৰণি অসমীয়া সাহিত্য |
| মহেশ্বৰ নেওগ | ঃ | নিকা অসমীয়া ভাষা |
| ফণীন্দ্ৰ নাৰায়ণ | ঃ | প্ৰাথমিক বিদ্যালয়ত ভাষা শিক্ষণৰ ন-দিগন্ত দত্ত বৰুৱা |
| হেমন্ত শৰ্মা (সম্পা.) | ঃ | অসমীয়া ভাষাৰ উচ্চাৰণ, (জাহ্নৱী কলিতা প্ৰবন্ধ, যোগাযোগমূলক অসমীয়া ভাষা) |


*****

## দ্বিতীয় বিভাগ

## কৰ্মক্ষেত্ৰত অসমীয়াঃ আবেদন, বিজ্ঞাপন, নিবিদা লেখন দক্ষতা

### (ক) আবেদন

**বিভাগৰ গঠন ঃ**


২.১ ভূমিকা (Introduction)

২.২ উদ্দেশ্য (Objectives)

২.৩ আবেদন লেখন দক্ষতা

২.৪ বিজ্ঞাপন লেখন দক্ষতা

২.৫ নিবিদা লেখন দক্ষতা

২.৬ সাৰাংশ (Summing Up)

২.৭ আৰ্হি প্ৰশ্ন (Model Questions)

২.৮ প্ৰসংগ গ্ৰন্থ (References & Suggested Readings)

২.৯ অগ্ৰগতিৰ খতিয়ান/আৰ্হি প্ৰশ্নৰ উত্তৰসমূহ


### ২.১ ভূমিকা (Introduction) ঃ

কৰ্মক্ষেত্ৰৰ বা ব্যৱহাৰিক ক্ষেত্ৰত অসমীয়া ভাষাৰ প্ৰয়োগ তেনেই সীমিত। মাতৃভাষা মাধ্যমক চহকী কৰি তুলিবলৈ কৰ্মক্ষেত্ৰৰ অসমীয়া শক্তিশালী হোৱাটো বাঞ্চনীয়। অসমীয়া ভাষা তেতিয়াহে শক্তিশালী হ'ব যদিহে ব্যবহাৰিক ক্ষেত্ৰৰ লগত জড়িত আবেদন, বিজ্ঞাপন, নিবিদা আদি লেখন দক্ষতা চহকী হয়। ক্ষুদ্ৰ ভাষাবোৰ পৃথিৱীৰ পৰা লাহে লাহে বিলুপ্তি হ'ব ধৰিছে। মাতৃভাষা কথন আৰু লেখন দক্ষতা যদি শক্তিশালী ৰূপত থাকে তেতিয়া সেই ভাষাটোৰ বিকাশো হয় বা ভবিষ্যতে বিলুপ্তিৰ পৰা ৰক্ষা পৰে। এই দক্ষতা সকলোৰে থকা উচিত। এই আলোচনাটিৰ জৰিয়তে কৰ্মক্ষেত্ৰৰ অসমীয়া হিচাপে আবেদন, বিজ্ঞাপন, নিবিদা ইত্যাদিৰ লেখন দক্ষতাৰ ওপৰত বিশেষ গুৰুত্ব দিয়াৰ চেষ্টা কৰা হৈছে।

### ২.২ উদ্দেশ্য (Objectives) ঃ

এই গোটত "কৰ্মক্ষেত্ৰৰ অসমীয়া ঃ আবেদন, বিজ্ঞাপন, নিবিদা লেখন দক্ষতা"ৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এই গোটৰ আলোচনা অধ্যয়ন কৰি আপোনালোকে—

১। আবেদন কোনো কাৰ্য্যালয় বা বিশেষ কিছুমান ক্ষেত্ৰৰ কৰ্মসংস্কৃতিৰ প্ৰতীক। এই সম্পৰ্কীয় এই আলোচনাৰ জৰিয়তে আবেদনৰ পৰিভাষা, আৰ্হি আৰু শৈলী সম্পৰ্কে জ্ঞান লৈ লেখন দক্ষতা উন্নত কৰিব পাৰিব।

২। বিজ্ঞাপনে আধুনিক যুগৰ এক আকৰ্ষণীয় জাননী ৰূপে সৰ্বসাধাৰণৰ মন, মগজু আৰু ক্ৰয় ক্ষমতাত বিশাল ভূমিকা গ্ৰহণ কৰিছে। অসমীয়া ভাষাত বিজ্ঞাপন লিখন দক্ষতা এই আলোচনাই সম্ভৱ কৰি তুলিব।

৩। নিবিদাৰ জৰিয়তে কোনো কাৰ্য্যালয়ৰ কামৰ কমখৰচত উন্নত ফল লাভ কৰিবলৈ কৰা এক জাননী বা বিশেষ বিজ্ঞাপন। অসমীয়া ভাষাত নিবিদা লেখন দক্ষতা উন্নত কৰিবলৈ এই আলোচনাটিয়ে আপোনালোকক সহায় কৰিব।

## ২.৩ আবেদন লেখন দক্ষতা ঃ

**আবেদন (Application) ঃ**

অতি প্ৰাচীন কালৰ পৰাই পত্ৰলেখন এক কলা হিচাপে পৰিগণিত হৈ আহিছে। প্ৰাচীন শিলালিপি, শ্ৰুতনুকা প্ৰত্নলিপি মহাকবি কালিদাসৰ মেঘদূতম কাব্য, মহাপুৰুষ শংকৰদেৱৰ 'ৰুক্মিনী হৰণ নাট' আদি প্ৰসিদ্ধ লিপি আৰু সাহিত্যত প্ৰাচীন পত্ৰলেখন পদ্ধতিৰ আভাস পোৱা যায়। কিন্তু এই পত্ৰ সমূহ সম্পূৰ্ণ ব্যক্তিগত। ৰাজহুৱা পত্ৰৰ যে নিদৰ্শন নাছিল এনে নহয়। প্ৰাচীন কামৰূপৰ ৰজাসকললৈও বিভিন্ন সময়ত বিভিন্ন পত্ৰ অহাৰ উমান বুৰঞ্জীয়ে দিয়ে।

প্ৰাচীন কালৰ 'পত্ৰ-সন্দেশ' বুলি আভিহিত এই পত্ৰৰ মাজত বিভিন্ন গুৰুত্বপূৰ্ণ কথা নিহিত হৈ থাকে।

**এই পত্ৰসমুহ যোগাযোগৰ অন্যতম বাহক আছিল ঃ**

কাৰ্যালয়, ব্যৱসায় বা কোনো নিয়ম-নীতি ৰক্ষাৰ অৰ্থে আবেদন ব্যৱহাৰ কৰা হয়। একোখন আবেদন পত্ৰই সময় সাপেক্ষে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। একোটা কাৰ্যালয়ৰ বহু গুৰুত্বপূৰ্ণ তথ্য, ব্যৱসায়ৰ তথ্য অথবা ব্যক্তিগত গুৰুত্বপূৰ্ণ নিৰ্দেশ, আদেশ অথবা ব্যক্তিগত জীৱনৰ বহু গুৰুত্বপূৰ্ণ তথ্য আবেদনৰ মাজত নিহিত হৈ থাকে।

একোখন আবেদন একোটা কাৰ্যালয়ৰ অথবা ব্যৱসায়ৰ কৰ্ম সংস্কৃতিৰ বাহক। একোটা কাৰ্যালয় বা ব্যৱসায়ৰ ক্ষেত্ৰত কিমান সক্ৰিয়ভাৱে কাম হৈছে সেইটো প্ৰকাশ হয় চিঠি-পত্ৰৰ জৰিয়তে। বহু গুৰুত্বপূৰ্ণ তথ্য, নক্সাৰ বিৱৰণ এই চিঠি-পত্ৰৰ মাজত থাকে। একোটা প্ৰকল্পৰ আৰম্ভণিৰ ৰেখাডাল স্পষ্ট-অস্পষ্ট ৰূপত চিঠি-পত্ৰৰ মাজত সন্নিবিষ্ট হৈ থাকে বাবে বহুসময়ত পত্ৰসমূহ অত্যন্ত গুৰুত্বপূৰ্ণ বুলি বিৱেচিত হয়। সেইবাবেই কাৰ্যালয়ৰ সকলোসদস্যই চিঠি-পত্ৰ বা আবেদন লিখিব জানিব লাগে।

**ব্যক্তিগত পত্ৰ আৰু আবেদন (Personal Letter and Application) ঃ**

আবেদন লিখাৰ কেতবোৰ নিয়ম আৰু আৰ্হি আছে। ব্যক্তিগত পত্ৰ আৰু আবেদনৰ মাজত পাৰ্থক্য আছে। ব্যক্তিগত পত্ৰৰ লেখন আৰ্হি কিছু পৃথক। কম কথাৰ মাজত ভাব প্ৰকাশ কৰি শব্দ প্ৰয়োগ কৰাটো পত্ৰলেখনৰ এক সাধাৰণ বৈশিষ্ট্য। ব্যক্তিগত চিঠি-পত্ৰৰ বাহিৰে কাৰ্যালয় সম্বন্ধীয় বা ব্যৱসায় সম্বন্ধীয় পত্ৰসমূহ এক প্ৰমাণিক দলিল হিচাপে ব্যৱহাৰ কৰা হয়। প্ৰত্যেক পত্ৰ একোজন ব্যক্তিৰ ভাৱ প্ৰকাশৰ মাধ্যম। চিঠি-পত্ৰৰ আৰম্ভণিৰ পৰা সমাপ্তিলৈকে কেইটামান ভাগ দেখা যায়। আবেদন লিখাৰ নিৰ্দিষ্ট কেতবোৰ নিয়ম আৰু আৰ্হি আছে। ব্যক্তিগত পত্ৰসমূহ সাধাৰণতে ব্যক্তিগত জীৱনৰ দলিল স্বৰূপ, কিন্তু চৰকাৰী বা বেচৰকাৰী কাম-কাজৰ বিষয়বস্তু মুৰব্বীক জনাবলৈ যি পত্ৰ ব্যৱহাৰ কৰা হয় তাক আবেদন পত্ৰ বুলি জনা যায়।

চিঠি-পত্ৰ সমূহক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি—

১। ব্যক্তিগত পত্ৰ (Personal letter)

২। আনুষ্ঠানিক পত্ৰ (Formal letter)

(ক) কাৰ্যালয় সম্পৰ্কীয়

(খ) আবেদন

৩। ব্যৱসায়িক পত্ৰ (Business letter)

৪। ই-পত্ৰ (E-letter)

অসমীয়া ভাষা মাতৃভাষা হিচাপে শক্তিশালীৰূপত প্ৰকাশ কৰিবলৈ কৰ্মক্ষেত্ৰত ব্যৱহাৰ কৰা অত্যন্ত প্ৰয়োজন। আবেদন, বিজ্ঞাপন আৰু নিবিদালেখন দক্ষতাই কৰ্মক্ষেত্ৰৰ অসমীয়া ভাষাক অধিক গতিশীল কৰি শক্তিশালী ৰূপে প্ৰতিষ্ঠা কৰিব।

**জানি থওঁ আহক ঃ**

আবেদন (Application) ঃ আবেদন শব্দৰ বুৎপত্তিগত অৰ্থ হৈছে কৃদ্. বি. (সং আবেদন— আ, উপস, +ৱিদ, জান) জনোৱা কাৰ্য নিবেদন; ডাঙৰ লোকক কোনো কথা জনোৱা কাৰ্য, প্ৰাৰ্থনা, দৰ্খাস্ত।

**আবেদন কি ?**

আবেদন হৈছে কৰ্তৃপক্ষক কোনো কথা আনুষ্ঠানিক ভাৱে জনোৱা কাৰ্য। প্ৰাৰ্থনা বা দৰ্খাস্তৰ দ্বাৰা কোনো বিষয় উৰ্দ্ধতম কতৃপক্ষক জনোৱা হয় অথবা কোনো অনুষ্ঠানৰ বিজ্ঞাপনৰ ফলত নিজক উপযুক্ত বিবেচনা কৰি পত্ৰৰ দ্বাৰা জনোৱা কাৰ্য। যিকোনো

কথা বা ভাব আনুষ্ঠানিকভাৱে কৰ্তৃপক্ষক বা ৰাজহুৱাকৈ জনোৱা পত্ৰই আবেদন। চাকৰিৰ বাবে কৰা আবেদন পত্ৰত যথাসম্ভৱ আবেগ-অনুভূতি ত্যাগ কৰি সম্পূৰ্ণ বস্তুধৰ্মী ভাষা হোৱা উচিত। ভাষাৰ দখল আবেদন পত্ৰ লিখনৰ অন্যতম যোগাত্মক দিশ। আবেদন লেখন দক্ষতা সাধাৰণতে প্ৰকাশ পায় ভাষিক দক্ষতা নিৰ্ভুল বানান, বক্তব্য বিষয়ৰ স্পষ্টীকৰণ, বহুমুখী প্ৰতিভা, বিশুদ্ধ পৰিভাষা, যিটো চাকৰি বিচৰা হয় সেই চাকৰিটোত আপোনাৰ দক্ষতা কিমান তাৰ ওপৰত। বিশুদ্ধ ভাষা জ্ঞান, বহুমুখী প্ৰতিভাৰ প্ৰকাশ, বক্তব্য বিষয়ৰ স্পষ্টীকৰণ ইত্যাদিৰ ওপৰত।

**জানি লওঁ আহক**

মনত ৰাখিব লাগিব চাকৰিৰ বাবে কৰা আবেদনৰ ক্ষেত্ৰত বহুসংখ্যক প্ৰাৰ্থীৰ মাজত একক আৰু অনন্য কৰি নিজক দেখুৱাবলৈ চেষ্টা কৰিব। কাৰণ ইয়াৰ দ্বাৰা এখোজ আগুৱাই যোৱা মানেই 'জীৱনৰ গতি-যাত্ৰা সলনি হৈ যোৱা' কথাষাৰ মনত ৰাখিব। আবেদন পত্ৰ ব্যক্তিত্বৰ পূৰ্ণ প্ৰতিফলিত ৰূপ হোৱা উচিত।

**আবেদনৰ উদ্দেশ্য ঃ**

আবেদন পত্ৰৰ বিভিন্ন উদ্দেশ্য থাকিব পাৰে। কোনো চাকৰি বিচাৰি, কোনো অনুষ্ঠান-প্ৰতিষ্ঠানলৈ দিয়া পত্ৰৰ পৰা আদি কৰি ছুটি বিচাৰি ছাত্ৰ-ছাত্ৰী বা কৰ্মচাৰীয়ে দিয়া আবেদন হ'ব পাৰে অৰ্থাৎ বিভিন্ন উদ্দেশ্যলৈ আবেদন পত্ৰ লিখা হয়। মাত্ৰ কেইটামান ভাগ ইয়াত সাৰ্বজনীন ভাৱে থাকিব লাগে আৰম্ভণি, মধ্য আৰু সমাপ্তি। একোটা নিৰ্দিষ্ট ক্ৰম অনুযায়ী হ'ব লাগে। প্ৰত্যেক আবেদন পত্ৰত প্ৰেৰক আৰু প্ৰাপকৰ ঠিকনা বা পৰিচয় নিৰ্দিষ্ট স্থানত দিব লাগে।

**আবেদনৰ দৈৰ্ঘ্যতা ঃ**

আবেদনৰ দৈৰ্ঘ্যতা সাধাৰণতে এক পৃষ্ঠাৰ হয়, কিন্তু বিষয়বস্তুৰ প্ৰয়োজনত ই কেতিয়াবা অলপ দীঘলীয়াও হৈ পৰে।

**বিষয়ৰ লগত সংগতি থকা হ'ব লাগে আবেদন ঃ**

প্ৰতিটো বিভাগৰ আবেদন লিখাৰ সুকীয়া সুকীয়া নিয়ম আছে। উদ্দেশ্য আৰু বিষয়বস্তু অনুসৰি আবেদনৰ লিখাৰ ধৰণ ভিন ভিন হ'ব পাৰে।

**আবেদন কেনে ধৰণৰ হয়? ঃ**

প্ৰত্যেক আবেদনৰ সুকীয়া সুকীয়া ভাগ আছে—

১। যদি চৰকাৰী/বেচৰকাৰী চাকৰিৰ বাবে লিখা আবেদন পত্ৰ হয় সি সাধাৰণতে অভিজ্ঞতা আৰু দক্ষতাৰ কথা বেছিকৈ প্ৰতিফলিত হ'ব।

২। কৰ্মক্ষেত্ৰৰ ছুটি বিচাৰি কৰা আবেদন পত্ৰত কি কামৰ বাবে ছুটি বিচৰা হৈছে তাক বিতং বিৱৰণ থাকিব লাগিব।

৩। সাধাৰণভাৱে ছাত্ৰ-ছাত্ৰীৰ স্কুলত অনুপস্থিতিৰ ছুটি বিচৰা আবেদন।

**অগ্ৰগতিৰ খতিয়ান ঃ**

১। খালী ঠাই পূৰণ কৰা—

(ক) চাকৰিৰ বাবে কৰা আবেদন পত্ৰত যথাসম্ভৱ আবেগ-অনুভূতি ত্যাগ কৰি সম্পূৰ্ণ বস্তুধৰ্মী .............. হোৱা উচিত।

(খ) ভাষাৰ দখল আবেদন পত্ৰ লিখনৰ অন্যতম .................. দিশ।

**আবেদন কেনেকৈ লিখা হয়? ঃ**

প্ৰত্যেক আবেদনৰ কেইটামান ভাগ— আৰম্ভণি, মধ্য আৰু সামৰণি থাকে। চাকৰিৰ বাবে কৰা আবেদন পত্ৰ লিখিবৰ বাবে আৰু ছুটিৰ বাবে কৰা আবেদন কিছু পৃথক হয়। আবেদন পত্ৰৰ আৰম্ভণি হ'ব লাগে বিনম্ৰসূচক।

- চাকৰিৰ বাবে আবেদন কৰিব বিচাৰিলে প্ৰথমে বিজ্ঞাপনটোৰ প্ৰেৰকৰ নাম তথা ঠিকনা জানিব লাগিব। প্ৰেৰকৰ নাম আবেদন পত্ৰৰ সকলোতকৈ ওপৰত থাকিব লাগিব। আবেদন পত্ৰৰ আৰম্ভণিতে বাওঁহাতে ওপৰত প্ৰাপকৰ (যালৈ লিখা হয়) নাম, ঠিকনা থাকে। ইংৰাজী আৰ্হিৰ 'To' ৰ ঠাইত অসমীয়াত প্ৰতি অথবা সমীপেষু শব্দ ব্যৱহাৰ কৰিব পাৰে। কোনো অনুষ্ঠানৰ মুৰব্বী হ'লে অনুষ্ঠানটোৰ নাম, স্থান, জিলা, ৰাজ্যৰ নাম থাকিব লাগে। সেইবাবে প্ৰথমে প্ৰাপকৰ নাম, ঠিকনা বা দপ্তৰসহ সম্পূৰ্ণ তথ্য উলিয়াই ল'ব লাগিব। এইখিনি কৰোতে আপোনাৰ কিছু কষ্ট হ'ব। কিন্তু অনুষ্ঠান-প্ৰতিষ্ঠানটো যদি প্ৰতিষ্ঠিত হয় তেতিয়া ইণ্টাৰনেট ব্যৱহাৰ কৰি 'গুগল' আদিত উলিয়াই ল'লে সহজ হ'ব। সেই পৰিচয় আনি 'প্ৰতি' বুলি লিখি তাৰ ঠিক তলত এটা শব্দ এৰি দপ্তৰ অনুষ্ঠান, ঠিকনা, জিলা এই কেইটা শুদ্ধকৈ লিখি উলিয়াব লাগিব।

তাৰ পিছৰ শাৰীত 'বিষয়' বুলি এটি শিতান ৰাখি ইয়াত আবেদন কৰিব বিচৰা বা ছুটি ল'ব বিচৰাৰ কাৰণ উল্লেখ থাকিব লাগে। আপুনি যদি চাকৰিৰ বাবে আবেদন কৰে তেন্তে কি ধৰণৰ পদৰ বাবে আবেদন বিচৰা হৈছে তাৰ উল্লেখ কৰিব।

ইয়াৰ পিছত তাৰিখ (সেইদিনাৰ) থাকিব। তাৰিখটোত মাহ আৰু বছৰৰ উল্লেখ থাকিব এনেকৈ— ২৭-১০-১৯ ইয়াত সংখ্যা কেইটাই ক্ৰমান্বয়ে তাৰিখ, মাহ আৰু বছৰ সূচাইছে। কিছুমান আবেদন পত্ৰত এই তাৰিখ সোঁফালৰ একেবাৰে ওপৰত দিয়া হয়।

- দ্বিতীয় অনুচ্ছেদত আৰম্ভণিতে সম্বোধন থাকিব। সম্বোধন সদায় আপোনাৰ লগত প্ৰাপকজনৰ সম্বন্ধৰ ওপৰত নিৰ্ভৰ কৰিব। সচৰাচৰ আবেদন পত্ৰৰ সম্বোধন এনে ধৰণৰ হয়—

| | | |
|---|---|---|
| পিতৃ-মাতৃ বা সেই স্থানীয় লোকলৈ | ঃ | পূজনীয়/পূজনীয়া |
| শিক্ষক বা জেষ্ঠ জনলৈ | ঃ | শ্ৰদ্ধেয়/শ্ৰদ্ধেয়া |
| সন্মানিত পদবীত থকাজনলৈ | ঃ | মাননীয়/মাননীয়া |
| জেষ্ঠ বিষয়া/বিভাগীয় প্ৰধানলৈ | ঃ | মহোদয়/মহাশয় |

ইত্যাদি শব্দ যথাযোগ্যভাৱে ব্যৱহাৰ কৰিব লাগে। যথাবিহিত সম্ভাষন জনাই পত্ৰ আৰম্ভ কৰিব লাগে। উৰ্দ্ধতম কৰ্তৃপক্ষলৈ “সন্মানপূৰ্বক বিনীত নিবেদন এই যে” বুলি আৰম্ভ কৰিব লাগে। চাকৰিৰ বাবে কৰা আবেদন পত্ৰত কোনখন বাতৰি কাকতত বিজ্ঞাপন প্ৰকাশ হৈছিল সেই কাকতখনৰ সম্পূৰ্ণ তথ্য (যেনে নাম, তাৰিখ, পৃষ্ঠা, প্ৰকাশিত কাকতখনৰ নাম, পদবীটোৰ নাম) উল্লেখ কৰি আবেদন বিচৰাৰ কথা উল্লেখ থাকিব লাগিব। এই তথ্যসমূহ সম্পূৰ্ণ শুদ্ধকৈ আৰু বানানসহ আবেদন পত্ৰত উল্লেখ কৰিব লাগিব। ছুটিৰ আবেদন হ'লে কিমানদিন উপস্থিত থাকিব নোৱাৰিব তাৰ উল্লেখ কৰি (নিৰ্দিষ্ট তাৰিখ) কিহৰ বাবে ছুটি বিচাৰিছে সেই বিষয়ৰ বিতং বিৱৰণ দি দিব। উদাহৰণ স্বৰূপে আপুনি যদি কোনো আলোচনা চক্ৰত উপস্থিত থাকিব সেই আলোচনা চক্ৰখনৰ সঠিক শিৰোনাম, স্থান, তাৰিখ, পিন নম্বৰ যদি সম্ভৱ হয়, যোগাযোগৰ নম্বৰটোও থকা ভাল। কিয়নো অনুষ্ঠানৰ মুৰব্বীয়ে যাতে সেই যোগাযোগৰ নম্বৰটোৰ দ্বাৰা, সন্দেহ হ'লে যোগাযোগ কৰি ল'ব পাৰে। অৰ্থাৎ ‘আলোচনা চক্ৰ’খনৰ বা কৰ্মশালাখনৰ এটি চমু বিৱৰণ আবেদন পত্ৰত দিব পাৰিব। কি উদ্দেশ্য লৈ কিমান দিনৰ বাবে উপস্থিত থাকিব নোৱাৰিব এই সকলো তথ্য আবেদন পত্ৰখনত থকা উচিত। এইখিনিতে উল্লেখযোগ্য আপুনি এই তথ্য প্ৰমাণ হিচাপে আলোচনা চক্ৰখনৰ চিঠি অথবা আমন্ত্ৰণী পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপি এটা গাঁঠি দিব আৰু মূল আবেদন পত্ৰত ইয়াক উল্লেখ কৰি দিব। এই তথ্যখিনি অন্তৰ্ভূক্ত কৰি শেষত আশাব্যঞ্জক এটি উক্তি দিব।

চাকৰিৰ বাবে আবেদন পত্ৰত নিজৰ প্ৰতি আকৰ্ষিত কৰি যাতে সাক্ষাৎকাৰলৈ আমন্ত্ৰণ জনাই তাৰ প্ৰতি এটি বাক্য দি একেবাৰে শেষত ধন্যবাদসূচক এটি উক্তি প্ৰকাশ কৰিব আৰু ই আপোনাৰ সৌজন্যতাকেই প্ৰকাশ কৰিব। আৰম্ভণিত বিনম্ৰতা আৰু সামৰণিৰ ধন্যবাদসূচক মন্তব্যই গোটেই আবেদন পত্ৰ পঢ়োতাজনৰ মনত আপোনাৰ ব্যক্তিত্বৰ প্ৰতি এটি শ্ৰদ্ধাশীলভাৱ আনিব পাৰিব লাগিব।

**জানি লওঁ আহক**

সকলো আবেদন পত্ৰৰ শেষত নিজৰ নামৰ পিছত যোগাযোগৰ নম্বৰ আৰু ই-মেইল দিয়া অতি প্ৰয়োজন।

- এইখিনিতে আৰু এটা প্ৰয়োজনীয় কথা যে আপোনাৰ জীৱন পঞ্জী বা (Bio-data) খনলৈ প্ৰাপকজনৰ মনত এটি আগ্ৰহ জন্মাব পাৰিব লাগিব। অৰ্থাৎ আবেদন পত্ৰখন পঢ়ি প্ৰাপকে আপোনাৰ তথ্যখিনি লগে লগে চাই ল'ব।

সাক্ষাৎকাৰলৈ আপোনাক নিমন্ত্ৰণ জনোৱাৰ প্ৰতি এটি আগ্ৰহ পঢ়োতাৰ মনত জন্মিব লাগিব।

- ছুটি বিচাৰি কৰা আবেদনতো যাতে উপযুক্ত কাৰণৰ ভিত্তিত ছুটি মঞ্জুৰ কৰিব পাৰে তাৰবাবে উপযুক্ত শব্দৰ সংযোগ ঘটাব লাগিব।

নিজৰ সম্পূৰ্ণ ব্যক্তিত্ব, অভিজ্ঞতা, দক্ষতা অৰ্থাৎ নিজৰ পৰিচয় আবেদন পত্ৰত থাকিব লাগিব।

পত্ৰৰ সামৰণিত 'ইতি আপোনাৰ বিশ্বাসী'' বুলি লিখি আপোনাৰ নাম, পদবী (চাকৰীয়াল ব্যক্তি হ'লে) চমু পৰিচয় দিব। ছাত্ৰ-ছাত্ৰীৰ ছুটিৰ আবেদন হ'লে কাৰণ দৰ্শাই পাৰিলে ব্যক্তিগত সমস্যাৰ বাবে বুলি উল্লেখ কৰাতকৈ যথাযোগ্য শব্দৰে নিজৰ প্ৰয়োজনীয় কথাখিনি কোৱাৰ চেষ্টা কৰিব। বৰ্ত্তমান আবেদন পত্ৰৰ শেষত নাম আৰু পদবী (ছাত্ৰ-ছাত্ৰীৰ কোন বাৰ্ষিক) এই কথা উল্লেখ কৰি ই-মেইল আৰু যোগাযোগৰ নম্বৰ দুটা দিব পাৰে। কিয়নো সকলো তথ্য আবেদনপত্ৰত মজুত থাকিলে অনুষ্ঠানৰ মুৰব্বীয়ে অতি সহজেই যোগাযোগ কৰি নিশ্চিত হ'ব পাৰে।

**আবেদন কি কি সন্নিবিষ্ট কৰিব ?ঃ**

আবেদনত কোৱা কথাখিনিৰ সত্যৰ প্ৰমাণিক তথ্য হিচাপে তথ্যৰ প্ৰত্যায়িত প্ৰতিলিপি গাঁঠি দিব লাগে। লগতে তলৰ বাওঁফালে কি কি তথ্য বা প্ৰতিলিপি গাঁঠি দিছে তাক উল্লেখ কৰি দিব। উদাহৰণস্বৰূপে চাকৰিৰ আবেদন পত্ৰত শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰ, দক্ষতা, পূৰ্বৰ অভিজ্ঞতা, চাকৰিৰ প্ৰমাণ পত্ৰ, জন্মৰ প্ৰমাণপত্ৰ, ভাষিক দক্ষতা, (পাৰিলে বাতৰি কাকতৰ বিজ্ঞাপনৰ প্ৰতিলিপি, বাধ্যতামূলক নহয়) গাঁঠি দিব। লগতে এক, দুই, তিনি কৰি কি কি প্ৰতিলিপি গাঁঠি দিছে আবেদন পত্ৰৰ বাওঁফালে থকা খালী ঠাইখিনিত লিখি দিব। এনে কৰিলে আপোনাৰ প্ৰতিলিপিৰ সত্যতা প্ৰকাশ পায়। আৰু বিচাৰ কৰিবলৈ সুবিধা পায়।

চাকৰিৰ আবেদনত বিচৰা অৰ্হতাখিনি যাতে আপোনাৰ অৰ্হতাৰ ভিতৰত পৰে এই কথাটো আবেদন পত্ৰৰ দ্বাৰা বুজাই দিব লাগিব।

বায়দাতা কৰ্ম অভিজ্ঞতাৰে ইতিবৃত্ত আৰু দক্ষতাৰ বিৰৰণ লগতে আপুনি যে উপযুক্ত তাৰ সঠিক কাৰণ আৰু ব্যাখ্যা থাকে বাবে এখন আবেদন পত্ৰ এক প্ৰত্যাহ্বানৰ দৰে।

বহুক্ষেত্ৰত আজিকালি Online আবেদন পত্ৰ বিচৰাৰ বাবে কোনো নিৰ্দিষ্ট ব্যক্তিৰ হাতত দিব লগা নহয় কিন্তু তথাপিও সাক্ষাৎকাৰৰ সময়ত হাতত একপি আবেদনপত্ৰ তথা আনুষংগিক নথি-পত্ৰ তথা তথ্যৰ প্ৰমাণিক ৰূপ লগত নিয়া উচিত।

আবেদনত সাধাৰণতে নাম, ফোন নম্বৰ আৰু ঠিকনা থাকিব লাগে। ইয়াৰ উপৰিও আগতে কাম কৰাৰ অভিজ্ঞতা, শিক্ষাগত অৰ্হতা, জৰুৰীকালীন যোগাযোগৰ নম্বৰ আৰু বিশেষ দক্ষতা সম্পৰ্কে উল্লেখ কৰিব লাগে।

আবেদনৰ ক্ষেত্ৰত শাৰিৰীক দক্ষতা, অভিজ্ঞতা থকাটো বাঞ্ছনীয়। যিটোকামৰ বাবে আবেদন বিচৰা হৈছে সেই কামত প্ৰয়োগ হোৱাকৈ শাৰিৰীকভাৱে সক্ষম হয় নে নহয় সেইটো নিশ্চিত হ'ব লাগে।

**অগ্ৰগতিৰ খতিয়ান ঃ**

২। শুদ্ধ নে অশুদ্ধ লিখা—

(ক) আবেদন পত্ৰ এক প্ৰত্যাহ্বানৰ দৰে।

(খ) আবেদনৰ ক্ষেত্ৰত শাৰিৰীক দক্ষতা, অভিজ্ঞতা থকাটো বাঞ্ছনীয়।

● দ্বিতীয়তে অভিজ্ঞতা দুই ধৰণৰ— কৰ্মৰ অভিজ্ঞতা আৰু শিক্ষাগত অভিজ্ঞতা। শিক্ষাগত অভিজ্ঞতা প্ৰয়োজন এইবাবেই যে ব্যক্তিত্ব আৰু বৌদ্ধিক দক্ষতা সকলোবোৰ চাকৰিৰ প্ৰধান প্ৰয়োজন। গতিকে এই অভিজ্ঞতা আবেদন পত্ৰত ফুটি উঠিব লাগে। কৰ্ম অভিজ্ঞতাৰ ক্ষেত্ৰত আৰু এটি প্ৰয়োজনীয় কথা যে যদি নিবনুৱা হয় তেতিয়া কোনো কথা নাই কিন্তু যদি আগতে কৰ্মৰত তেতিয়া তেওঁ 'আপত্তি বিহীন প্ৰমাণপত্ৰ' বা (No objection Certificate) এখন গাঁঠি দিব।

— কাৰ্যালয় বা ব্যৱসায় সম্বন্ধীয় চিঠিৰ বাওঁফালে চিঠিৰ শেষত দুটামান অতিৰিক্ত কথা লিখিব লগা হয়।

— আবেদন আদিৰ বেলিকা প্ৰমান পত্ৰ বা তেনে কোনো নথি-পত্ৰৰ প্ৰতিলিপি অথবা লগত বেংক ড্ৰাফট আদি দিলে তাৰ নম্বৰসহ মুল চিঠিৰ তলত লগত গাঁঠি দিয়া হৈছে বুলি উল্লেখ কৰিব লাগে।

● সাধাৰণ চিঠিৰ নমুনা— বিভিন্ন অংশসমূহ

প্ৰতি/সমীপেষু
নাম ঃ (প্ৰাপকৰ)
ঠিকনা ঃ
পিন নম্বৰ ঃ

খ. সম্বোধন
...................................

গ. মূলপাঠ ............................................
...............................................................
................................................................

ঘ. সামৰণি

ইতি
আপোনাৰ বিশ্বাসী
...................... (চহী)
নাম..................
দূৰভাষ ঃ

● **সামৰণিত নিজৰ চহী/ নাম দিব।**

ফটো এখন দিয়া প্ৰয়োজন যথাযোগ্য ঠাইত।

**কি কি বিষয় সন্নিৰিষ্ট নহ'ব আবেদন পত্ৰত ?**

বানান ভুল/জীৱনপঞ্জীৰ সম্পূৰ্ণ কথা অন্তৰ্ভূক্ত নকৰিব, বেছিকৈ 'মই' ব্যৱহাৰ নকৰিব।

চিঠি পোষ্ট কাৰ্ড, অন্তদেৰ্শীয় পত্ৰ অথবা লেফাফাৰ ভিতৰত পঠাব। লেফাফাৰ ওপৰত উপযুক্ত ডাক টিকত লগাব। সেইবোৰৰ ওপৰত নাম ঠিকনা সম্পূৰ্ণকৈ লিখা উচিত। নহ'লে ডাক-বিভাগত অসুবিধা হয়, তাতকৈও ডাঙৰ কথা চিঠি হেৰাই যাব পাৰে। ঠিকনা এনেদৰে লিখিব—

প্ৰাপকৰ নাম
ঠিকনা
প্ৰেৰকৰ নাম
ঠিকনা

| ডাক টিকত |
| --- |

প্ৰাপকজন বিশেষ পৰিচিত লোক নহ'লে অথবা আনৰ ঘৰত থাকিলেও মূল ব্যক্তিজনৰ নাম লিখি তাৰ তলত অৰধায়ক (C/o) ৰূপে পৰিচিত ব্যক্তিজনৰ নাম দিব লাগে। যেনে—

প্ৰেৰকৰ নাম ঃ
অৰধায়কৰ নাম ঃ
ঠিকনা ঃ
পিনকোড ঃ

**নিৰ্বাচিত চিঠিৰ আৰ্হি ঃ**

**১ । ছুটি বিচাৰি আবেদন (ছাত্ৰ-ছাত্ৰীৰ)**

প্ৰতি,
প্ৰধান শিক্ষক মহোদয়,
নিৰ্দিষ্ট বিদ্যালয়ৰ নাম
স্থান, জিলা, অসম
পিন-

বিষয় ঃ ছুটিৰ বাবে আবেদন
তাৰিখ ঃ দিন/মাহ/বছৰ

মহাশয়,
সন্মানপূৰ্বক বিনীত নিবেদন এই যে যোৱা (তাৰিখ)ৰ পৰা (তাৰিখলৈ) মুঠতে তিনিদিন বিদ্যালয়ত উপস্থিত থাকিব পৰা নাছিলো।
গতিকে উক্ত তিনিদিনৰ বাবে মোৰ অনুপস্থিতি দয়া কৰি মাৰ্জনা কৰে যেন।

ইতি
আপোনাৰ একান্ত বাধ্য ছাত্ৰ/ছাত্ৰী
নাম.........................
শ্ৰেণী, শাখা..........
ৰোল নং.........

**২। ছুটিৰ আবেদন (পিতৃ-মাতৃ/অভিভাৱকে লিখা)**

প্ৰতি,
অধ্যক্ষ, বিদ্যালয়ৰ নাম, স্থান, জিলাৰ নাম,
অসম, পিন নম্বৰ ঃ

বিষয় ঃ ছুটিৰ বাবে আবেদন
তাং ঃ দিন/মাহ/বছৰ

মহাশয়,
সশ্ৰদ্ধ নিবেদন এই যে আপোনাৰ বিদ্যালয়ৰ শ্ৰেণী, শাখা, ৰোল নং, মোৰ ছোৱালী (নাম) শাৰিৰীক অসুস্থতাৰ বাবে (তাৰিখ)ৰ পৰা (তাৰিখ)লৈকে মুঠ ৭ দিন বিদ্যালয়ত উপস্থিত থাকিব পৰা নাছিল। গতিকে উক্ত ৭ দিনৰ বাবে তাইৰ অনুপস্থিতি মাৰ্জনা কৰি ছুটি দিয়াৰ বাবে প্ৰাৰ্থনা জনালোঁ।

ইতি
আপোনাৰ বিশ্বাসী
অভিভাৱক/পিতৃ-মাতৃৰ নাম
ঠিকনা—
দূৰভাষ ঃ

**৩। মহাবিদ্যালয়ৰ চাকৰিৰ বাবে আবেদন পত্ৰ ঃ**

প্ৰতি,
প্ৰাপকৰ ঠিকনা (বিজ্ঞাপন অনুসৰি)
অনুষ্ঠানৰ নাম, স্থান, জিলা
অসম, পিন নম্বৰ ঃ
বিষয় ঃ সহকাৰী অধ্যাপকৰ পদত নিযুক্তিৰ বাবে আবেদন
তাং ঃ দিন/মাহ/বছৰ

মহাশয়,
সন্মানপূৰ্বক বিনীত নিবেদন এই যে আপোনাৰ অধীনস্থ (মহাবিদ্যালয়ৰ নাম)ত সহকাৰী অধ্যাপকৰ দুটা পদ খালী থকা বুলি (বিজ্ঞাপন থকা কাকতখনৰ নাম, তাৰিখ, পৃষ্ঠা)

বাতৰি কাকতৰ জৰিয়তে জানিবলৈ পাইছোঁ। তাৰে বিশেষ দক্ষতা থকা বিষয় যেনে— ভাষা/সাহিত্য (গ্ৰুপ A, B) পদৰ বাবে মোৰ প্ৰাৰ্থীত্ব আগবঢ়ালোঁ। মোৰ বিষয়ে যাৱতীয় তথ্য তলত দিয়া হ'ল। লগতে মূল নম্বৰ তালিকা আৰু প্ৰমাণপত্ৰ সমূহৰ প্ৰত্যায়িত প্ৰতিলিপি আপোনাৰ বিবেচনাৰ বাবে গাঁথি দিয়া হৈছে।

ধন্যবাদেৰে—

লগত গাঁথি দিয়া হৈছে

১। প্ৰমাণপত্ৰ সমূহ

২। অভিজ্ঞতাৰ প্ৰমাণপত্ৰ

৩। আপত্তিবিহীন প্ৰমাণপত্ৰ

৪। ..................................

৫। ....................................

**৪। ছুটি বিচাৰি অধ্যক্ষলৈ আবেদন পত্ৰ ঃ**

প্ৰতি,<br>অধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ নাম<br>স্থান, জিলা, অসম

বিষয় ঃ সাময়িক ছুটিৰ বাবে আবেদন<br>তাৰিখ ঃ দিন/মাহ/বছৰ

মহাশয়,

সন্মানপূৰ্বক বিনীত নিবেদন এই যে অহা (তাৰিখ)ৰ পৰা (তাৰিখ)লৈকে মই মহাবিদ্যালয়ৰ শ্ৰেণী সমূহ ল'ব নোৱাৰিম কাৰণ (মহাবিদ্যালয়ৰ নাম) মহাবিদ্যালয়ত ইউ জি চি সাহায্যপ্ৰাপ্ত বিষয়ৰ এখনি আলোচনা চক্ৰত যোগদান কৰিম। গতিকে উক্ত দিনৰ বাবে মোক সাময়িক ছুটি দি বাধিত কৰে যেন।

মোৰ অনুপস্থিতিত উক্ত দিনৰ ক্লাছসমূহৰ বাবে (শিক্ষকৰ নাম)ক দায়িত্ব দিয়া হৈছে।

ধন্যবাদেৰে—

ইতি<br>আপোনাৰ বিশ্বাসী<br>নাম<br>পদবী<br>যোগাযোগ নম্বৰ

**৫। প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ অনুমতি বিচাৰি আবেদন ঃ**

সমীপেষু
অধ্যক্ষ, বিদ্যালয়/মহাবিদ্যালয়ৰ নাম
স্থান/জিলা
অসম
বিষয় ঃ তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে আবেদন
তাৰিখ ঃ

মহাশয়,
সন্মানপূৰ্বক বিনীত নিবেদন এই যে অহা মাহত অনুষ্ঠিত হ'বলগীয়া জিলাভিত্তিক তৰ্ক প্ৰতিযোগিতাত যোগদানৰ বাবে আমাৰ বিদ্যালয়/মহাবিদ্যালয়ৰ দলটি বাচনিৰ বাবে ইং ১৬-০৭-২০১৯ তাৰিখ শনিবাৰে দিনৰ ১১ বজাৰ পৰা আমাৰ বিদ্যালয়ত/মহাবিদ্যালয়ত এখনি তৰ্ক প্ৰতিযোগিতা (অনুশীলন) পাতিব বিচাৰিছোঁ। তৰ্ক-বিভাগৰ উপদেষ্টা মহোদয়ে প্ৰতিযোগিতাখন পৰিচালনা কৰিবৰ বাবে সন্মতি প্ৰদান কৰিছে।
সেই অনুসৰি প্ৰতিযোগিতাখন পতাৰ বাবে সন্মতি প্ৰদান কৰি আমাক উৎসাহিত কৰে যেন। ধন্যবাদেৰে

ইতি
আপোনাৰ অনুগত
নাম, কৃষ্টি সম্পাদক
বিদ্যালয়/মহাবিদ্যালয়ৰ নাম
দূৰভাষ ঃ

**৬। কিতাপ মগাই লেখা চিঠি ঃ**

প্ৰতি,
পৰিচালক, অসম বুক ডিপো,
পাণবজাৰ, গুৱাহাটী-৭৮১০০১

বিষয় ঃ কিতাপ পঠাবৰ বাবে আবেদন
তাৰিখ ঃ ০৫-০৭-২০১৯

মহাশয়,

আপোনাৰ প্ৰতিষ্ঠানৰ পৰা প্ৰকাশিত তলৰ কিতাপকেইখন ডাকযোগে অথবা কোৰিয়াৰ সেৱাৰ জৰিয়তে সোনকালে তলৰ ঠিকনাত পঠোৱাৰ ব্যৱস্থা কৰিব।

আজিৰ তাৰিখত আগধন স্বৰূপে ১০০০.০০ টকা (এহেজাৰ টকা মাত্ৰ) মাণি অৰ্ডাৰ কৰি পঠোৱা হৈছে।

ইতি

আপোনাৰ বিশ্বাসী

নাম

অৱধায়ক ঃ

ঠিকনা ঃ

পিন নম্বৰ ঃ

ই-মেইল ঃ

যোগাযোগৰ নম্বৰ ঃ

**৭। স্বাস্থ্য শিৱিৰ পাতিবলৈ দিয়া আবেদন ঃ**

প্ৰতি,

মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া

জিলা, অসম

বিষয় ঃ বিনামূলীয়া স্বাস্থ্য শিৱিৰ পাতিবলৈ অনুমতি প্ৰদানৰ বাবে আবেদন

তাৰিখ ঃ ০৬-০৭-২০১৯

মহাশয়,

আপোনাৰ জিলাৰ অধীনত ............................. গাঁৱত এক বিনামূলীয়া স্বাস্থ্য আৰু সজাগতা শিৱিৰ পাতিবলৈ আৰু বিভিন্ন ৰোগৰ প্ৰাদুৰ্ভাৱৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ মিনতি জনালোঁ।

কীটনাশক ঔষধ, প্ৰতিষেধক বেজী, বিশুদ্ধ খোৱাপানী যোগানকে ধৰি প্ৰয়োজনীয় বিনামূলীয়া চিকিৎসা সেৱাৰ ব্যৱস্থা কৰিলে অঞ্চলটোৰ সমূহ ৰাইজ উপকৃত হোৱাৰ সম্ভাৱনা আছে। গতিকে এই শিবিৰৰ আয়োজন কৰিবলৈ অনুমতি প্ৰদান কৰে যেন। ধন্যবাদেৰে

ইতি
আপোনাৰ বিশ্বাসী
শ্ৰী...........
পদবী......
গাঁও ঃ
জিলা ঃ
যোগাযোগৰ নম্বৰ ঃ

**৮। বাট-পথৰ পুনৰ নিৰ্মাণ/ মেৰামতিৰ বাবে অনুৰোধ**

প্ৰতি,
কাৰ্যবাহী অভিযন্তা, গড়কাপ্তানী বিভাগ
(পথ), সংমণ্ডল,
অসম, পিন নম্বৰ

বিষয় ঃ বাট-পথ পুনৰ নিৰ্মাণ/মেৰামতিৰ বাবে অনুৰোধ
তাৰিখ ঃ ০৬-০৭-২০১৯

মহাশয়,
আবেদন যোগে জনাও যে আপোনাৰ সংমণ্ডলৰ অধীনত ............................ অঞ্চলটোৰ বাট-পথটো সম্পূৰ্ণ ভাগি মানুহৰ, যাতায়াতৰ অনুপযোগী হৈ পৰিছে। এই পথটো অঞ্চলটোৰ যোগাযোগ-যাতায়াতৰ একমাত্ৰ মূলপথ। ....... নং ঘাই পথ বা (নাম) সংলগ্ন দলং কেইখনো নিশকতীয়া হৈ পৰিছে গতিকে গোটেই পথচোৱা পুনৰ নিৰ্মাণৰ অনুমতি প্ৰদান কৰি অঞ্চলটোৰ ৰাইজক উপকৃত কৰে যেন।

ইতি
আপোনাৰ বিশ্বাসী
..................... অঞ্চলৰ ৰাইজৰ হৈ
শ্ৰী ........................................

৯। **বানপানী সাহায্য বিচাৰি**

প্ৰতি,
উপায়ুক্ত,
জিলা, অঞ্চল, অসম

বিষয় ঃ বানপানীৰ সাহায্য
তাৰিখ ঃ ০৬-০৭-২০১৯

মাননীয় উপায়ুক্ত মহোদয়,
বিনীত সন্মান সহকাৰে জনাও যে বছৰটোৰ দ্বিতীয় বানত আমাৰ .................. অঞ্চলৰ ৰাইজৰ ক্ষয়-ক্ষতিৰ পৰিমাণ বহু বেছি হোৱাৰ বাবে তথা অঞ্চলটোৰ বহুসংখ্যক ৰাইজ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা বাবে প্ৰয়োজনীয় আৰ্থিক সাহায্য নোহোৱাৰ বাবে অঞ্চলটোৰ ৰাইজৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে।
গতিকে আশ্ৰয় শিৱিৰ খোলাৰ ব্যৱস্থা কৰি, খাদ্য-পানী আদিৰ যোগান দি আৰু প্ৰয়োজনীয় বিনামূলীয়া চিকিৎসা সেৱাৰ ব্যৱস্থা কৰি বানপীড়িত সকললৈ যথোপযুক্ত সাহায্য আগবঢ়াবলৈ আপোনাক অনুৰোধ জনালো।

ইতি
আপোনাৰ বিশ্বাসী
.................. ৰাইজৰ হৈ
শ্ৰী .................................

**১০। সন্মানীয় অতিথিলৈ অনুৰোধ পত্ৰ ঃ**

মাননীয় অধ্যক্ষ/প্ৰধান শিক্ষক মহোদয়,
পদবী,
অনুষ্ঠান, স্থান, জিলা, অসম, পিন

বিষয় ঃ সভাত সভাপতিত্ব কৰিবলৈ অনুৰোধ
তাৰিখ ঃ ০৬-০৭-২০১৯

শ্ৰদ্ধেয় মহাশয়,

অহা ............. তাৰিখ সোমবাৰে আবেলি ২ বজাত বিদ্যালয়/মহাবিদ্যালয়ত অনুষ্ঠিত বাৰ্ষিক বঁটা-বিতৰণী আৰু মুকলি সভাত সভাপতিত্ব কৰিবৰ বাবে আপোনাক বিশেষভাৱে আমন্ত্ৰণ জনালো। আপোনাৰ বহুমূলীয়া বক্তব্য ৰাখি আমাৰ সভাৰ সৌষ্ঠৱ বঢ়াবলৈ অনুৰোধ জনালো। ধন্যবাদেৰে—

ইতি

আপোনাৰ বিশ্বাসী

যুটীয়া সম্পাদক

ছাত্ৰ একতা সভা

................ বিদ্যালয়/মহাবিদ্যালয়

**১১। CCL লোৱাৰ বাবে আবেদন পত্ৰ**

প্ৰতি,

অধ্যক্ষ/প্ৰধান শিক্ষক মহোদয়,

বিদ্যালয়/মহাবিদ্যালয়ৰ নাম

স্থান, জিলা, অসম

বিষয় ঃ CCL (child care leave) লোৱাৰ বাবে আবেদন

তাৰিখ ঃ ০৬-০৭-২০১৯

মহাশয়,

সন্মান পূৰ্বক বিনীত নিবেদন এই যে মোৰ প্ৰথম সন্তান শ্ৰীমান .................... এ এইবাৰ ২০১৯ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা দিব। পঢ়া-শুনাত সি মেধাবী যদিও মাতৃৰ উপস্থিতিত অধিক পঢ়াত মনোনিবেশ কৰে। তাৰ উত্তৰোত্তৰ ভৱিষ্যত কল্যাণৰ বাবে মাতৃ হিচাপে মোৰ উপস্থিতি বাৰুকৈয়ে অনুভৱ কৰিছোঁ। সেইবাবে মোক ......... তাৰিখৰ পৰা ................ তাৰিখলৈ মুঠ দুমাহৰ ছুটি দি বাধিত কৰে যেন। উক্ত দিন সমূহত মোৰ বিভাগৰ পাঠদানৰ বাবে আমাৰ মহাবিদ্যালয়ৰ / বিদ্যালয়ৰ সহকাৰী অধ্যাপক / শিক্ষক শ্ৰী ...............................এ দায়িত্ব লৈছে। গতিকে উক্ত দিনসমূহৰ ছুটি মঞ্জুৰ কৰে যেন।

ইতি

আপোনাৰ বিশ্বাসী

শ্ৰীমতী ......................

পদবী

যোগাযোগ নম্বৰ

**১২। বেতন বৃদ্ধিৰ বাবে আবেদন**

প্ৰতি,
সন্মানীয় অধ্যক্ষ/পৰিচালক মহোদয়ৰ সমীপেষু
অনুষ্ঠানৰ নাম, স্থান, জিলা, অসম

বিষয় ঃ বেতন বৃদ্ধিৰ সম্পৰ্কত আবেদন
তাৰিখ ঃ ০৬-০৭-২০১৯

মহাশয়,
মই আপোনাৰ অনুষ্ঠান/প্ৰতিষ্ঠানত (পদবীৰ নাম) হিচাপে ১৯৯১ চনৰ পৰা কাম কৰি আছোঁ। সকলো ভাত্তাসহ বৰ্তমান মোৰ মাহিলি বেতন ৫০০০.০০ (পাঁচ হাজাৰ টকা) মাথোন। বৰ্তমান বস্তু-বাহানিৰ দ্ৰুতগামী মূল্যৰ বজাৰত মোৰ এই সামান্য উপাৰ্জনেৰে পৰিয়ালৰ আটাই কেইজন সদস্যকে ভৰণ-পোষণ তথা সন্তানৰ শিক্ষাদানত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছোঁ। গতিকে মহোদয়ে বিবেচনা কৰি অহা মাহৰ পৰা ২০০০/- টকা বঢ়াই দিবলৈ অনুৰোধ জনালো।
আশাকৰো বিষয়টো আপুনি সহানুভূতিৰে বিবেচনা কৰিব। ধন্যবাদেৰে—

ইতি
আপোনাৰ বিশ্বাসী
নাম
যোগাযোগৰ নম্বৰ ঃ

**১৩। চাকৰিৰ ঠাই বদলীকৰণৰ বাবে আবেদন**

প্ৰতি,
মহাপ্ৰবন্ধক/পৰিচালক
সৰ্বশিক্ষা মিছন, মুখ্য কাৰ্যালয়, কাহিলীপাৰা
গুৱাহাটী, অসম
পাৰ্চনেল মুভমেন্ট বিভাগ,
মুখ্য কাৰ্যালয়
চি্ফ অফিচাৰ (গুৱাহাটী শাখাৰ মাধ্যমত)

বিষয় ঃ .................... শাখা/স্কুললৈ স্থানান্তৰকৰণ

শ্ৰদ্ধেয় মহাশয়,
মই আপোনাৰ (অনুষ্ঠানৰ নাম) এজন কৰ্মচাৰী/শিক্ষক বৰ্তমান ...................... স্কুল/শাখাত (পদবী) হিচাপে কৰ্মৰত। অতি সম্প্ৰতি মই মূল বাসস্থানৰ পৰা যথেষ্ট দূৰত কৰ্মৰত বাবে মোৰ অফিছৰ/স্কুলৰ লগতে ঘৰৰ দুয়োফালে সমানে কৰ্ম সন্তুলিত কৰি ৰখাত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। গতিকে উক্ত ............... অঞ্চলৰ শাখা/স্কুললৈ মোক স্থানান্তৰিত কৰি চাকৰি অব্যাহত ৰখাত সহায় কৰিবলৈ বিশেষভাৱে অনুৰোধ জনালো।

ইতি
আপোনাৰ বিশ্বাসী
....................
ষ্টেট বেংক অব ইণ্ডিয়া, শাখা........
প্ৰাথমিক স্কুল
স্থান, জিলা, অসম
যোগাযোগ নম্বৰ

**১৪। চেভিংচ একাউণ্ট খুলিব বিচাৰি আবেদন**

মাননীয় মেনেজাৰ মহোদয়ৰ সমীপেষু
.............. বেংক, ............................

বিষয় ঃ চেভিংচ একাউণ্ট খুলিব বিচাৰি আবেদন
তাৰিখ ঃ ০৬-০৭-২০১৯

মহাশয়,
আপোনাৰ বেংকত মই এটা চেভিংচ একাউণ্ট খুলিব বিচাৰিছোঁ। গতিকে বিনীত অনুৰোধ একাউণ্ট খোলাৰ বিষয়ে নিৰ্দিষ্ট ফৰ্ম আৰু নিয়মাৱলী সম্পৰ্কীয় কাগজ-পত্ৰ তলৰ ঠিকনাত ডাকযোগে পঠিয়াই দিয়ে যেন। ধন্যবাদ।

ইতি
আপোনাৰ বিশ্বাসী
..........................
যোগাযোগৰ নম্বৰ

**১৫। চেভিংচ একাউন্টৰ যোগাযোগৰ নম্বৰ সলনিৰ বাবে আবেদন**

প্ৰতি,

মাননীয়

পৰিচালন সঞ্চালক মহোদয়ৰ সমীপেষু

..................... বেংক ..................শাখা

বিষয় ঃ ফোন নম্বৰ সলনিৰ বাবে আবেদন

তাৰিখ ঃ ০৬-০৬-২০১৯

মহাশয়,

সন্মানপূৰ্বক বিনীত নিবেদন এই যে মোৰ চেভিংচ একাউন্টৰ বাবে কৰা যোগাযোগৰ নম্বৰটো মই সলনি কৰিব বিছাৰিছোঁ। পূৰ্বৰ ভাৰত সঞ্চাৰ নিগম লিমিটেডৰ ৯৪৩৫১৬৯২৪৩ নম্বৰৰ পৰিবৰ্তে ৰিলায়েন্স জি'অ ....................... নম্বৰটো ব্যৱহাৰ কৰিবলৈ অনুৰোধ জনালো।

ইতি

আপোনাৰ বিশ্বাসী

..............................

স্থান, জিলা

যোগাযোগ নম্বৰ

**১৬। নতুন ব্যৱসায় কৰাৰ বাবে বেংক ঋণ গ্ৰহণৰ আবেদন**

প্ৰতি,

মাননীয় পৰিচালন সঞ্চালক( মেনেজাৰ),

ইউনাইটেড বেংক অৱ ইণ্ডিয়া, শাখা

বিষয় ঃ ঋণৰ বাবে আবেদন

তাৰিখ ঃ ০৬-০৬-২০১৯

মহাশয়,

সন্মানপূৰ্বক বিনীত নিবেদন এই যে মই ..................... বৰ্ষত উত্তীৰ্ণ হোৱা এজন নিবনুৱা স্নাতক। মই অলপতে টিনৰ বাকচ বনোৱা এটা ট্ৰেইনিং শেষ কৰিছোঁ। মোৰ দক্ষতাৰ চিন স্বৰূপে প্ৰতিষ্ঠানটোৱে মোক প্ৰমাণ পত্ৰ প্ৰদান কৰিছে। উক্ত কাম দক্ষতাৰে সমাপন কৰিবলৈ বা তেনে ক্ষুদ্ৰ উদ্যোগৰ বাবে মোৰ হাতত পৰ্যাপ্ত ধন নথকাৰ বাবে মই এই

প্ৰকল্পটো আগবঢ়াই নিবৰ বাবে ৫০ হেজাৰ টকাৰ ঋণ বিচাৰিছোঁ।
আপোনালোকে দিয়া চৰ্তমতে প্ৰতিমাহত এই ঋণ কিস্তি হিচাপত পৰিশোধ কৰিম। আপোনালোকৰ প্ৰতিষ্ঠানৰ যি চৰ্ত আৰু নিয়মাৱলী আছে সেয়া মই মানিবলৈ সাজু। গতিকে মোক উক্ত ঋণ দি বাধিত কৰে যেন। ধন্যবাদ—

ইতি
আপোনাৰ বিশ্বাসী
......................
গাঁওঃ
জিলাঃ
পিনঃ
ই-মেইল
যোগাযোগ নম্বৰ

**১৭। ম্যাদ পূৰ হোৱাত টকা ঘূৰাই পাবৰ বাবে জীৱন বীমা নিগমৰ ওচৰত আবেদন**

প্ৰতি,
জেনেৰেল মেনেজাৰ মহোদয়ৰ সমীপেষু
ভাৰতীয় জীৱন বীমা নিগম
চিটি ব্ৰাঞ্চ, নং ...................................
গুৱাহাটী ডিভিজন

বিষয় ঃ পলিচি নং .......................... অৰ ম্যাদ পূৰ হোৱাত সম্পূৰ্ণ টকা ঘূৰাই পাবৰ বাবে আবেদন।
তাৰিখ ঃ

মাননীয় মহোদয়,
মোৰ উপৰোক্ত বীমা পত্ৰখন যোৱা ........... তাৰিখে ম্যাদ পূৰ্ণ বোনাচসহ সম্পূৰ্ণ টকা ঘূৰাই পোৱাৰ যোগ্য হ'ল। সেয়ে উক্ত পলিচি আৰু অন্যান্য প্ৰমাণ আদি আপোনাৰ অফিচলৈ প্ৰেৰণ কৰিলোঁ। গতিকে উক্ত পলিচিখনৰ সম্পূৰ্ণ টকা বোনাচসহ ঘূৰাই দিবলৈ মহোদয়ক অনুৰোধ জনালোঁ।

ভৱদীয়
শ্ৰী............................
স্থান ঃ ..............................
...................... পথ
ঘৰ নং ঃ
গুৱাহাটী- ২৬

**১৮। চুৰি-ডকাইটি বাবে পুলিচ কৰ্তৃপক্ষক অভিযোগ**

ভাৰপ্ৰাপ্ত আৰক্ষী মহোদয় সমীপেষু
.......থানা, জিলা....

বিষয় ঃ চুৰি-ডকাইটি ৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আবেদন

মাননীয় মহাশয়,
..........................................................................................................
..........................................................................................................
..........................................................................................................

বিনীত
অভিযোগকাৰী সকলৰ নাম
শ্ৰী.....................
শ্ৰী.....................
যোগাযোগৰ নম্বৰ ঃ...................

**১৯। চাকৰিৰ বাবে আবেদন**

প্ৰতি,
পৰিচালন সঞ্চালক মহোদয়,
অনুষ্ঠানৰ নাম, স্থান, জিলা, অসম

বিষয় ঃ সহকাৰী পদবীৰ বাবে আবেদন
তাৰিখ ঃ

মাননীয়,
সন্মানপূৰ্বক বিনীত নিবেদন এই যে মই এগৰাকী (উচ্চ শিক্ষিত/স্নাতক/ডিগ্ৰীধাৰী) নিৰনুৱা। মোৰ দক্ষতাৰে যিকোনো পদত কাম কৰিবলৈ অতি আগ্ৰহী হৈ আছো বাবে 'দৈনিক অসম' ৪ ডিচেম্বৰ ২০১৮ তাৰিখ বুধবাৰে দিয়া প্ৰতিষ্ঠানৰ অসমীয়া গহনা বিজ্ঞাপনৰ ভেটিত নিজকে উপযুক্ত বিবেচনা কৰি প্ৰৰ্থীত্ব আগবঢ়াইছোঁ। পদটোৰ বাবে প্ৰয়োজনীয় অৰ্হতাৰ ক্ষেত্ৰত তলত উল্লেখ কৰা হৈছে —
১। পূৰ্বতে আন এটা প্ৰতিষ্ঠানত ২ বছৰ অবৈতনিকভাৱে কাম কৰাৰ অভিজ্ঞতা য'ত বিত্তীয়, বিভিন্ন অৰ্ডাৰ গ্ৰহণ আৰু গ্ৰাহকৰ লগত সঘন যোগাযোগ কৰিছিলোঁ।
২। অবৈতনিকভাৱে কাম কৰোতে প্ৰত্যেক গ্ৰাহকৰ সৈতে যোগাযোগ কৰিবলৈ বিভিন্ন ভাষিক দক্ষতাৰে কাম কৰাৰ অভিজ্ঞতা।
৩। মোৰ শৈক্ষিক অৰ্হতায়ো এই ক্ষেত্ৰত মোক যথেষ্ট সহায় কৰিছিল।
২০১৮ ৰ নবেম্বৰত মোৰ ....... কোৰ্ছ সম্পন্ন হৈছে তাত মই A grad লাভ কৰিছোঁ।

ইয়াৰ উপৰিও.....

আশা কৰিছোঁ এই সকলোবোৰ অৰ্হতা আৰু দক্ষতা মোৰ সাক্ষাৎকাৰত আৰু অধিক বুজাই দিবলৈ সক্ষম হ'ম। মোৰ কাম কৰাৰ প্ৰৱণতা, শৈক্ষিক অৰ্হতা, কৰ্মদক্ষতাৰে অনুষ্ঠানটোৰ সৰ্বাংগীন উন্নতিত সকলোপ্ৰকাৰে সহায় কৰিব পাৰিম বুলি আশা কৰিছোঁ। ধন্যবাদেৰে।

ইতি
আপোনাৰ বিশ্বাসী
শ্ৰী .......
ই-মেইল ঃ
যোগাযোগ নম্বৰ ঃ

## ২.৪ বিজ্ঞাপন লেখন দক্ষতা ঃ

### উদ্দেশ্য ঃ

এই পাঠ অধ্যয়ন কৰি আপুনি—

১) বিজ্ঞাপনৰ সংজ্ঞা দিব পাৰিব।

২) বিজ্ঞাপনৰ বৈশিষ্ট্যসমূহ বৰ্ণনা কৰিব পাৰিব।

৩) বিজ্ঞাপনৰ উদ্দেশ্যাৱলী ব্যাখ্যা কৰিব পাৰিব।

৪) বিজ্ঞাপন প্ৰস্তুতৰ প্ৰধান সিদ্ধান্ত সমূহ বৰ্ণনা কৰিব পাৰিব।

বিজ্ঞাপন হৈছে গৰিষ্ঠসংখ্যক ক্ৰেতা লাভ কৰিবলৈ আৰু মনোযোগ আকৰ্ষন কৰিবলৈ মূল্যৰ বিনিময়ত জনপ্ৰিয় কোনো উদ্যোক্তাৰ জৰিয়তে নতুন ধাৰণা, সামগ্ৰী আৰু সেৱাৰ বিষয়ে দিয়া বিপণনৰ জাননী। কেটলাৰৰ মতে বিজ্ঞাপন কোনো উদ্যোক্তাৰ দ্বাৰা মূল্যৰ বিনিময়ত ধাৰণা, সেৱা আৰু সামগ্ৰীৰ নৈৰ্ব্যক্তিক উপস্থাপন। (Advertising is any paid from of non-personal presentation & promotion of ideas, goods or services by an identified sponsor.) আমেৰিকাৰ মাৰ্কেটিং সমিতিয়ে বিজ্ঞাপনৰ সংজ্ঞা দিছে এনেদৰে— নিৰ্দিষ্ট উদ্যোক্তাকৰ্তৃক ধাৰণা, পণ্য বা সেৱাৰ যিকোনো প্ৰকাৰৰ মূল্য দি লোৱা নৈৰ্ব্যক্তিক উপস্থাপন আৰু প্ৰচাৰ অৰ্থাৎ ক্ৰেতাক আকৰ্ষণ কৰিবলৈ ছবি বা গান বা আন কোনো উপায়েৰে পৰোক্ষভাৱে পণ্যসামগ্ৰী, নতুন ধাৰণা আৰু সেৱাৰ সংবাদমূল্যৰ বিনিময়ত যেতিয়া উপস্থাপন হয় তাক বিজ্ঞাপন নামে অভিহিত কৰিব পাৰি।

গড় হিচাবত এজন ব্যক্তিয়ে দৈনিক ৫০০০ বিজ্ঞাপন বাৰ্তাৰ সন্মুখীন হয়।

### ২.৪.১ [illegible]Characterstics of Advertising)

বিজ্ঞাপনৰ সংজ্ঞাৰ আধাৰত ইয়াৰ বৈশিষ্ট্যসমূহ এনেদৰে উপস্থাপন কৰা হয়—

i) বিজ্ঞাপন এটা অৰ্থপ্ৰদত্ত প্ৰসাৰ মাধ্যম। এই বিজ্ঞাপনবোৰ সম্প্ৰচাৰৰ বাবে বিজ্ঞাপনদাতাক অৰ্থ প্ৰদান কৰা হয়। এজন বিজ্ঞাপনদাতাৰ প্ৰয়োজন হয়। তেওঁক অৰ্থ প্ৰদান কৰা হয় বাৰ্তাসমূহৰ বাবে, তেওঁ মাধ্যম এটা কিনে আৰু মূল্যায়নৰ দায়িত্ব লয়।

ii) পণ্য বা সেৱাৰ নৈৰ্ব্যক্তিক উপস্থাপনা। কোনো নিৰ্দিষ্ট ব্যক্তি ইয়াত উপস্থিত থাকি পণ্য বা সেৱাৰ সংবাদ ক্ৰেতাক নজনায়।

iii) ব্যক্তিগত বা অব্যক্তিগত হ'ব পাৰে দূৰদৰ্শন, ৰেডিঅ ইত্যাদি ব্যৱসায়িক যিকোনো বস্তু অব্যক্তিগত (non personal) কিন্তু ছচিয়েল মিডিয়া ব্যক্তিগত।

iv) বিজ্ঞাপনৰ উদ্যোক্তা (sponor) থাকে অৰ্থাৎ বিজ্ঞাপনৰ আঁৰত একোজন ব্যক্তি থাকে যিয়ে বিজ্ঞাপনটো দিয়ে।

v) এক বহুমুখী যোগাযোগ ব্যৱস্থা অৰ্থাৎ পণ্য, সেৱা বা নতুন ধাৰণা ক্ৰেতাক জনায় কিন্তু তৎক্ষণাত কোনো প্ৰত্যুত্তৰ ক্ৰেতাসকলৰ ওচৰ পোৱাৰ ব্যৱস্থা নাই।

vi) বিজ্ঞাপন সকলোৰে আছে আনকি য'ত অন্য মাধ্যম নাই তাতো বিজ্ঞাপন যায়।

vii) প্ৰচাৰৰ এটি আহিলা।

**অগ্ৰগতিৰ খতিয়ান ঃ**

১। শুদ্ধ নে অশুদ্ধ উত্তৰ দিয়া।

ক) বিজ্ঞাপন এক একমুখী ব্যৱস্থা।

খ) বিজ্ঞাপন প্ৰচাৰৰ এটি আহিলা।

**২.৪.২ □□□□□□□□□□□□□Types of Advertising)**

দৰ্শক-শ্ৰোতাৰ বৌদ্ধিক বোধগম্যতাৰ (penetration) ওপৰত ভিত্তি কৰি বিজ্ঞাপনক তিনিটা প্ৰধান ভাগত ভাগ কৰিব পাৰি। সেইবোৰ এনেধৰণৰ—

**১। □□□□□□□□□□□□□□□□□□Above the line Advertising)**

এইধৰণৰ বিজ্ঞাপন সাধাৰণতে বিশেষ লক্ষ্যক অনুসৰণ কৰাৰ সলনি বহল শ্ৰোতা বা দৰ্শকক সামৰি লোৱা হয়। উদাহৰণস্বৰূপে, দূৰদৰ্শন, ৰেডিঅ' আৰু বাতৰি কাকতৰ বিজ্ঞাপন।

**১। □□□□□□□□□□□□□□□□□□□Below the line advertising)**

যি বিজ্ঞাপন বিশেষ লক্ষ্য বা লক্ষ্যসমূহক (target group) উদ্দেশ্য কৰি প্ৰস্তুত কৰা হয় তাক অধঃৰৈখিক বিজ্ঞাপন বোলা হয়। উদাহৰণস্বৰূপে চাইনবোৰ্ড (বিলবোৰ্ড), স্পনচৰছিপ হ'ল — ষ্ট'ৰ এডভাৰটাইজিং।

**৩। □□□□□□□□□□□□□□□throw the line adverstising)**

উৰ্দ্ধৰৈখিক আৰু অধঃৰৈখিক বিজ্ঞাপন যেতিয়া একেলগে ব্যৱহাৰ কৰা হয়, তাকে ৰৈখিক বিজ্ঞাপন বোলা হয়। কোনো ব্ৰেণ্ড (গোষ্ঠী) প্ৰতিষ্ঠানৰ বিজ্ঞাপনত এইধৰণৰ কৌশল ব্যৱহাৰ কৰা যায়। উদাহৰণস্বৰূপে ডিজিটেল মাৰ্কেটিং কৌশল (Digital Marketing Strategies)

**অগ্ৰগতিৰ খতিয়ান ঃ**

২। তলৰ কোনটো বিজ্ঞাপনৰ ধৰণ ?

ক) উৰ্দ্ধৰৈখিক বিজ্ঞাপন খ) অধঃৰৈখিক বিজ্ঞাপন

গ) ৰৈখিক বিজ্ঞাপন ঘ) ওপৰৰ আটাইকেইটা

৩। খালী ঠাই পূৰ কৰা

ক) বিজ্ঞাপন হৈছে নতুন ধাৰণা, সামগ্ৰী আৰু সেৱাৰ বিষয়ে দিয়া বিপণনৰ —।

খ) বিজ্ঞাপন একমুখী ———————— ব্যৱস্থা।

গ) বিজ্ঞাপনৰ ধৰণক তিনিটা ভাগ কৰা হয় বৌদ্ধিক ——— ওপৰত ভিত্তি কৰি।

**২.৪.৩ [illegible]Objectives of Advertising) ঃ**

তিনিটা মূল লক্ষ্য আছে বিজ্ঞাপনৰ । সেইবোৰ হ'ল—

**১। নতুন তথ্যৰ সম্ভেদ (To Inform) ঃ**

বিজ্ঞাপনসমূহ কোনো একোটা উৎপাদিত সামগ্ৰীৰ বিষয়ে জাননী লগতে সজাগতা আৰু এখন বজাৰক উপলক্ষ্য কৰি দিয়া হয় যাতে ক্ৰেতাসকলে সেই তথ্য লাভ কৰিব পাৰে আৰু কিনিব পাৰে।

**২। প্ৰলোভিত কৰে (To persuade) ঃ**

নতুন বস্তুৰ প্ৰতি আকৰ্ষিত কৰাই নহয় প্ৰলোভিতও কৰে যাতে আন কোম্পানীৰ বস্তু কিনাৰ পৰিৱৰ্তে মানুহে সেই বিজ্ঞাপন দিয়া কোম্পানীৰ বস্তুহে কিনে।

**৩। স্মৰণ কৰি দিয়ে (To Remind) ঃ**

বিজ্ঞাপনৰ অন্য এক উদ্দেশ্য হৈছে পুনৰ মনত পেলাই দিয়া। ইয়াৰ দ্বাৰা নতুনকৈ ভৰসা প্ৰদান কৰি পুৰণি ক্ৰেতাসকলক ৰাখি দিয়া আৰু মনত সজাগতাৰ সৃষ্টি কৰি প্ৰতিযোগী প্ৰতিষ্ঠানসমূহৰ চুৰি কাৰ্য ৰোধ কৰা।

গতিকে বিজ্ঞাপনৰ লক্ষ্য হ'ল— জনসাধাৰণৰ মাজলৈ পণ্য বা সেৱা সম্পৰ্কে তথ্য বিতৰণ কৰা আৰু যাৰ ফলত সম্ভাব্য গ্ৰাহকশ্ৰেণী তৈয়াৰ কৰি এখন বজাৰ সৃষ্টি কৰা।

**৪। চাহিদা সৃষ্টি কৰা (To Creat Peemant)** বিজ্ঞাপনে চাহিদা সৃষ্টি কৰে।

**৫। পণ্য পৃথকীকৰণ (To Differnciate The Product)** বিজ্ঞাপনে এটা আনটো সামগ্ৰীৰ পৰা যে পৃথক সেইটো প্ৰমাণ কৰাৰ চেষ্টা কৰে।

**৬। ভাবমূৰ্ত্তি গঠন (To Create Image/Brand) ঃ** ভাল ইমেজ এটা গঢ়ি তোলে। ভৱিষ্যত বজাৰ সৃষ্টি কৰি বৰ্তমান বজাৰ বৃদ্ধি কৰে।

- **অন্যান্য কিছুমান লক্ষ্য আৰু উদ্দেশ্য হ'ল—**

  ক) প্ৰতিযোগিতাৰ বজাৰত কিমান কমদামত কিমান সুন্দৰবস্তু দিব পাৰে তাৰ আকৰ্ষণীয় ৰূপ বিজ্ঞাপনে দিয়ে।

  খ) মূল লক্ষ্য হৈছে উপভোক্তাৰ সৃষ্টি কৰা।

  গ) বিজ্ঞাপনে বেছি উপভোক্তা সৃষ্টি কৰাৰ ফলত দাম কমাই উৎকৃষ্ট সামগ্ৰী প্ৰদান কৰিব পাৰে।

  ঘ) গ্ৰাহক শ্ৰেণীৰ জৰিয়তে বজাৰ সৃষ্টি কৰা।

  ঙ) ব্ৰেণ্ডৰ সৃষ্টি কৰা।

  চ) পুৰণি বুলি ব্যৱহাৰ কৰিব নিবিচৰা গ্ৰাহকক ধৰি ৰাখে নতুন বিজ্ঞাপনে।

**অগ্ৰগতিৰ খতিয়ান ঃ**

৪। তলৰ কোনটো বিজ্ঞাপনৰ বৈশিষ্ট্য

ক) অৰ্থপ্ৰদত্ত প্ৰচাৰ মাধ্যম

খ) পণ্য বা সেৱাৰ নৈব্যক্তিক উপস্থাপন

গ) বিজ্ঞাপনৰ উদ্যোক্তা থাকে

ঘ) ওপৰৰ আটাইবোৰ

৫। তলৰ কোনটো বিজ্ঞাপনৰ উদ্দেশ্য ?

ক) বিক্ৰী কৰা

খ) বণ্টন কৰা

গ) তথ্য প্ৰদান

ঘ) ওপৰৰ আটাইকেইটা

**জানি থওঁ আহক**

চীনৰ ইনান (Tsinan) প্ৰদেশৰ পৰাই খৃঃ পূঃ ৭শ বছৰ আগতে বিজ্ঞাপনৰ আৰম্ভণি হয় বুলি কোৱা হয়। লিট ফেমিলি নিডল শ্বপ (Tinan Liu's Five Needle) ব্ৰোঞ্জৰ প্লেটত খোদাই কৰি বিজ্ঞাপন প্ৰচাৰ কৰিছিল পোন প্ৰথমবাৰৰ বাবে।

**২.৪.৪ [illegible]Importance of advertising) ঃ**

**[illegible]To the Customer) ঃ**

ক) সুবিধাজনক (Convenience) ঃ ক্ৰেতাৰ নিজৰ বাজেট অনুসৰি আৰু আৱশ্যকতা অনুসৰি কোনো বস্তু ক্ৰয় কৰিবলৈ সহায় কৰে।

খ) সজাগতা (Awarness) সৃষ্টি ঃ বিজ্ঞাপনে গ্ৰাহকক এই শিক্ষা প্ৰদান কৰে যে বিভিন্ন উৎপাদিত সামগ্ৰীৰ মাজত নিৰ্দিষ্ট প্ৰয়োজনীয় সামগ্ৰীৰ মাজত তুলনামুলক ভাবে নিৰীক্ষণ কৰি উপযুক্ত সামগ্ৰীবিধ ক্ৰয় কৰিব পাৰে।

গ) গুণগত মানসম্পন্ন সামগ্ৰী পাবলৈ (Better Quality) বিজ্ঞাপনৰ  অতি আৰশ্যক। প্ৰতিযোগিতাৰ বজাৰখনত আজিকালি বিধে বিধে তৰহে তৰহে নানান সামগ্ৰী উৎপাদিত হৈ বজাৰমুখী হৈছে। এই সামগ্ৰীৰ ভিৰৰ মাজত গুণগত মানসম্পন্ন সামগ্ৰী পাবলৈ বিজ্ঞাপন চোৱা অতি আৰশ্যক।

**[illegible]To the buisness) ঃ**

ক) সজাগতা (Awareness) ঃ ক্ৰেতাসকলৰ মাজত নিজৰ প্ৰতিষ্ঠান আৰু সামগ্ৰী বিষয়ে সজাগতাৰ সৃষ্টি কৰে বিজ্ঞাপনে।

খ) ব্ৰেণ্ডৰ ভাবমূৰ্ত্তি (Brand Image) ঃ দক্ষ বা আকৰ্ষণীয় বিজ্ঞাপনে গোটেই প্ৰতিষ্ঠানটোৰ ভাবমূৰ্ত্তি আৰু ব্যক্তিত্ব সুন্দৰকৈ গ্ৰাহক সকলৰ মনত জগাই তোলে।

গ) ভিন্ন সামগ্ৰীৰ মাজত পাৰ্থক্য গঢ়ি তোলে (Protect Differentiation) ঃ বিজ্ঞাপনে গ্ৰাহকসকলৰ সুবিধা কৰি দিয়ে বিভিন্ন সামগ্ৰীৰ মাজৰ পাৰ্থক্যবোৰ প্ৰকট কৰি অৰ্থাৎ বিজ্ঞাপনত বিভিন্ন সামগ্ৰীৰ স্বৰূপটো দেখা পোৱা যায় বাবে গ্ৰাহকে নিজৰ প্ৰয়োজনীয় সামগ্ৰীবিধ ক্ৰয় কৰাৰ সুবিধা পায়।

ঘ) বিজ্ঞাপনৰ জৰিয়তে নিজৰ ব্ৰেণ্ডৰ বিষয়ে (লক্ষ্য আৰু দৃষ্টিভংগীৰ বিষয়ে) কৈ গ্ৰাহক সকলৰ মনত প্ৰচুৰ অনুকম্পা আৰু শুভদৃষ্টি সৃষ্টি কৰে যাৰফলত বজাৰত সহজেই সেই সামগ্ৰীবিধ ক্ৰয় কৰাৰ সুবিধা পায়।

ঙ) অৰ্থমূল্য জগাই তোলে (Value for Money) বিজ্ঞাপনত বাৰে বাৰে একেবোৰ বাৰ্তা কৈ লগতে ‘কম দামত ভাল বস্তুৰ’ ধাৰণা জগাই তুলি একপ্ৰকাৰ গ্ৰাহকৰ মনত অৰ্থৰ মূল্যবোধ সৃষ্টি কৰে।

**জানি থওঁ আহক**

১৮৪২ চনত Volnui B Palman এ প্ৰতিষ্ঠা কৰে পৃথিৱীৰ প্ৰথম বিজ্ঞাপনী সংস্থা। আমেৰিকা আৰু কানাডাৰ গুৰুত্বপূৰ্ণ পত্ৰিকাত ই (সেইসময়ত) প্ৰকাশ পায়।

**অগ্ৰগতিৰ খতিয়ান ঃ**

৬। তলৰ কোনটো বিজ্ঞাপনৰ লক্ষ্য ?

ক) নতুন তথ্য লাভ

খ) প্ৰলোভিত কৰা

গ) স্মৰণ কৰা

ঘ) ওপৰৰ আটাইকেইটা

৭। খালী ঠাই পূৰ কৰা

ক) গুণগত মানসম্পন্ন সামগ্ৰী পাবলৈ ———ৰ অতি আৱশ্যক।

খ) বিজ্ঞাপনে ———— মূল্য জগাই তোলে।

গ) ——— পৃথকীকৰণ বিজ্ঞাপনৰ এটা অন্যতম লক্ষ্য।

### ২.৪.৫ বিজ্ঞাপনৰ মাধ্যম (Advertising Medium) ঃ

বিজ্ঞাপন উদ্যোক্তা আৰু উপভোক্তাৰ মাধ্যম আৰু দূৰদৰ্শন আটাইতকৈ বেছি প্ৰচলিত বিজ্ঞাপনৰ মাধ্যম। ব্যয়বহুল অনুষ্ঠান, ক্ৰীড়ানুষ্ঠানৰ উদ্যোক্তা ইত্যাদিত বহুলভাৱে বিজ্ঞাপন প্ৰচাৰ কৰা হয়। ইয়াৰ বাহিৰে তলত দিয়া মাধ্যমেৰে বিজ্ঞাপন প্ৰচাৰ হয়—

i) অনলাইন বিজ্ঞাপন মাধ্যম

ii) অফলাইন বিজ্ঞাপন মাধ্যম

i) অনলাইন বিজ্ঞাপন মাধ্যমসমূহ হৈছে ফেচবুক, গুগল, টুইটাৰসহ চচিয়েল মিডিয়া, ৱেবচাইট, বেনাৰ এডভাৰটাইজ ইত্যাদিৰে বিজ্ঞাপন দিয়া হয়। মিডিয়া ডট কম, টেবুলা ডটকম, এমাজিইড ডট কম ইত্যাদিৰে দিয়া হয়।

ii) অন্যহাতে অফলাইন বিজ্ঞাপন বাতৰি কাকত, বিলবোৰ্ড, দেৱাল পোষ্টাৰ, লিফ্‌লেট, মাইকিং ইত্যাদিৰে প্ৰচাৰ কৰা হয়।

### ২.৪.৬ বিজ্ঞাপন ক'ত কেনেকৈ দিয়া হয়?

বিজ্ঞাপন ক'ত, কেতিয়া দিয়া হ'ব সেইটো নিৰ্ভৰ কৰে গ্ৰাহক আৰু পণ্যৰ চাহিদাৰ ওপৰত। দূৰদৰ্শনত প্ৰচাৰিত বহু বিজ্ঞাপন বাতৰি কাকত দেখা নাযায়। লগতে প্ৰতিষ্ঠানটোৰে বাজেট অনুযায়ী ইয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

**২.৪.৭ বিজ্ঞাপনৰ প্ৰস্তুত কোনে কৰে ?**

বিজ্ঞাপনৰ ধৰণ নিৰ্বাচন, তাৰ বাবে উক্তি-প্ৰত্যুক্তি ছবি বনোৱা লগতে তাৰ উপস্থাপন, প্ৰচাৰ, পৰিৱেশন অতীজতে ব্যক্তিগতভাৱে বা বিক্ৰেতা প্ৰতিষ্ঠানৰ নিজ ব্যৱস্থাপনা আৰু জনবলৰ সহায়ত হৈছিল যদিও বৰ্তমান ই এক পেছাদাৰী কাম আৰু এই বিজ্ঞাপন প্ৰস্তুত কৰিবলৈ বিভিন্ন ধৰণৰ বিজ্ঞাপন প্ৰতিষ্ঠান আছে। মূল্যৰ বিনিময়ত বিজ্ঞাপন সংস্থাসমূহে পন্য, সেৱা আৰু নতুন ধাৰণাৰ বিজ্ঞাপন সমূহ প্ৰচাৰ কৰে।

বিজ্ঞাপনৰ কোনো নিৰ্দিষ্ট আকৃতি নাই। বিভিন্ন আকৃতি আকাৰ আৰু অৱয়বৰ মাধ্যমেৰে বিজ্ঞাপন প্ৰস্তুত কৰা হয়। ইয়াৰ বাহিৰেও ইয়াৰ কোনো নিৰ্দিষ্ট বিষয়বস্তু নাই। কেতিয়াবা কোনো ঘটনা, ছুটি কাহিনী (পৌৰাণিক চৰিত্ৰ বা আখ্যান, বিভিন্ন বাৰ্তাৰে (Message) প্ৰকাশ কৰা হয়। যিকোনো মাৰ্জিত কথা বিজ্ঞাপনৰ বিষয় হ'ব পাৰে। 'শালিমাৰ' নাৰিকল তেলৰ বিজ্ঞাপনত আগতে এটি পৌৰাণিক কাহিনী বাতৰি কাকতত প্ৰকাশ কৰা হয়। অৰ্থাৎ পৌৰাণিক সাধু বা আখ্যানৰ প্ৰতি আকৰ্ষিত হৈ মানুহে শালিমাৰ শব্দটোৰ সৈতে পৰিচিত হ'ব আৰু উপভোক্তাই বজাৰত 'শালিমাৰ' শব্দটোৰে আপোনা-আপুনি আকৰ্ষিত হ'ব। কোনো কোনো ক্ষেত্ৰত চৰকাৰী বা বেচৰকাৰী মানুহৰ (সেৱা) আৱশ্যক হয় তেতিয়া বিভিন্ন মাধ্যমত বিজ্ঞাপনৰ জৰিয়তে সৰ্বাসাধৰণৰ কাষলৈ এই বাৰ্তা নিয়া হয় আৰু প্ৰতিযোগিতাৰ ভিত্তিত নিৰ্বাচন কৰা হয় বাবে বিজ্ঞাপনৰ চাহিদা অত্যন্ত বেছি।

**২.৪.৮ [illegible] Advantages of Advertising)**

**ক)** **হ্ৰাসমান মূল্য ঃ** প্ৰতি গোটৰ মূল নিম্নগামী (Reuces Per Unit Cost) বিজ্ঞাপনে এক বিশাল গ্ৰাহক সৃষ্টি কৰাৰ ফলস্বৰূপে প্ৰতিটো ক্ষুদ্ৰাতি ক্ষুদ্ৰ গোটৰ মূল্য প্ৰতিষ্ঠানটোৰে কমাই দিব পাৰে। বেছিকৈ প্ৰচাৰে বেছি গ্ৰাহক সৃষ্টি কৰে গতিকে প্ৰতিটো ইউনিটৰ মূল্য কমাই দি এখন বিশাল বজাৰ সৃষ্টি কৰিব পাৰে।

**খ)** **ব্ৰেণ্ডটোৰ** (Helps in Brand Building) নাম বাঢ়ে আৰু বিখ্যাত হোৱাৰ লগে লগে যশস্যা আৰু সুনাম বাঢ়ি যায় গতিকে ভাল বিজ্ঞাপন এটাই প্ৰতিষ্ঠানটো খ্যাতিৰন্ত ৰূপে প্ৰতিষ্ঠাত উদ্‌গনি যোগায়।

**গ)** **নতুন সামগ্ৰী বজাৰলৈ অনাত সহায়ক** (Helps is Launching New Product)ঃ অতি সহজেই বজাৰলৈ নতুন দ্ৰব্য আমদানি কৰিব পাৰি বিজ্ঞাপনৰ সহায়ত।

**ঘ)** **পূৰ্বৰ গ্ৰাহকক নতুন বিশ্বাস জন্মায়** (Boosts up Existing Customers' Confidence in the Brand) আগৰ পৰাই ব্যৱহাৰ কৰি থকা গ্ৰাহক সকলেও বিজ্ঞাপনৰ জৰিয়তে নিজৰ সামগ্ৰীবিধৰ সুনাম জানি অধিক গৰ্বিত হোৱা পৰিলক্ষিত হয়।

ঙ) **পুৰণি বিজ্ঞাপনৰ নতুনৰূপ** (Helps in Reducing Customer Turn Over) একেবোৰ সামগ্ৰী ব্যৱহাৰ কৰি থকা উপভোক্তাসকলে নতুন বাৰ্তাৰ বিজ্ঞাপন দেখিলে আকৌ ব্যৱহাৰ কৰিবলৈ লয়।

চ) **নতুন গ্ৰাহক সৃষ্টি** (Attracts New Customers) ঃ আকৰ্ষণীয় বিজ্ঞাপনে নতুন গ্ৰাহকৰ সৃষ্টি কৰে আৰু ব্যৱসায় বৃদ্ধি কৰাৰ সুবিধা পায়।

ছ) **গ্ৰাহকক শিক্ষাদান কৰে** (Educates the Customers) বিজ্ঞাপনে ভিনভিন সামগ্ৰীৰ বিষয়ে গ্ৰাহকক অৱগত কৰে লগতে ব্যৱহাৰ্য সামগ্ৰীৰো তথ্যৰ যোগান ধৰে।

জ) পুৰণি বস্তুৰ নতুন গ্ৰাহক সৃষ্টি কৰে বিজ্ঞাপনে।

ঞ) কেতিয়াবা বিজ্ঞাপনৰ ফলত গ্ৰাহকৰ সংখ্যাবৃদ্ধিৰ লগে লগে সামগ্ৰীবিধৰ মূল্য উৰ্দ্ধ হৈ প্ৰতিষ্ঠানটোৰ সহায়ক হয়।

২০১৭ চনৰ এটি সমীক্ষা অনুসৰি দেখা যায় যে গোটেই বিশ্বত যিমান টকা বিজ্ঞাপনৰ পিছত ব্যয় কৰা হয় তাৰ মাজত ৩৪.৮ শতাংশ ব্যয় হয় টেলিভিছন বিজ্ঞাপনত। মোবাইল আৰু কম্পিউটাৰ বিজ্ঞাপনত প্ৰায় ৩৪ শতাংশ, সংবাদ পত্ৰত প্ৰায় ১০ শতাংশ, মেগাজিন ৫ শতাংশ বিলবোৰ্ড বিজ্ঞাপনত ৬ শতাংশ ৰেডিঅত ৫ শতাংশ আৰু চিনেমাত ১ শতাংশ টকা খৰচ হয়।

**২.৪.৯ [illegible]Disadvantages of Advertising)**

ক) মূল্য বৃদ্ধি (Increases the Costs) ব্যৱসায়ত বিজ্ঞাপন তৈয়াৰ কৰাৰ ফলস্বৰূপে মূল্য বৃদ্ধি হয় আৰু প্ৰতিষ্ঠানটোৱে সেই বৰ্দ্ধিত মূল্য গ্ৰাহকৰ পৰা তুলি লয়।

খ) গ্ৰাহকৰ অসুবিধা (Confuses the Buyer) ঃ বহুসংখ্যক বিজ্ঞাপনে একেধৰণৰ দাবী কৰাৰ ফলস্বৰূপে ক্ৰয়ৰ ক্ষেত্ৰত গ্ৰাহকৰ অসুবিধাৰ সৃষ্টি হয়।

গ) বিপথে নিয়ে (Is Sometimes Misleading) অতি কৌশলগত কিছুমান বিজ্ঞাপনে গ্ৰাহকক ভুল পথে পৰিচালিত কৰিব পাৰে।

ঘ) বৃহৎ প্ৰতিষ্ঠানৰ বিজ্ঞাপন (Only for Big Businesses)ঃ বিজ্ঞাপন এক ব্যয়বহুল পদ্ধতি হোৱা বাবে বৃহৎ কোম্পানীৰহে বিজ্ঞাপন দেখা যায় আৰু ক্ষুদ্ৰ ব্যৱসায়ে ইয়াৰ সুযোগ লাভ কৰিব নোৱাৰে।

ঙ) বিজ্ঞাপনৰ সহায়ত বেয়া সামগ্ৰী এবিধো সহজেই বিক্ৰী হৈ যাব পাৰে।

চ) বিজ্ঞাপনৰ জনপ্ৰিয়তাৰ বাবে সামগ্ৰীৰ মূল্য উৰ্দ্ধগামী হৈ গ্ৰাহকক অসুবিধাৰ সৃষ্টি কৰে।

**অগ্ৰগতিৰ খতিয়ান ঃ**

৮। তলৰ কোনটো অনলাইন বিজ্ঞাপন মাধ্যম

ক) ফেচবুক　　খ) বিলবোৰ্ড

গ) দেৱাল পোষ্টাৰ　　ঘ) লিফ্‌লেট

৯। তলৰ কোনটো অফলাইন বিজ্ঞাপন মাধ্যম?

ক) মিডিয়া ডট কম　　খ) টেবুলা ডট কম

গ) গুগল　　ঘ) বিলবোৰ্ড


১০। শুদ্ধ নে অশুদ্ধ লিখা

ক) বিজ্ঞানৰ অসুবিধাসমূহৰ ভিতৰত মূল্যবৃদ্ধি অন্যতম।

খ) বিজ্ঞাপনৰ সহায়ত বেয়া সামগ্ৰী সহজে বিক্ৰী হ'ব নোৱাৰে।

## ২.৪.১০ [illegible] Major Decisions in Advertising)

বিজ্ঞাপন প্ৰচাৰ কৰাৰ সিদ্ধান্তৰ পৰা বিভিন্ন মাধ্যমেৰে বিজ্ঞাপন প্ৰচাৰ কৰালৈকে কিছুমান সমূহীয়া সিদ্ধান্ত গ্ৰহণ কৰিবলগীয়া হয়। এই সিদ্ধান্তসমূহ নতুন পুৰণি যিকোনো সামগ্ৰীৰ ক্ষেত্ৰতে লোৱা হয়। সিদ্ধান্তসমূহ এইবাবেই গুৰুত্বপূৰ্ণ যে এই সিদ্ধান্তসমূহৰ ফলত বিজ্ঞাপন প্ৰচাৰ হয় আৰু ইয়ে নিৰ্দ্ধাৰণ কৰে প্ৰতিষ্ঠানটোৰ লাভ-লোকচান। কেইটিমান এনে সিদ্ধান্ত হ'ল—



**ক) উদ্দেশ্যস্থিৰ কৰণ** (Setting Objectives)ঃ

১। প্ৰথমতে বজাৰলৈ যাবলগীয়া সামগ্ৰী বা সেৱাক তাৰ বিজ্ঞাপনৰ উদ্দেশ্যে নিৰ্দ্ধাৰণ কৰা হয়। পণ্য বা সামগ্ৰীৰ উদ্দেশ্য আৰু কিছুমান ওপৰলৈকে বিজ্ঞাপনক সংযোগ কৰি দিয়া হয় যদি সামগ্ৰী বা সেৱাৰ বিক্ৰীৰ সৈতে বিজ্ঞাপনৰ উদ্দেশ্যৰ সামঞ্জস্য নাথাকে তেতিয়া বহু লোকচানৰ সন্মুখীন হ'ব পাৰে।

২।বাজেট সিদ্ধান্তগ্ৰহণ (Setting Advertising Budget Decision) বিজ্ঞাপনৰ উদ্দেশ্য নিৰ্দ্ধাৰণৰ সময়ত কোনো এটা প্ৰতিষ্ঠানৰ সামৰ্থ আৰু বিজ্ঞাপনৰ পৰিকল্পনা অনুযায়ী বিজ্ঞাপনটো প্ৰস্তুত কৰিবলৈ কি পৰিমাণৰ খৰচ হয় তাৰ এটি বাজেট তৈয়াৰ কৰিব লাগে। বিজ্ঞাপন বাজেটত চাৰিটা পদ্ধতি ব্যৱহাৰ কৰা হয়—

ক) অৰ্থ ব্যয় সমৰ্থ পদ্ধতি (Affortable Method)ঃ এই পদ্ধতিত বিজ্ঞাপন বাজেট এটি প্ৰতিষ্ঠানৰ সামৰ্থৰ ভেটিত নিৰ্দ্ধাৰণ কৰে। ই এক অতি সহজ পদ্ধতি।

খ) বিক্ৰীৰ শতকৰা হাৰ পদ্ধতি (Percentage of Sales Method)ঃ কোনো প্ৰতিষ্ঠানে তাৰ সম্ভাব্য বিক্ৰীৰ এটা নিৰ্দিষ্ট হাৰত বিজ্ঞাপন ব্যয় নিৰ্দ্ধাৰণ কৰে তাক শতকৰা হাৰ পদ্ধতি লোৱা হয়। ব্যয় (Forecasted Sales = Current Sales × (1+Growthrate    100)

গ) সমবায় পদ্ধতি (Competative Parity Method)ঃ এই পদ্ধতিত একোটা প্ৰতিষ্ঠানে
÷ প্ৰতিযোগী প্ৰতিষ্ঠানসমূহে কি পৰিমাণে সেই সামগ্ৰী বিধত খৰচ কৰিছে সেইটো নিৰ্দ্ধাৰণ কৰি সেই পৰিমাণৰ বাজেট নিজৰ পণ্যৰ বাবে স্থিৰ কৰিলে তাক প্ৰতিযোগী সমবায় পদ্ধতি বোলে।

ঘ) উদ্দেশ্য আৰু কাৰ্যভিত্তিক পদ্ধতি (Objective and Task Method)ঃ এই পদ্ধতিটো আন পদ্ধতিৰ তুলনাত অধিক জটিল কিছু বেছি বাস্তৱসন্মত। এই পদ্ধতিত প্ৰথমে বজাৰৰ কিমান অংশ অৰ্জনৰ চেষ্টা চলোৱা হ'ব তাক নিৰ্দ্ধাৰণ কৰা হয়। ইয়াৰ পিছত তাক অৰ্জন কৰিবলৈ কি ধৰণৰ কৌশল অৱলম্বন কৰা হয় তাক নিৰ্দ্ধাৰণ কৰা হয়। অৱশেষত কৌশলসমূহ বাস্তৱ প্ৰয়োগত কি ধৰণৰ ব্যয় হ'ব পাৰে তাৰ হিচাব কৰি বাজেট প্ৰণয়ন কৰা হয়। এটা প্ৰতিষ্ঠানে নিৰ্দিষ্ট বিষয় কেইটা স্থিৰ কৰি দিয়ে আৰু পিছত বাজেট প্ৰস্তুত কৰা হয়।

ঙ) বিজ্ঞাপন বাৰ্তা সিদ্ধান্ত (Deciding Advertising Message)ঃ বিজ্ঞাপন বাৰ্তা সিদ্ধান্তত প্ৰথমে বহুত বাৰ্তা বিভিন্নজনৰ পৰা সংগ্ৰহ কৰা হয়। ইয়াৰ পিছত মূল্যায়নৰ ভেটিত আটাইতকৈ ভাল কেইটা সংগ্ৰহ কৰা হয় আৰু ইয়াৰ পিছত এটা নিৰ্বাচন কৰি এই বাৰ্তাৰ ওপৰত ভিত্তি কৰি বিজ্ঞাপন তৈয়াৰ কৰা হয়। বিজ্ঞাপনত বহুত বেছি বাজেট খৰছ কৰিলেই যে লক্ষস্থানত উপনীত হ'ব এনে নহয়। একে বাজেট খৰচ কৰি কোনো প্ৰতিষ্ঠানে বেছি বজাৰ লাভ কৰে কিন্তু কোনোখনে নোৱাৰে। গৱেষণাৰ দ্বাৰা দেখা গৈছে যে বিজ্ঞাপনত

অৰ্থতকৈও বেছি প্ৰয়োজন সৃজনশীলতাৰ। সৃজনশীল কৌশল উন্নয়নত বিজ্ঞাপনদাতাই তিনিটা ঢাপ অতিক্ৰম কৰিব লাগে বাৰ্তা সৃষ্টি (message) বাৰ্তা মূল্যায়ন বা বাৰ্তা প্ৰয়োগ।

চ) বিজ্ঞাপন মাধ্যম নিৰ্বাচন (Selecting Advertising Media) ঃ এই প্ৰক্ৰিয়াত এটা প্ৰতিষ্ঠানে বিজ্ঞাপন সংস্থাৰ আটাইতকৈ দক্ষতাসম্পন্ন বা কাৰ্যক্ষম মাধ্যম বিচৰা হয়। সঠিক সময়ত সঠিক বাৰ্তা সঠিক ক্ৰেতাৰ ওচৰ চপোৱাৰ বাবে সঠিক মাধ্যম নিৰ্বাচন কৰা অত্যন্ত গুৰুত্বপূৰ্ণ। যিহেতু ক্ৰেতাও ভিন্‌ভিন্। কিছুমান চহৰত, কিছুমান গাঁৱত বাস কৰে। কিছু পণ্যৰ ক্ৰেতা বেছিভাগ অল্পশিক্ষিত বা নিম্নবিত্তৰ এই কাৰণে সঠিক পণ্যৰ বাবে সঠিক মাধ্যম নিৰ্বাচন অত্যন্ত জৰুৰী। গ্ৰাম্যাঞ্চলৰ বহুসংখ্যক লোকে দূৰদৰ্শনৰ যোগে প্ৰচাৰিত ধাৰাবাহিক চাই গতিকে বেছিসংখ্যক গৃহিনী, গৃহ ইত্যাদি বিষয়ক বিজ্ঞাপনত দূৰদৰ্শনক মাধ্যম হিচাবে ব্যৱহাৰ কৰা হয়। গতিকে দেখা যায় বহু মাধ্যম থাকিলেও দূৰদৰ্শনৰ দ্বাৰা প্ৰচাৰিত বিজ্ঞাপনৰ গুৰুত্ব সৰ্বাধিক। দূৰদৰ্শনৰ আৰম্ভণি মধ্য আৰু সমাপ্তিত বিজ্ঞাপন থাকে।

ঙ) বিজ্ঞাপন মূল্যায়ন (Advertising Evaluation) ঃ বিজ্ঞাপন প্ৰচাৰৰ লগে লগে ইয়াৰ কাৰ্যকাৰিতা মূল্যায়ন কৰা অতি প্ৰয়োজন। যিবোৰ উদ্দেশ্যৰ লক্ষ্য লৈ বিজ্ঞাপন কৰা হৈছে সেইবোৰ বাস্তৱ ৰূপায়ন হৈছেনে বা উদ্দেশ্য সফল হৈছেনে তাক পৰীক্ষা কৰাটো অতি প্ৰয়োজন। আগৰ বিজ্ঞাপনে কিমান লাভ বা লোকচানৰ সন্মুখীন কৰালে পিছৰ বিজ্ঞাপনত তাক চালি জাৰি লোৱা প্ৰয়োজন বিজ্ঞাপনৰ আগৰ আৰু বিজ্ঞাপনৰ পাছৰ অৱস্থাৰ পৰ্যবেক্ষণে নতুন বিজ্ঞাপন তৈয়াৰ কৰাৰ ক্ষেত্ৰত প্ৰভূত অৰিহণা যোগাব পাৰে বাবে বিজ্ঞাপন মূল্যায়ন এক অতি গুৰুত্বপূৰ্ণ বিষয়।

**অগ্ৰগতিৰ খতিয়ান ঃ**

১১। চমু উত্তৰ লিখা

ক) বিজ্ঞাপনৰ প্ৰধান সিদ্ধান্ত দুটা লিখা

খ) বিজ্ঞাপন বাৰ্তাসিদ্ধান্ত কি?

১২। তলৰ কোনটো বাজেট সিদ্ধান্ত গ্ৰহন পদ্ধতি

ক) অৰ্থ ব্যয় সমৰ্থ পদ্ধতি        খ) বিক্ৰীৰ শতকৰা হাৰ পদ্ধতি

গ) সমবায় পদ্ধতি        ঘ) ওপৰৰ আটাইকেইটা

১৩। তলৰ কোনটো বিজ্ঞাপন বাৰ্তা সিদ্ধান্তত আটাইতকৈ গুৰুত্বপূৰ্ণ

ক) বেছিকৈ ধাৰ্য কৰা বাজেট        খ) মূল্যায়ন

গ) সৃজনশীলতা        ঘ) ওপৰৰ এটাও নহয়

**২.৪.১১ বিজ্ঞাপন কৌশলসমূহ** (Advertising Techniques) ঃ

- সাধাৰণতে বিজ্ঞাপনত আবেগিক ক্ষেত্ৰখনত জোকাৰি, প্ৰলোভিত কৰি, গোটত অন্তৰ্ভুক্ত কৰি পৰিসংখ্যা বা তথ্য দি (সত্য), অসমাপ্ত তথ্য প্ৰদান ইত্যাদিৰ জৰিয়তে মানুহক বৌদ্ধিক আৰু আবেগিক ক্ষেত্ৰখনত জোকাৰি তোলে।
- আবেগিকভাৱে কিছুমান বিষয় যেনে নতুনত্বৰ আভাস, পুৰণি বস্তু পৰিহাৰ কৰি, সুৰক্ষা প্ৰদান কৰি, আকৰ্ষণীয় কৰি ইত্যাদি ক্ষেত্ৰত ক্ৰেতাক আবেগিকভাৱে বশ কৰে।
- উপভোক্তাক প্ৰলোভিত কৰি মানসিক বা আবেগিকভাৱে উদ্বেলিত কৰিও বিজ্ঞাপনৰ উদ্দেশ্য সিদ্ধ কৰা হয়।

**২.৪.১২ বিভিন্ন মাধ্যমৰ বিজ্ঞাপনৰ তথ্য ঃ**

"We bag high quality steel rods and malce time quality needles, to be ready for use at home in no time" চীনৰ ইনান চহৰৰ খৃঃপূঃ ৭ শ বছৰ আগৰ ব্ৰঞ্জৰ প্লেটত খোদাই কৰা বিজ্ঞাপন।

**পোষ্টাৰৰ বিজ্ঞাপন ঃ** ১৪ শ শতিকাৰ পিছত ছপাখানাৰ আৱিষ্কাৰৰ পিছত বিজ্ঞাপনৰ জগতত আমূল পৰিৱৰ্তন হয়। ১৮৭৬-৭৭ চনত সৰ্বপ্ৰথম ইংৰাজী ভাষাত Caxton Press কিতাপ বিপণনৰ বাবে লণ্ডনৰ গীৰ্জাবোৰৰ দেৱালত বিজ্ঞাপন দিয়া হৈছিল।

**পত্ৰিকা বা আলোচনীৰ বিজ্ঞাপন ঃ** ১৭শ শতিকাত আলোচনী জনপ্ৰিয়তাৰ সময়তে ইংলেণ্ডৰ আলোচনীত বিজ্ঞাপন প্ৰচাৰিত হয়। Bofton News - Letter আলোচনীৰ ম্যাদি বিক্ৰীৰ বাবে ক্ৰেতাক আহ্বান জনাই যি বিজ্ঞাপন দিছিল সিয়ে সৰ্বপ্ৰথম বিজ্ঞাপনৰ প্ৰচাৰ।

**বিলবোৰ্ড বিজ্ঞাপন ঃ** ১৮৩০ চনত বিজ্ঞাপনত এই নতুন মাধ্যমসমূহে। Jared Bell নামৰ আমেৰিকান পেইণ্টাৰ আৰু ইলাষ্ট্ৰেটৰ এটি ৫০ বৰ্গফুটৰ বিলবৰ্ড আকে সিয়েই প্ৰথম বিজ্ঞানী বিলবৰ্ড।

**দূৰদৰ্শন বিজ্ঞাপন ঃ** সৰ্বপ্ৰথম ১৯৪১ চনত টিভিত প্ৰথম বিজ্ঞাপন প্ৰচাৰ হয়।

**ইণ্টাৰনেট বিজ্ঞাপন ঃ** ১৯৯৪ চনত প্ৰথম ইণ্টাৰনেটৰ জগতত বিজ্ঞাপন প্ৰচাৰ হয়। hotwire.com প্ৰথম ad bannerৰ মাজেদি এই বিজ্ঞাপনৰ সূচনা হয়।

**বিজ্ঞাপনী সংস্থা ঃ** ১৮৪২ চনত Wolnui B. Palmer পৃথিৱীৰ প্ৰথম বিজ্ঞাপনী সংস্থা প্ৰতিষ্ঠা কৰে। 'অসম চাহ কোম্পানী'য়ে প্ৰথমে চাহৰ বিজ্ঞাপন প্ৰচাৰ কৰে আনুষ্ঠানিকভাৱে।

### ২.৪.১৩ বিজ্ঞাপন নিয়ন্ত্ৰণ আইন ঃ

ভুল তথ্যৰে তৈয়াৰ কৰা বিজ্ঞাপনৰ নিয়ন্ত্ৰণৰ বাবে বিভিন্ন আইন প্ৰণয়ন হৈছে।

Consumer protection Act 1986, Cable TV Network rules 1994, Norms for Journilist conduct issued by the press council of India Act and ASCL code.

**অগ্ৰগতিৰ খতিয়ান ঃ**

১৪। ক) পোষ্টাৰ বিজ্ঞাপন প্ৰথম কেতিয়া আৰম্ভ হয়?

খ) পত্ৰিকা আলোচনীৰ বিজ্ঞাপন পোন প্ৰথম কোন চনত দিয়া হয়?

গ) বিলবোৰ্ড বিজ্ঞাপন কোনে, কোন চনত প্ৰথম প্ৰকাশ কৰে কৰে?

ঘ) পৃথিৱীৰ প্ৰথম বিজ্ঞাপনী সংস্থাটো কোনে, কোন চনত প্ৰতিষ্ঠা কৰে?

ঙ) অসম বিষয়ক বিজ্ঞাপন কোন কোম্পানীয়ে প্ৰথম দিয়ে?

### ২.৪.১৪ বিজ্ঞাপনত নৈতিকতা ঃ

ক) সমগ্ৰ বিশ্বৰ উৎপাদিত সামগ্ৰীৰ বজাৰ সৃষ্টিৰ উদ্দেশ্যে প্ৰচাৰিত বিজ্ঞাপন শিতানত বহু কোটি টকা ধাৰ্য কৰা হয়। তাৰ কাৰণ হৈছে উৎপাদিত সামগ্ৰীৰ 'নাম'টো বাৰে বাৰে মুখস্থ কৰাই দিলে বজাৰত ক্ৰয় কৰাৰ সময়ত সেই নামটোৱে মনলৈ আহিব। গতিকে প্ৰতিষ্ঠানসমূহে মানুহক বিজ্ঞাপনৰ দ্বাৰা মানসিকভাৱে প্ৰস্তুত কৰে আৰু বজাৰলৈ সামগ্ৰী পঠিয়াই আৰু ক্ৰেতাসকলে সেইবিধ সামগ্ৰীয়েই উচ্চমানৰ বুলি আপোনা-আপুনি ক্ৰয় কৰিবলৈ লয়।

খ) বহুজাতিক এনে বহু বিজ্ঞাপন আছে যি উন্নত দেশসমূহত নিষিদ্ধ কিন্তু আমাৰ দেশত এতিয়াও প্ৰচলিত হৈ আছে। 'হৰলিক্স'ৰ বিজ্ঞাপনত ভাষ্যকাৰে কৈছে এই পানীয় খালে শিশু ওখ, শক্তিশালী আৰু বুদ্ধিদীপ্ত হ'ব কিন্তু পণ্যটিৰ উৎপাদনকাৰীৰ এই দাবীৰ কোনো ভিত্তি নোহোৱাৰ বাবে উন্নত দেশত ই নিষিদ্ধ হৈ গৈছিল বৰং তেওঁলোকে এই কথা স্বীকাৰ কৰিছিল যে বিজ্ঞাপনটি অনুন্নত দেশৰ বাবে তৈয়াৰ হৈছিল ভুলতে উন্নত দেশত প্ৰচাৰিত হৈছিল। বিশ্ববিখ্যাত নেশ্ব্‌লেৰ ম্যাগি নুডলছ্‌ৰ বিজ্ঞাপনত ব্ৰিটেইনে এনে কাৰণতে নিষিদ্ধ কৰিছিল। বিজ্ঞাপনটোৰ ভাষ্য আছিল এই নুডলছ্‌ খালে হাড় আৰু মাংসৰ গঠন বৃদ্ধি পায়। ইয়াৰো কোনো ভিত্তি নাই।

বহু বিজ্ঞাপনত নৈতিকতাৰ প্ৰশ্নটো শূন্য হৈ পৰে। অনৈতিক আৰু ভুল বাৰ্তা লৈ যায়। উদাহৰণস্বৰূপে, শিশুৰ হাগিজ (Huggies) ৰ বিজ্ঞাপন এটাত প্ৰথম হাগ্ (Huggies), মাৰ পৰা দ্বিতীয় হাগ (Hugg) কেৱল 'হাগিজ' বুলি কোৱাৰ লগে লগে পিতৃৰ গুৰুত্বতকৈও ওপৰলৈ গুছি যায় হাগিজ অথচ সাধাৰণ কোমল কাপোৰেৰেও যিটো কাম কৰিব পাৰি। অধিক মনোযোগিতাৰে লাভ কৰিবলৈ বহু ডাঙৰ বিষয়ো নগন্য কৰি দিয়া হয় বিজ্ঞাপনত যিটো আচলতে হ'ব নালাগে।

গ) বহু বিজ্ঞাপনত শিশুক নম্ৰতা, বিনয়ী স্বভাৱৰ পৰিৱৰ্তে উদ্ধত হ'বলৈ প্ৰেৰণা দিয়া হয়। এনে বহু বিজ্ঞাপন আছে য'ত লক্ষ্যত উপনীত হ'বলৈ বৈধ-অবৈধ কোনো সীমাৰেখা পোৱা নাযায় কেৱল সেই চাবোন টুকুৰা বা চেম্পুটোহে পৃথিৱীৰ আটাইতকৈ ভাল বস্তু বুলি গণ্য কৰা হয়। ক্ৰিকেট খেলি থকা কেইটিমান শিশুৰ এটাৰ বলে ওচৰৰ মানুহৰ ঘৰৰ খিৰিকীৰ গ্লাছ ভাঙি দিলে। লগে লগে সিহঁতৰ মাজত গুণা-গঁথা কোনে বল আনিব। শেষত এটা ল'ৰা আগবাঢ়ি গৈ বল আনে। ঘৰৰ গৃহস্থই যেতিয়া টানকৈ এযাৰ কয় আৰু মাৰিব হাত পাতিব কয়, সি উদ্ধতভাৱে উত্তৰ দিয়ে দুয়োখান হাততে মাৰক। কিয়নো পিছৰ বলটোও ছিক্সেই হ'ব। কাৰণ ল'ৰাটোৰ চোলাটো সেই চাবোনটোৰে ধোৱা আছিল। এটা ভুল শিল্প। খেলখনে ওচৰ-চুবুৰীয়াক আমনি দিয়াই নহয় খিৰিকীৰ গ্লাছ ভাঙি দিছে অথচ শাস্তি দিব বিচৰাত আৰু উদ্যতভাৱে 'আৰু ভাঙিম' বুলি কৈছে কিন্তু সামান্য এটুকুৰা চাবনেৰে ধোৱা কাপোৰে 'লক্ষ্য যদি দুগুন উজ্জ্বল হয় তেন্তে কাপোৰ কিয় নহয়। ইয়াত প্ৰতিভা, ঘৰৰ সৌন্দৰ্য আৰু বিনম্ৰতা এই সকলোকে তল পেলাই সামান্য অলাগতিয়াল দ্ৰব্য এটাক ওপৰলৈ তোলা হৈছে।

ঘ) শঠতা, ভুৱা প্ৰচাৰ ইত্যাদিৰে কিছুমান বিজ্ঞাপনে শিক্ষাক পথভ্ৰষ্ট কৰি তুলিছে। বস্তুৰ গুণাগুণ প্ৰকাশৰ উপৰিও যুৱসমাজৰ চাৰিত্ৰিক স্খলনত ই কিছুপৰিমানে ইন্ধন যোগাইছে।

ঙ) দেশীয় বিজ্ঞাপনৰ উপৰিও বহুজাতিক প্ৰতিষ্ঠানৰ বিজ্ঞাপন প্ৰচাৰ হৈ আছে। বেছিভাগ বিজ্ঞাপনত এখন দেশৰ বাবে তৈয়াৰী বিজ্ঞাপন এটি ডাবিং কৰি নানা ভাষাত অনুবাদ কৰি প্ৰচাৰ কৰা বাবে আন এখন দেশত অপ্ৰয়োজনীয় যদিও বা দৰকাৰ নাই যদিও তেনে বিজ্ঞাপন প্ৰকাশ হৈ আছে। এখন দেশৰ সংস্কৃতি, পোছাক, মানুহৰ চেহেৰা বৈসাদৃশ্যসত্বেও অথবা ভঙা-ছিঙা ভাষা হোৱা বাবে বিকৃত ৰূপটো বহু বিজ্ঞাপন চলি থকা দেখা যায়।



B Done

## ২.৫ নিবিদা লেখন দক্ষতা

**নিবিদা (Tender) কি ?**

- নিবিদা হৈছে মূল্যাবেদন পত্র, কোনো ঠিকা আদি দিবলৈ আহ্বান কৰা মূল্যজ্ঞাপক পত্র। ঠিকা কামৰ প্ৰস্তাৱ দিবলৈ বা ল'বলৈ কৰা ধনৰ প্ৰস্তাৱ।

আবেদন, বিজ্ঞাপন আৰু নিবিদা এই তিনিও ধৰণৰ পত্র বা জাননী হৈছে কোনো নিৰ্দিষ্ট সেৱা বা সামগ্ৰীৰ সম্পৰ্কে আনক জনোৱা কাৰ্য। কোনো বিষয়ৰ বা সামগ্ৰীৰ ঠিকা দিয়াৰ আগতে ইয়াৰ মূল্য নিৰ্দ্ধাৰণ কৰিবলৈ যি নিলামৰ ব্যৱস্থা কৰা হয় সেয়া নিবিদাৰ মাজেৰে কৰা হয় যাতে কম খৰছত বেছি উৎপাদনক্ষম কাম কোনো কোম্পানী বা উদ্যোগে লাভ কৰিব পাৰে।

কোনো সামগ্ৰী বা সেৱাৰ যোগানৰ বাবে আনুষ্ঠানিক আৰু গাঁথনিক ৰূপত যোগানকাৰীক দিয়া আমন্ত্ৰণ অথবা অনুৰোধকে নিবিদা কোৱা হয়।

নিবিদা হৈছে এনে এক পদ্ধতি যাৰ দ্বাৰা চৰকাৰী বা বিত্তীয় অনুষ্ঠানে এটা নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত কোনো সামগ্ৰী বা সেৱাৰ যোগানৰ বাবে কৰা জাননী। নিবিদা সেৱা আৰু সামগ্ৰীৰ ওপৰত প্ৰস্তুত কৰা হয়।

### ২.৫.১ বিভিন্ন প্ৰকাৰৰ নিবিদা সমূহ (Diffrent types of Tender)

(ক) মুক্ত বা মুকলি নিবিদা (Open Tender), (খ) বাছনি নিবিদা (Selevtive Tender), (গ) আলোচিত নিবিদা (Negotited Tender), (ঘ) সময়সূচীত নিবিদা (Term Tender), (ঙ) ক্ৰমিক নিবিদা (Serial Tender)

**(ক) মুক্ত বা মুকলি নিবিদা** (Open Tender) ঃ মুকলি নিবিদা জাননী হৈছে চৰকাৰী আৰু ব্যক্তিগতভাৱেই ব্যৱহাৰ কৰা মূল নিবিদা প্ৰণালী। প্ৰতিষ্ঠানসমূহে স্থানীয় বাতৰি কাকত যোগে প্ৰস্তাৱিত কামৰ মূল তথ্য সম্বলিত নিবিদা জাননী আগ্ৰহী যোগানকাৰীৰ পৰা আহ্বান জনায়।

**(খ) বাছনি নিবিদা** (Selevtive Tender) ঃ বাছনি নিবিদা জাননী হৈছে মুকলি নিবিদা প্ৰণালীৰ অসুবিধাসমূহ আঁতৰাবলৈ কৰা এক বিশেষ প্ৰকাৰৰ নিবিদা। এই ধৰণৰ নিবিদাত যোগানকাৰীসমূহৰ চমু তালিকা এখন প্ৰস্তুত কৰি তেওঁলোক নিবিদাৰ বাবে আমন্ত্ৰণ কৰা হয়। ইয়াৰ মুখ্য উদ্দেশ্য হৈছে যোগ্য আৰু অভিজ্ঞ যোগানকাৰীসমূহক নিবিদাৰ বাবে সুযোগ দি কামৰ মানদণ্ড উন্নত কৰা আৰু অত্যাৱশ্যকীয় সময়ত যেনে-নিৰাপত্তাজনিত কাৰণত চৰকাৰী প্ৰকল্প সমূহ নিয়াৰিকৈ পৰিচালনা কৰাত সহায় কৰে।

**(গ) আলোচিত বা বন্দবস্তি নিবিদা** (Negotited Tender) ঃ এই ধৰণৰ নিবিদা জাননী অভিযান্ত্ৰিক আৰু নিৰ্মাণ উদ্যোগত বহলভাৱে ব্যৱহৃত হয়। এই ধৰণৰ নিবিদাত নিৰ্মাণকাৰী সকলৰ লগত বিভিন্ন পৰ্যায়ত আলোচনা মৰ্মে চৰ্তাৱলী আৰু চুক্তিসমূহ প্ৰস্তুত কৰা হয়।

**(ঘ) সময়সূচীত নিৰিদা** (Term Tender) ঃ এই নিবিদা সাধাৰণতে বৃহৎ প্ৰকল্পসমূহৰ প্ৰতিপালন (Maintainance) কৰাৰ বাবে ব্যৱহাৰ কৰা হয়। ইয়াক সাধাৰণতে সীমিত সময়ৰ বাবে বিভিন্ন স্থানত থকা বিভিন্ন অট্ৰালিকা সমূহক কোনো প্ৰতিষ্ঠানত প্ৰতিপালনৰ (Maintainance)ৰ বাবে প্ৰদান কৰা হয় যদিও সময়সীমা বৰ্দ্ধিত কৰাৰ সুবিধাও থাকে।

**(ঙ) ক্ৰমিক নিৰ্বিদা** (Sprial Tender) ঃ মুকলি নিবিদা আৰু আলোচিত নিবিদাৰ মিশ্ৰিন হৈছে ক্ৰমিক নিবিদা।

এই নিবিদাৰ জৰিয়তে যোগানকাৰী ঠিকাদাৰ সকলক পৰৱৰ্তী কামৰ বাবে নিৰ্বাচন কৰা হয়। নিৰ্বাচিত হোৱা ঠিকাদাৰক পৰৱৰ্তী পৰ্যায়ৰ কামৰ বাবে আলোচনা কৰি চুক্তিবদ্ধ কৰা হয়।

১। তলৰ কোনটো নিবিদাৰ প্ৰকাৰ ?

(ক) মুক্ত বা মুকলি নিবিদা (Open Tender)

(খ) বাছনি নিবিদা (Selevtive Tender)

(গ) আলোচিত বা বন্দবস্তি নিবিদা (Negotited Tender)

(ঘ) ওপৰৰ আটাইকেইটা

**২.৫.২ প্ৰচলিত নিবিদা পদ্ধতি (Conventional Tendering Process) ঃ**

এই অধ্যায়ত আপোনালোকক প্ৰচলিত নিবিদাৰ বিষয়ে জনোৱা হ'ব। প্ৰচলিত নিবিদাৰ নিম্নোক্ত পৰ্যায়বোৰৰ বিষয়ে আলোচনা কৰিব পাৰি।

**১। প্ৰাক্ নিৰিদা পৰ্যায় (Pre-Tender Stage) ঃ**

এই পৰ্যায়ত নিবিদাকাৰী প্ৰতিষ্ঠানে কোনো প্ৰকল্প অথবা সামগ্ৰী বা সেৱাৰ পৰিসৰ, প্ৰয়োজনীয় সময়সীমা আৰু আৱশ্যকীয় বাজেটৰ বিষয়ে অধ্যয়ন কৰি এটা সিদ্ধান্তত উপনীত হয়। পৰবৰ্তী প্ৰকল্পৰ ৰূপায়ণৰ বাবে এই পৰ্যায় অতিশয় গুৰুত্বপূৰ্ণ যদিহে এই পৰ্যায় ব্যৰ্থ হয় তেন্তে প্ৰকল্প সফল নহয়।

**২। নিবিদা বিজ্ঞাপন (Tender Advertisement) ঃ**

নিবিদা বিজ্ঞাপনক নিবিদা জাননী বুলিও জনা যায়। প্ৰচলিত নিবিদা জাননীসমূহ স্থানীয় বাতৰি কাকতত প্ৰকাশ কৰা হয়। নিবিদা জাননীত স্থান পাবলগীয়া মূল আৱশ্যকীয় বিষয় সমূহ হ'ল—

(ক) প্ৰকল্পৰ শিৰোনাম (Titel of The Project)

(খ) যোগানকাৰীৰ শ্ৰেণী, আৱশ্যকীয় শীৰ্ষ আৰু উপশীৰ্ষ (Classes of Contractor, Head and Subhead Needed)

(গ) নিবিদা সংগ্ৰহৰ স্থান, তাৰিখ আৰু সময় (Location, Date, and Time for Submission of Tender Doc)

(ঘ) নিবিদা প্ৰতিলিপিৰ মাচুল (Fess for Tender Document)

(ঙ) নিবিদা প্ৰতিলিপিৰ জমাৰ স্থান, তাৰিখ, আৰু সময় (Location, Date and Time for Uubmission of Tender Doc)

(চ) নিবিদাৰ সমাপ্তি (Closing of Tender)

নিবিদা জাননীত নিবিদা সমাপ্তিৰ সময় আৰু তাৰিখ উল্লেখ কৰা থাকে যদি কোনো ঠিকাদাৰ বা যোগানকাৰীয়ে উল্লেখিত সময় আৰু তাৰিখৰ ভিতৰত নিবিদা জমা নিদিয়ে তেন্তে সেই যোগানকাৰী বা ঠিকাদাৰে নিবিদা অস্বীকাৰ কৰা বুজোৱা হয়।

এনেদৰে বিভিন্ন পৰ্যায় অতিক্ৰম কৰি নিবিদাৰ কাম সমূহ আগবঢ়াই নিয়া হয়।

### ২.৫.৩ নিবিদা মুকলি আৰু মূল্যায়ন প্ৰক্ৰিয়া (Tender Opening and Evaluation Process) ঃ

সাধাৰণতে এটা বিশেষজ্ঞ গোটে নিবিদা মুকলি প্ৰক্ৰিয়া পৰিচালনা কৰে। নিবিদা প্ৰস্তাৱসমূহ সততা, বস্তুনিষ্ঠ আৰু নিৰপেক্ষ ভাৱে পূৰ্বনিৰ্দ্ধাৰিত নিয়মৱালীৰ ভিত্তিত মূল্যায়ন কৰা হয়। এই মূল্যায়ন নিবিদা মুকলিৰ যিমান দূৰ সম্ভৱ সোনকালে প্ৰস্তুত কৰি এটি টোকা (Report) প্ৰস্তুত কৰা হয়। বিশেষজ্ঞ গোট/সমিতিয়ে এই টোকাৰ ওপৰত ভিত্তি কৰি যোগানকাৰী বাছনি কৰে।

### ২.৫.৪ নিবিদা বাছনি (Tender Award) ঃ

মূল্যায়নকাৰী গোটে সকলো নিবিদা-জাননীত পৰীক্ষা কৰাৰ পিছত উক্ত যোগানকাৰী বাছনি কৰে। বাছনি কৰাৰ পৰৱৰ্তী সময়ত সমূহ যোগ্য আৰু অযোগ্য নিবিদাকাৰীক এই ফলাফলৰ বিষয়ে অৱগত কৰায়।

**জানি থওঁ আহক**

নিবিদাত অযোগ্য নিবিদাকাৰীক ফলাফলৰ বিষয় অৱগত কৰা হয়।

**২.৫.৫ নিবিদাৰ সুবিধাসমূহ (Advantages of Tender) ঃ** নিবিদাৰ বহুধৰণৰ সুবিধা আছে। কোনো নিবিদাৰ সহায়ত নীতি-নিয়মৰ মাজেৰে এটা প্ৰকল্পৰ কাম সমাধান কৰিবলৈ সুযোগ লাভ কৰে নিবিদাকাৰী আৰু ঠিকাদাৰ বা যোগানকাৰীয়ে। এনে কিছুমান সুবিধা হৈছে—

১। **স্বজন-তোষণৰ পৰা মুক্ত ঃ** নিবিদা কিছুমান পূৰ্ব নিৰ্দ্ধাৰিত অৰ্হতাৰ ওপৰত ভিত্তি কৰি মূল্যয়ন কৰা হয় যেনে— (Value of Money)। যি যোগানকাৰী প্ৰতিষ্ঠানে বা ঠিকাদাৰে কম মূল্যত অধিক গুণাগুণ যুক্ত সামগ্ৰী বা সেৱাৰ নিম্নতম মূল্য অধিকতম গুণাগুণ বা সেৱা যোগান ধৰিব পাৰে তেৱেঁই ঠিকা লাভ কৰিব পাৰে। নিবিদা প্ৰতিলিপিসমূহ ৰাজহুৱাভাৱে মুকলি আৰু মূল্যায়ন কৰাৰ বাবে ইয়াত স্বজন-তোষণৰ সুবিধা আছে।

২। **অৰ্থমূল্য (Value of Money) ঃ** নিবিদাকাৰী প্ৰতিষ্ঠানে বিভিন্ন যোগানকাৰী বা ঠিকাদাৰৰ মাজৰ পৰা নিম্নতম মূল্যত অধিকতম গুণাগুণসম্পন্ন সামগ্ৰী বা সেৱা লাভ কৰাৰ সুবিধা থকাৰ বাবে প্ৰতিষ্ঠান সমূহৰ দীৰ্ঘম্যাদীভাৱে লাভদায়ক হয়।

৩। **প্ৰতিযোগিতাৰ বাবে উদগনি ঃ** নিবিদা পদ্ধতিয়ে প্ৰতিযোগিতামূলক বজাৰৰ উদগনি যোগায় যিহেতু বাছনি প্ৰক্ৰিয়া মূল্য আৰু গুণাগুণৰ ভিত্তিত সম্পন্ন হয়, গতিকে যোগানকাৰী/ঠিকাদাৰসমূহে কমমূল্যত অধিকতম গুণাগুণসম্পন্ন সেৱা বা সামগ্ৰী যোগান ধৰিবলৈ বাধ্য হয়, সমগ্ৰ প্ৰক্ৰিয়াটোত সুস্থ প্ৰতিযোগিতা আনি নতুন ধাৰণা উদ্ধাৱনত উদগনি যোগায়।

৪। **সহজ প্ৰৱেশ ঃ** নিবিদা পদ্ধতিয়ে নতুন নতুন যোগানকাৰী বা ঠিকাদাৰক বজাৰত সহজে প্ৰৱেশ কৰাৰ সুবিধা দিয়ে যিহেতু নিবিদা পদ্ধতিত পূৰ্ব নিৰ্দ্ধাৰিত অৰ্হতাৰ ভিত্তিত বাছনি কৰা হয় নতুন ঠিকাদাৰ/যোগানকাৰীয়ে নিবিদাকাৰী প্ৰতিষ্ঠানৰ লগত কোনো ধৰণৰ পূৰ্ব যোগাযোগ নোহোৱাকৈ এই পদ্ধতি প্ৰৱেশ কৰাৰ অৱকাশ থাকে।

**জানি থওঁ আহক**

নিবিদাত তাৰিখ আৰু সময়ৰ গুৰুত্ব অপৰিসীম।

**২.৫.৬ নিবিদাৰ অসুবিধা (Disadvantage of Tender) ঃ**

(ক) নিবিদাৰ সম্পূৰ্ণ পদ্ধতি যথেষ্ট দীঘলীয়া বাবে ই এক সময় খৰচী প্ৰক্ৰিয়া। পদ্ধতিগত অসুবিধাৰ বাবে সামগ্ৰীক অথবা সেৱা যোগানত সাধাৰণতে পলম হয়।

(খ) বহল ভিত্তিত প্ৰতিযোগিতাৰ বাবে কিছু উপযুক্ত যোগানকাৰী/ঠিকাদাৰ নিৰাশ হয়।

(গ) নিম্নতম মূল্যক অধিক গুৰুত্ব দিয়াৰ বাবে কেতিয়াবা গুণাগুণক আওকাণ কৰা হয়। অৰ্থাৎ নিবিদাজাননীৰ দ্বাৰা নিম্নতম মূলত অধিক গুণসম্পন্ন কামক অগ্ৰাধিকাৰ

দিয়া হয় কিন্তু কেতিয়াবা মূল্যৰ দিশটো লক্ষ্য কৰোতে গুণাগুণৰ দিশতো তল পৰি যায়।

(ঘ) নিবিদা পদ্ধতি বেছি আমোলাতান্ত্রিক (Bureaeratic) হ'লে সময়ৰ অপচয় হয় লগতে সামগ্রী অথবা সেৱাৰ প্ৰভাৱ পৰে।

(ঙ) প্ৰশাসনীয় খৰচ বেছি পৰিমাণৰ হয় নিবিদাৰ এনেধৰণৰ অসুবিধাও দেখা যায়।

২। (ক) নিবিদাৰ এটি সুবিধা লিখা

(খ) অৰ্থমূল্য কি?

**২.৫.৭ ই-নিবিদা (E-Tendering) পদ্ধতি ঃ**

এই অধ্যায়ত আমি ই-নিবিদাৰ বিষয়ে আলোচনা কৰিবলৈ লৈছোঁ। ই-নিবিদা পদ্ধতি প্ৰচলিত (Conventional) নিবিদাৰ সৈতে একেই কেৱল ইয়াত নিবিদা প্ৰতিলিপিসমূহৰ সলনি ইলেক্ট্ৰনিক ফৰমেট ব্যৱহাৰ কৰা হয়। ই-নিবিদা পদ্ধতিত সম্পূৰ্ণভাৱে বিজ্ঞাপন প্ৰকাশৰ পৰা ঠিকা লাভৰ বাবে হোৱা সকলো আৱশ্যকীয় প্ৰতিলিপি ইলেক্ট্ৰনিক ফৰমেটত সম্পন্ন কৰা হয়।

এই সাতটা মূল পৰ্যায়ৰ মাজেৰে ই-নিবিদা পদ্ধতি সম্পন্ন হয়।

১। **নিবিদা পদ্ধতি নিৰ্ণয় (The Tender Process is Determined) ঃ** নিবিদাকাৰী প্ৰতিষ্ঠানে কি পদ্ধতিৰে নিবিদাজাননী কৰিব তাক নিৰ্ণয় কৰি লোৱা হয় প্ৰথমে।

২। **নিবিদা আহ্বানৰ প্ৰস্তুতি (Request for tender is prepeared)** ঃ এই পৰ্যায়ত সামগ্ৰী আৰু সেৱাৰ বিৱৰণ যেনে প্ৰযুক্তিগত আৱশ্যকীয় স্বৰ্তাৱলী মূল্যায়ন প্ৰক্ৰিয়া আৰু অন্যান্য তথ্য যেনে, তাৰিখ আৰু সময় আদি নিৰ্দ্ধাৰণ কৰা হয়।


৩। **নিবিদাৰ আহ্বান (Tender are Invited)** ঃ এই পৰ্যায়ত নিবিদা অনলাইন যোগে আহ্বান কৰা হয়।

৪। **যোগানকাৰীৰ সঁহাৰি (Suppliers Respond)** ঃ নিবিদা আহ্বানৰ সহাৰি জনাই যোগানকাৰী বা ঠিকাদাৰে নিবিদাৰ প্ৰস্তাৱসমূহ অনলাইনযোগে দাখিল কৰে।

৫। **মূল্যায়ন আৰু বাছনি (Evaluation and Selection)** ঃ নিবিদা প্ৰস্তাৱ সমূহ এই পৰ্যায়ত পৰীক্ষা কৰা হয়, উপযুক্ত অৰ্হতাসম্পন্ন যোগানকাৰীক ঠিকাৰ বাবে বাছনি কৰা হয়।

৬। **জাননী জাৰী (Notification and Debriefing)** ঃ এই পৰ্য্যায়ত অকল যোগানকাৰীক লিখিতভাৱে জনোৱা হয় আৰু অসফল যোগানকাৰী সকলো এই বিষয়ে অৱগত কৰা হয়।

**৭। ঠিকা আৰু পৰিচালনা (Contract Establesh and Managed) ঃ** সাধাৰণতে সফল যোগানকাৰী আৰু নিবিদাকাৰীৰ মাজত চুক্তিবদ্ধ হোৱা যায়। দুয়োপক্ষৰ মাজত মুকলি যোগাযোগৰ সহায়ত এটা শক্তিশালী সম্পৰ্ক স্থাপন কৰাটো প্ৰকল্পৰ সফল ৰূপায়নৰ বাবে বিশেষভাৱে প্ৰয়োজনীয়।




**অগ্ৰগতিৰ খতিয়ান ঃ**

৩। তলৰ কোনটো ই-নিবিদাৰ অন্তৰ্গত

(ক) ঠিকা আৰু পৰিচালনা (খ) জাননী জাৰী

(গ) মুল্যায়ন আৰু বাছনি (ঘ) ওপৰৰ আটাইকেইটা

৪। শুদ্ধনে অশুদ্ধ লিখা

(ক) জাননীজাৰীৰ ফলাফল কেৱল সফল যোগানকাৰীহে জনোৱা হয়।

(খ) ই-নিবিদাতো নিবিদাৰ আহ্বান জনোৱা হয়।

**২.৫.৮ নিবিদা জাননীৰ আৰ্হি**

১। কাৰ্যালয় (Office)

২। নিবিদা নম্বৰ (Tender Specification No.)

৩। ইচ্ছ্যু অথৰিটি (Issuing Authority)

৪। ঠিকনা (Address)

৫।বস্তু/বিষয়ৰ চমু পৰিচয় (Short Desecription of Meterials)

৬। নিবিদা প্ৰকাশৰ বাতৰি কাকতৰ বিতং বিৱৰণ (Tender Publication Details of News Paper)

৭।প্ৰয়োজনীয় অৰ্হতা (Eligibility Criteria if any Brief)

৮। নিবিদা বিক্ৰীৰ তাৰিখ (Sending date of Sale of Tender)

৯। শেষ তাৰিখ (Last date of Bid Submission)

১০। নিবিদাৰ নিলামৰ শেষ তাৰিখ (Last date for Pre Bid Meet Date)

১১। প্ৰাকনিবিদা মিটিঙৰ তাৰিখ (Bide)

১২। নিবিদাৰ মুকলিৰ তাৰিখ (Bid Opening Date)

১৩। তথ্য-পাতিৰ-মূল্য (Document Cost)

১৪। টকা জমা দিয়া শিতান (Payment mode, Cash)

১৫। নিবিদা দাতা (যাক Payment কৰিব)

১৬। আমানত ধন (EMD : Earnest Money Deposit)

১৭। যোগাযোগৰ নম্বৰ (Contact Number)

### ২.৫.৯ মুকলি নিবিদা জাননীৰ আৰ্হি ঃ

**উত্তৰ-পূৱ সীমান্ত ৰে'লৱে**

**(নিৰ্মাণ সন্থা)**

নিবিদা জাননী নং ঃ এছ এণ্ড টি/নিৰ্মাণ/এপিডিজে ২০১৬/০৫ ভাৰতৰ ৰাষ্ট্ৰপতি হৈ উপ-মুখ্য ছিগনেল আৰু টেলি কমিনিকেচনছ ইঞ্জিনিয়াৰ (নিৰ্মাণ, অলিপুৰ দুৱাৰ জংচন, এন এফ ৰেলৱেৰ দ্বাৰা নিম্নলিখিত কামৰ বাবে অভিজ্ঞ আৰু প্ৰতিষ্ঠিত ঠিকাদাৰ/প্ৰতিষ্ঠানৰ পৰা মোহৰযুক্ত মুকলি নিবিদা আহ্বান কৰা হৈছে।

১। কামৰ নাম ঃ ডি ৰাই চি এছ টি ই/নিৰ্মাণ/এপিডিজেৰ অধীনত এছ এছ ই/এছ আই জি/নিৰ্মাণ/এন চি বি আৰু এপিডিজেৰ কাৰ্যালয় আৰু গুডামত অস্ত্ৰবিহীন সুৰক্ষা কৰ্মীৰ ব্যৱস্থা।

২। কামৰ সৰ্বাধিক ব্যয় ঃ ১৮,২০, ১৬০/- টকা

৩। আমানত ধন (ডিমাণ্ড ড্ৰাফটৰ ৰূপত) ৩৬৪০৩ টকা

৪। নিবিদাৰ নথি-পত্ৰৰ ব্যয় (অহস্তান্তৰ যোগ্য) ঃ ২০০০/- টকা মাত্ৰ

৫। সম্পূৰ্ণ কৰাৰ সময় ঃ এল অ' এ জাৰি কৰাৰ তাৰিখৰ পৰা ৭৩০ দিন।

৬। অফাৰৰ বৈধতা ঃ মুকলি কৰাৰ তাৰিখৰ পৰা ১২০ দিন।

৭। নিবিদাপত্ৰ জাৰি (ডি ডি দাখিল কৰিলে) ঃ ২২-০৮-২০১৬ ৰ পৰা ১৪-০৯-২০১৬ লৈ

৮। নিবিদা নথি-পত্ৰ পোৱা যাব ঃ (ক) উপযুক্ত্য ছিগনেল আৰু টেলিকম ইঞ্জিনিয়াৰ/নিৰ্মাণ/আলিপুৰ দুৱাৰ জংচন, এন এফ ৰেলৰে আৰু (খ) মুখ্য ছিগনেল আৰু টেলিকম ইঞ্জিনিয়াৰ/নিৰ্মাণ/মালিগাঁও,

গুৱাহাটী- ১১ৰ কাৰ্যালয়ত কৰ্মদিনত।

৯। অফাৰ প্ৰাপ্তিৰ অন্তিম তাৰিখ আৰু সময় ঃ ১৪-০৯-১৬ ৰ পৰা ১২.০০ পৰ্যন্ত

১০। নিবিদা ড্ৰপিং ঃ (ক) ডি ৰাই চি এছ টি ই/নিৰ্মাণ/আলিপুৰ দুৱাৰ জংচন, এন এফ ৰেলৰে

(খ) জেনেৰেল মেনেজাৰ/নিৰ্মাণ/মালিগাঁও কমপ্লেক্স

১১। নিবিদা মুকলিৰ স্থান ঃ ডি ৰাই চি এছ টি ই/নিৰ্মাণ/আলিপুৰ দুৱাৰ জংচন, এন এফ ৰে'লৰেৰ কাৰ্যালয়ত।

১২। নিবিদা পত্ৰ মুকলিৰ তাৰিখ আৰু সময় ঃ ১৬-০৯-২০১৬ ৰ ৩.০০ বজাত

১৩। ৱেবচাইট বিৱৰণ ঃ www.nfrlyconstruction.org

১৪। কামৰ বিস্তাৰিত তথ্য আৰু চৰ্ত নিবিদা পত্ৰত চাব পৰিব।

স্বাঃ
ডি ৰাই চি এছ টি ই/নিৰ্মাণ,
আলিপুৰ দুৱাৰ জংচন এন এফ ৰে'লৰে

"ভাৰতীয় ৰে'লসেৱাৰ আগ্ৰগতিত সহযোগী হওঁক"

নিবিদা জাননীৰ আৰ্হি :

অসম চৰকাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগ

নীৰ নিৰ্মল পৰিযোজনা, অসম (বিশ্ব বেংকৰ সাহায্য প্ৰাপ্ত প্ৰকল্প)

| ক্ৰমিক নং : | পণ্য/কাম/কন্সালটেন্সী সেৱাৰ নাম | ডাউনলোড ফাইল | ঘোষণাৰ তাৰিখ | বিড জমা দিয়াৰ নিৰ্দিষ্ট সময়সীমা | | বিড জমা দিয়াৰ সংশোধিত তাৰিখ | |
|---|---|---|---|---|---|---|---|
| | | | | তাৰিখ | সময় | তাৰিখ | সময় |
| ১। | ডি.পি.এম.ইউ, মৰিগাঁও নীৰ নিৰ্মল পৰিযোজনা-অসমৰ কাৰণে মাহিলি বাহন বন্দবস্তীৰ প্ৰকল্প। | নিবিদাৰ আহ্বান বিজ্ঞি, খতপত্ৰ, সংশোধনী পত্ৰ | ১৪-০৯-২০১৮ | ২৮-০৯-২০১৮ | আবেলি ৩.০০ বজাত | ০৯-১০-২০১৮ | আবেলি ৩.০০ বজাত |
| ২। | ডি.পি.এম.ইউ, মৰিগাঁও নীৰ নিৰ্মল পৰিযোজনা-অসমৰ কাৰণে মাহিলি বাহন বন্দবস্তীৰ প্ৰকল্প। | নিবিদাৰ আহ্বান বিজ্ঞি, খতপত্ৰ, সংশোধনী পত্ৰ | ১৪-০৯-২০১৮ | ২৮-০৯-২০১৮ | আবেলি ৩.০০ বজাত | ১০-০৮-২০১৮ | আবেলি ৩.০০ বজাত |
| ৩। | ডি.পি.এম.ইউ, শিৱসাগৰ নীৰ নিৰ্মল পৰিযোজনা-অসমৰ কাৰণে আচবাব, কিম্বাবচু আৰু সা-সৰঞ্জামৰ প্ৰকল্প। | নিবিদাৰ আহ্বান বিজ্ঞি, খতপত্ৰ, সংশোধনী পত্ৰ | ১৮-০৭-২০১৮ | ০১-০৮-২০১৮ | আবেলি ৩.০০ বজাত | ১০-০৮-২০১৮ | আবেলি ৩.০০ বজাত |

নিবিদাৰ চুক্তি প্ৰদান ঃ

অসম চৰকাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগ

নীৰ নিৰ্মল পৰিযোজনা, অসম (বিশ্ব বেংকৰ সাহায্য প্ৰাপ্ত প্ৰকল্প)

| কনচালটেন্সি সেৱাৰ নাম | পুৰস্কাৰপ্ৰাপ্ত ফাৰ্ম/ ব্যক্তি | ঠিকনা | চুক্তি হস্তাক্ষৰৰ তাৰিখ | আহৰণ/নিৰ্বাচনৰ প্ৰক্ৰিয়া | মূল্য | সময়সীমা | চুক্তি সংক্ষিপ্ত বিৱৰণ |
|---|---|---|---|---|---|---|---|
| সবিশেষ প্ৰকল্প ৰিপোৰ্টৰ লগত বহুমুখী গাঁও পানী যোগান আঁচনি (এল.এম.ভি.এছ) মৰিগাঁও জিলাত বৃহত্তৰ মায়ং পাইপ পানী যোগান আঁচনিৰ বাহিৰেও বেত্ৰস ২ ৰ অধীনত এছ.পি.এম.ইউ অসমৰ আভ্যন্তৰীণ ক্ষমতাক শক্তিশালী কৰাৰ কাৰণে দ্ৰুত পৰিৱেশগত প্ৰভাৱ নিৰ্দ্ধাৰণ (ই.আই.এ) অধ্যয়ন আৰু পৰিৱেশগত ব্যৱস্থাপনাৰ পৰিকল্পনা (ই.এম.পি.)ৰ আয়োজন কৰাৰ কাৰণে দক্ষ কাৰিকৰী বিশেষজ্ঞ থকা ফাৰ্মৰ নিয়োগ। | চিটেক (ভাৰত) | ৯৯৮ নবপাল্লি চাৰ্কোলৰ ৰোড, কচাতাৰ, কলকাতা—৭০০১২৯ | ০৩ - জুলাই ২০১৮ | কনচাল্টেন্টৰ যোগ্যতাৰ ওপৰত ভিত্তি কৰি নিৰ্বাচন (চি.কিউ.এছ.) | ১,৭২৩,৬০০.০০ লাখ টকাৰ লগতে অনুমানিক পৰিমাণ ৬৭,১০০.০০ লাখ টকা আৰু পণ্য আৰু সেৱা কৰ বাদ দি | ৬০ দিনত | সবিশেষ প্ৰকল্প ৰিপোৰ্টৰ লগতে বহুমুখী গাঁও পানীযোগান আঁচনি (এল.এম.ভি.এছ) মৰিগাঁও জিলাত বৃহত্তৰ মায়ং পাইপ পানী যোগান আঁচনিৰ বাহিৰেও বেত্ৰস ২ ৰ অধীনত এছ.পি.এম.ইউ অসমৰ আভ্যন্তৰীণ ক্ষমতাক শক্তিশালী কৰাৰ কাৰণে দ্ৰুত পৰিৱেশগত প্ৰভাৱ নিৰ্দ্ধাৰণ (ই.আই.এ) অধ্যয়ন আৰু পৰিৱেশগত ব্যৱস্থাপনা পৰিকল্পনা (ই.এম.পি)ৰ আয়োজন। |

## ২.৬ সাৰাংশ (Summing Up)

এই অধ্যায় (গোট)টিৰ জৰিয়তে আপোনালোকে আবেদন বিজ্ঞাপন আৰু নিবিদা কেনেকৈ লিখে বা কি কি তথ্য থাকিব লাগে, কোনে কালৈ লক্ষ্য বা উদ্দেশ্য কৰি প্ৰস্তুত কৰে, কোনবোৰ মাধ্যমৰ সহায়ত ই লক্ষ্যস্থান পায় বা কেনেধৰণৰ উদ্দেশ্য সাধন হয় সেই আটাইবোৰ কথা জানিব পাৰিছে। ইয়াৰ বাহিৰেও বহু কথা থাকে যিবোৰ বাস্তৱ ক্ষেত্ৰত প্ৰস্তুত বা লিখাৰ সময়ত আহি পৰে। ইয়াৰ উপৰিও ইলেক্ট্ৰনিক মাধ্যমৰ জৰিয়তে দিনে দিনে আবেদন, বিজ্ঞাপন আৰু নিবিদাৰ ৰূপ সলনি হ'ব ধৰিছে। মাতৃভাষা মাধ্যমত এইবোৰ প্ৰস্তুত কৰিবলৈ নিৰ্দিষ্ট কিছুমান শব্দ আৰু পৰিভাষা বা শৈলী জনা প্ৰয়োজন। সঠিক শৈলী বা পৰিভাষাইহে প্ৰকৃত উদ্দেশ্য সাধনত সহায়ক হ'ব পাৰে গতিকে সঠিক পৰিভাষা জনাটো অতি প্ৰয়োজন। যিয়ে নহওঁক এই আলোচনাটিৰ জৰিয়তে আপোনালোকৰ আবেদন, বিজ্ঞাপন আৰু নিবিদাৰ প্ৰাথমিক পৰ্যায়ৰ কামসমূহ বাস্তৱসন্মত ভাৱে কৰিবলৈ সহায়ক হ'ব বুলি আশা কৰা হৈছে।

## ২.৭ আৰ্হি প্ৰশ্ন (Model Questions)

তলৰ আবেদন সমূহ লিখা—

১। পৰিৱেশ প্ৰদূষণ সম্পৰ্কে পত্ৰ

২। এজেন্সি পাবৰ বাবে বিজ্ঞাপন উত্তৰত পত্ৰ

৩। গাঁৱলীয়া বেংকৰ পৰা কৃষি ঋণ ল'বৰ বাবে আবেদন

৪। ঋণৰ বাবে আত্মসহায়ক গোটৰ আবেদন

৫। ষ্টীট লাইট পাবৰ বাবে আবেদন

৬। ঘৰৰ সন্মুখৰ ৰাস্তা বনাবৰ বাবে আবেদন

৭। আবেদন পত্ৰ কাক বোলে? ই কেনেকৈ প্ৰস্তুত কৰা হয়।

৮। মহাবিদ্যালয়ৰ 'সহকাৰী আধ্যাপক'ৰ পদবীৰ দৰে বিজ্ঞাপন এটিৰ ভিত্তিত এখন আবেদন প্ৰস্তুত কৰক।

৯। আপোনাৰ গাঁও/চহৰখনৰ পথ মেৰামতিৰ বাবে গড়কাপ্তানি বিভাগলৈ এখন আবেদন লিখক।

১০।বিজ্ঞাপন কি? বিজ্ঞাপনৰ সংজ্ঞা লিখা। বিজ্ঞাপনৰ বৈশিষ্ট্য সমূহ লিখা।

১১।বিজ্ঞাপন কিমান ধৰণৰ হ'ব পাৰে, বিজ্ঞাপনৰ লক্ষ্য বা উদ্দেশ্য সমূহ লিখা।

১২।বিজ্ঞাপনৰ সুবিধা আৰু অসুবিধা লিখা।

১৩।বিজ্ঞাপনৰ প্ৰধান সিদ্ধান্তসমূহৰ বিষয়ে লিখা।

১৪।চমুটোকা লিখা—

(ক) বিজ্ঞাপনৰ প্ৰয়োজনীয়তা (খ) বিজ্ঞাপনৰ মাধ্যম

(গ) বিজ্ঞাপনৰ কৌশল (ঘ) বিজ্ঞাপন নিয়ন্ত্ৰণ আইন

১৫।নিবিদা কি? নিবিদাৰ ভাগসমূহ লিখা।

১৬।নিবিদাৰ সুবিধা আৰু অসুবিধাসমূহ লিখা?

১৭।ই-নিবিদা কি? ইয়াক কেনেকৈ প্ৰস্তুত কৰা হয় লিখা।

১৮।নিবিদা জাননীৰ আৰ্হি সম্পৰ্কে লিখা।

১৯।চমুটোকা লিখা।

(ক) প্ৰচলিত নিবিদা পদ্ধতি (খ) নিবিদা মুকলি আৰু মূল্যায়ন প্ৰক্ৰিয়া

(গ) নিবিদা বাছনি (ঘ) মুকলি নিবিদা এটাৰ আৰ্হি প্ৰস্তুত কৰা।

## ২.৮ প্ৰসংগ গ্ৰন্থ (References & Suggested Readings)

**১। অসমীয়া ঃ**


(ক) গোস্বামী, গোলকচন্দ্ৰ ঃ অসমীয়া ব্যাকৰণ প্ৰৱেশ,
বীণা লাইব্ৰেৰী, গুৱাহাটী, অসম
ষষ্ঠ সংস্কৰণ, ২০১৮ চন

(খ) বৰুৱা, তুলতুল (সম্পা)ঃ অসমীয়া ৰচনা সংকলন, ঠাকুৰ নগেন
ষ্টুডেণ্টচ্ ষ্ট'ৰচ, গুৱাহাটী-০১
ISBN 81-85905-10-X
দ্বাবিংশতিতম, সংশোধিত সংস্কৰণ
২০১৭ চন

(গ) ডেকা, ধৰ্ম সিংহ ঃ ৰচনা বিচিত্ৰা, অসম বুক ডিপো,
গুৱাহাটী-০১
ISBN: 978-93-82384-00-7
দ্বাবিংশ প্ৰকাশ, ২০১৩-১৪ চন

**২। ইংৰাজী ঃ**

Raman Meenakhshi, Mohan Krishna:

Advanched Communicative

English

ISBN (13): 978-0-07-015322-6

2010.

**৩। অভিধান**

হেমকোষ, প্ৰণেতাঃ  হেমচন্দ্ৰ বৰুৱা, ২০১৫

৪। **Internet Source (অনলাইন উৎস) ঃ**

## ২.৯ অগ্ৰগতিৰ খতিয়ান/আৰ্হি প্ৰশ্নৰ উত্তৰসমূহ

**আবেদন ঃ**

১। (ক) ভাষা

(খ) যোগাত্মক

২। (ক) শুদ্ধ

(খ) শুদ্ধ

১.৪ বিজ্ঞাপন

১। (ক) শুদ্ধ

(খ) শুদ্ধ

২। (ঘ)

৩। (ক) জাননী

(খ) যোগাযোগ

(গ) অৰিহণা

৪। (ঘ)

৫। (ঘ)

৬। (ঘ)

৭। (ক) বিজ্ঞাপন

(খ) অৰ্থ

(গ) পণ্য

৮। (ক)

৯। (ঘ)

১০। (ক)শুদ্ধ

(খ) অশুদ্ধ

১১। (ক)

(i) বাজেট সিদ্ধান্ত

(ii) বিজ্ঞাপন বাৰ্তা সিদ্ধান্ত

(খ) বিজ্ঞাপন যি বাৰ্তা সংগ্ৰহ কৰি এটি নিৰ্দিষ্ট অৰ্থজ্ঞাপক সিদ্ধান্ত গ্ৰহণ কৰা হয় তাকে বিজ্ঞাপন বাৰ্তা সিদ্ধান্ত বোলে

১২। (ঘ)

১৩। (গ)

১৪। (ক) ১৪৭৬-৭৭ চনত

(খ) ১৭ শ শতিকাত

(গ) ১৮৩০ চনত Jared Bell

(ঘ) ১৮৪২ চনত Wolnui B. Palmer

(ঙ) অসম চাহ কোম্পানি

**নিবিদা ঃ**

১। (ঘ)

২। (ক) অৰ্থমূল্য...

(খ) নিবিদাকাৰী প্ৰতিষ্ঠানে বিভিন্ন যোগানকাৰী বা ঠিকাদাৰৰ মাজৰ পৰা নিম্নতম মূল্যত অধিকতম গুণাগুণসম্পন্ন সামগ্ৰী লাভ কৰিলে অৰ্থমূল্য কোৱা হয়।

৩। (ঘ)

৪। (ক) অশুদ্ধ

(খ) শুদ্ধ

*****

## তৃতীয় বিভাগ
## সামাজিক মাধ্যম আৰু অসমীয়া ভাষা ঃ ইণ্টাৰনেট, ফেচবুক, টুইটাৰ

**বিভাগৰ গঠন ঃ**


৩.১ ভূমিকা (Introduction)

৩.২ উদ্দেশ্য (Objectives)

৩.৩ সামাজিক মাধ্যম আৰু অসমীয়া ভাষা

৩.৩.১ সংজ্ঞা আৰু বিকাশ

৩.৩.২ সামাজিক মাধ্যম ব্যৱহাৰৰ উদ্দেশ্য

৩.৩.৩ সামাজিক মাধ্যম আৰু অসমীয়া ভাষা

৩.৪ সাৰাংশ (Summing Up)

৩.৫ প্ৰসংগ গ্ৰন্থ (References & Suggested Readings)

৩.৬ আৰ্হি প্ৰশ্ন (Model Questions)


### ৩.১ ভূমিকা (Introduction) ঃ

ভাষা হ'ল যোগাযোগৰ মাধ্যম। ভাষা বোঁৱতী সূতিৰ দৰে, সেইবাবে ভাষালৈ পৰিৱৰ্তন অহাটো স্বাভাৱিক। ভাষালৈ পৰিৱৰ্তন বিভিন্ন কাৰকে কঢ়িয়াই আনে। ভাষাক এনেদৰে প্ৰভাৱান্বিত কৰা এটা উল্লেখযোগ্য কাৰক হ'ল প্ৰযুক্তি। প্ৰযুক্তি হ'ল ব্যৱহাৰিক ক্ষেত্ৰখনত বৈজ্ঞানিক জ্ঞানৰ প্ৰয়োগ। ভাষাৰ ব্যৱহাৰিক ক্ষেত্ৰখনত প্ৰযুক্তিবিদ্যাই ভাবিব নোৱাৰা ধৰণে প্ৰভাৱ পেলাইছে আৰু ইয়াৰ সমান্তৰালভাৱে ভাষাইও প্ৰযুক্তিক প্ৰভাৱান্বিত কৰিছে। ভাষাৰ ওপৰত প্ৰযুক্তিৰ প্ৰভাৱ আমি বিভিন্ন ধৰণেৰে অনুভৱ কৰিব পাৰোঁ। কলমটোৰ পৰা টাইপ ৰাইটাৰটোলৈ আৰু বৰ্তমান কম্পিউটাৰৰ লগত সম্পৰ্কিত ইণ্টাৰনেট, সামাজিক মাধ্যম ইত্যাদি বিভিন্ন মাধ্যমলৈকে সকলোবোৰেই ভাষাক এক সুকীয়া স্তৰলৈ লৈ যোৱা দেখা গৈছে। কলম, ছপাশাল আদি লিখন সামগ্ৰীৰ উদ্ভাৱনৰ আগলৈকে লিখনিসমূহ সংৰক্ষণ কৰাটো অতি কঠিন আছিল। শিলালেখবোৰ স্থায়ী আছিল যদিও এইবোৰ সংৰক্ষণ কৰিবলৈ বহুখিনি ঠাইৰ প্ৰয়োজন হৈছিল। ছপা প্ৰযুক্তিয়ে লিখনিবোৰক আকাৰত সৰু আৰু ইয়াৰ সংৰক্ষণৰ সহজ কৰি তুলিলে। ছপা প্ৰযুক্তিয়ে ভাষাক দুইধৰণে প্ৰভাৱান্বিত কৰিলে। প্ৰথম, ছপা প্ৰযুক্তি সাক্ষৰতা বৃদ্ধিৰ এক মাধ্যম হৈ পৰিল। কাৰণ এই প্ৰযুক্তিয়ে সাধাৰণ লোকসকলৰ মাজত শুদ্ধ আৰু তথ্যসমৃদ্ধ কিতাপ আলোচনীৰ যোগান ধৰিলে। দ্বিতীয়তে, ছপা মাধ্যমৰ যোগেদিয়ে আখৰ জোঁটনি, ব্যাকৰণ আদিৰ মান্যভুক্তিকৰণ সম্ভৱ হৈ উঠিল।

কম্পিউটাৰৰ আগমনৰ লগে লগে প্ৰায় সকলো ক্ষেত্ৰকে এক নতুন পৰিৱৰ্তনৰ ঢৌৱে জোকাৰি গ'ল। কম্পিউটাৰৰ আগমনে বিভিন্ন বিষয়ৰ বহুতো কাম অত্যন্ত সহজ কৰি তোলাৰ লগতে যোগাযোগৰ ক্ষেত্ৰখনত এক বিশেষ আলোড়ন তুলিলে। ইণ্টাৰনেটৰ দৰে যোগাযোগৰ মাধ্যমে বহুতো নেটৱৰ্ক চাৰ্ভিচ যেনে— ৱৰ্ল্ড ৱাইড ৱেব (www), সামাজিক মাধ্যম, ইলেকট্ৰনিক মেইল বা চমুকৈ ই-মেইল, ম'বাইল এপ্লিকেশ্বন, ইণ্টাৰনেট কলিং ইত্যাদি সেৱা আগবঢ়ালে। ইণ্টাৰনেটৰ এই সেৱাসমূহৰ অধিকাংশ সেৱাই জনপ্ৰিয় যদিও শেহতীয়াকৈ অত্যধিক জনপ্ৰিয়তা অৰ্জন কৰিছে সামাজিক মাধ্যমসমূহে। এই মাধ্যমসমূহে কেৱল যোগাযোগৰ মাধ্যম হিচাপেই নহয়, ভাষা, সাহিত্য, ৰাজনীতি, অৰ্থনীতি, মনোৰঞ্জন ইত্যাদি বিভিন্ন ক্ষেত্ৰত কল্পনাতীতভাৱে প্ৰভাৱ বিস্তাৰ কৰিছে।

কম্পিউটাৰৰ বিভিন্ন মাধ্যমত অসমীয়া ভাষাৰ ব্যৱহাৰ হোৱা বেছি বছৰ হোৱা নাই। কিন্তু অতি কম সময়তে অসমীয়া ভাষাই ইণ্টাৰনেটৰ মাধ্যমেৰে সমগ্ৰ বিশ্বত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। এই গোটত সামাজিক মাধ্যম আৰু অসমীয়া ভাষাৰ উল্লেখযোগ্য দিশসমূহ আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

## ৩.২ উদ্দেশ্য (Objectives) ঃ

এই গোটটোত সামাজিক মাধ্যমৰ বিভিন্ন দিশৰ লগতে অসমীয়া ভাষাৰ ক্ষেত্ৰত এনে মাধ্যমৰ ভূমিকা আৰু প্ৰভাৱ দাঙি ধৰা হৈছে। এই আলোচনা অধ্যয়ন কৰি তোমালোকে—

* সামাজিক মাধ্যম আৰু ইয়াৰ ইতিহাস সম্পৰ্কে জানিব পাৰিবা।
* অসমীয়া ভাষাই এই মাধ্যমসমূহত কেনে অৱিহণা যোগাইছে আৰু সামাজিক মাধ্যমে অসমীয়া ভাষাৰ বিকাশত কেনে ভূমিকা গ্ৰহণ কৰিছে, তাৰ এক আভাস লাভ কৰিবা।
* সামাজিক মাধ্যমত অসমীয়া ভাষাৰ ভৱিষ্যত কি, সেই বিষয়ে এক ধাৰণা লাভ কৰিবলৈ সক্ষম হ'বা।

## ৩.৩ সামাজিক মাধ্যম আৰু অসমীয়া ভাষা ঃ

### ৩.৩.১ সংজ্ঞা আৰু বিকাশ ঃ

আধুনিক বাস্তৱ জীৱনৰ যোগাযোগৰ এক অবিচ্ছেদ্য মাধ্যম হ'ল ইণ্টাৰনেট। ইণ্টাৰনেট হ'ল বহুতো তথ্যৰ এনে এটা সংগ্ৰহ য'ত এটা আনটোৰ লগত আভ্যন্তৰীণভাৱে সংযোজিত হৈ থাকে প্ৰযুক্তিৰ সহায়েৰে। ইণ্টাৰনেটৰ জৰিয়তে সংযোজিত কম্পিউটাৰসমূহে নিজৰ ভিতৰত কিছুমান ইণ্টাৰনেট নিয়মাৱলী (Internet Protocol) ৰ দ্বাৰা তথ্য আৰু বাৰ্তাসমূহৰ আদান প্ৰদান কৰে (http : // as.vikaspedia.in)। এই মাধ্যমত নতুনকৈ

সংযোজিত হোৱা এটা ধাৰা হ'ল চ'ছিয়েল নেটৱৰ্কিং চাইট বা সামাজিক যোগাযোগ মাধ্যম। সামাজিক মাধ্যম হ'ল ইণ্টাৰনেট ভিত্তিক আহিলাসমূহেৰে গঢ়ি তোলা এক সামাজিক যোগাযোগৰ মঞ্চ, যি মঞ্চৰ যোগেদি ইয়াত অংশ গ্ৰহণ কৰাসকলে বিভিন্ন ধৰণৰ মত বিনিময় কৰাৰ লগতে কলা, সাহিত্য, সংস্কৃতিৰ বিভিন্ন দিশৰ চৰ্চা কৰিব পাৰে। ইণ্টাৰনেটৰ ব্যৱহাৰ ব্যাপক ৰূপত বৃদ্ধি পোৱাৰ লগে লগে এই সামাজিক মাধ্যমসমূহেও অভূতপূৰ্ব জনপ্ৰিয়তা অৰ্জন কৰিছে। এই মাধ্যম এতিয়া মানুহৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰ বিভিন্ন দিশ প্ৰতিফলিত কৰা এটা অনলাইন সেৱা, যি পৰিয়ালৰ সদস্য, বন্ধুবৰ্গ তথা বিভিন্ন ক্ষেত্ৰৰ লগত জড়িত চিনাকী, অচিনাকী লোকক একেলগে বান্ধি ৰখা বা যুগসূত্ৰ স্থাপন কৰা এক বহল মঞ্চও।

**জানি থওঁ আহা ঃ**

কেতবোৰ জনপ্ৰিয় সামাজিক মাধ্যম আৰু ইয়াৰ আত্মপ্ৰকাশৰ চন ঃ

১৯৯৭ ঃ চিক্স ডিগ্ৰিজ (Six Degrees)

১৯৯৯ ঃ লাইভজাৰ্নেল (Live Journal)

২০০২ ঃ ফ্ৰেণ্ডষ্টাৰ (Friendster)

২০০৩ ঃ লিংক্‌ড-ইন (Linkedin), মাইস্পেচ (MySpace)

২০০৪ ঃ অৰকুট (Orkut), ফেচবুক (Facebook), ফ্লিকাৰ (Flicker)

২০০৬ ঃ টুইটাৰ (Twitter)

২০০৭ ঃ আইবিব' (Ibibo)

২০১১ ঃ গুগল

বিংশ শতিকাৰ শেষ ভাগৰ পৰা সামাজিক মাধ্যমসমূহে ইণ্টাৰনেটত আত্মপ্ৰকাশ কৰে। প্ৰথম সামাজিক মাধ্যম হিচাপে চিনাক্ত কৰিব পৰা ইণ্টাৰনেট চাইট হ'ল ১৯৯৭ চনত প্ৰতিষ্ঠা হোৱা SixDegrees.com। এই সেৱা ২০০০ চনলৈকে চলি বন্ধ হয়। ১৯৯৯ চনত প্ৰথম ব্লগিং চাইটসমূহে সামাজিক মাধ্যমত ভুমুকি মাৰি প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰে আৰু এই জনপ্ৰিয়তা এতিয়াও অক্ষুণ্ণ আছে। ২০০০ চনত জনপ্ৰিয় হোৱা দুটা উল্লেখযোগ্য সামাজিক মাধ্যম হ'ল— মাইস্পেচ (MySpace) আৰু লিংক্‌ড-ইন (Linkedin)। তেনেদৰে ২০০২ চনত ফ্ৰেইণ্ডষ্টাৰ (Friendster), ২০০৩ চনত স্কাইপ (Skype), ২০০৪ চনত অৰকুট (Orkut) আৰু ফেচবুক (Facebook), ২০০৫ চনত ইউটিউব (YouTube), ২০০৬ চনত টুইটাৰ (Twitter) আৰু ২০১১ চনত আৰম্ভ কৰা চাৰ্চ ইঞ্জিন গুগল (Google)- এ সামাজিক মাধ্যমৰ ক্ষেত্ৰত এক নতুন দিশৰ সূচনা কৰে।

হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ ছাত্ৰ মাৰ্ক জুকাৰবাৰ্গে ২০০৪ চনত সামাজিক মাধ্যমৰ ধাৰণাত এক নতুন মাত্ৰাৰ সংযোজন কৰে ফেচবুকৰ জৰিয়তে। তেওঁ প্ৰতিষ্ঠা কৰা ফেচবুকে অতি কম সময়ৰ ভিতৰতে হাভাৰ্ড বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জনপ্ৰিয়তা লাভ কৰে। পৰৱৰ্তী সময়ত ২০০৬ চনত ফেচবুকৰ সদস্য ভৰ্তি প্ৰক্ৰিয়াক সকলোৰে বাবে মুকলি কৰি দিয়াত সমগ্ৰ বিশ্বতে ইয়াৰ ব্যাপক চৰ্চা আৰম্ভ হয়।

ফেচবুকৰ সমান্তৰালভাৱে বৰ্তমান আন এটা জনপ্ৰিয় সামাজিক মাধ্যম হ'ল - টুইটাৰ। টুইটাৰ নিৰ্মাণ কৰে - জেক ড'ৰ্চে (Jack Dorsey), নোৱা গ্লাচ (Noah Glass), বিজ ষ্টʼন (Biz Stone) আৰু ইভান উইলিয়ামচ (Evan Williams)-এ ২০০৬ চনত। সদস্যৰ ফালৰ পৰা শীৰ্ষত আছে ফেচবুক আৰু দ্বিতীয় স্থানত আছে টুইটাৰ। ২০১৯ চনৰ তথ্য অনুসৰি ২.৪১ বিলিয়নৰো অধিক ব্যৱহাৰকাৰীয়ে সক্ৰিয়ভাৱে ফেচবুক ব্যৱহাৰ কৰে আৰু টুইটাৰৰ সদস্যৰ সংখ্যা হ'ল ৩২১ মিলিয়ন (https://www.statista.com।)

### ৩.৩.২ সামাজিক মাধ্যম ব্যৱহাৰৰ উদ্দেশ্য ঃ

সামাজিক মাধ্যমসমূহ বিভিন্ন শ্ৰেণীৰ ব্যৱহাৰকাৰী বা উপভোক্তাই ভিন ভিন উদ্দেশ্যেৰে ব্যৱহাৰ কৰে। সামাজিক মাধ্যমৰ প্ৰধান উদ্দেশ্য হ'ল বিভিন্ন মানুহৰ (চিনাকী, অচিনাকী) সামাজিক যোগসূত্ৰ স্থাপন কৰা। সামাজিক মাধ্যম এক ব্যক্তিকেন্দ্ৰিক সেৱা। সামাজিক মাধ্যমৰ বিভিন্ন দিশক অনুধাৱন কৰিলে ইয়াৰ কেতবোৰ উদ্দেশ্য পৰিলক্ষিত হয় ঃ

১। **তথ্য আহৰণ ঃ** সামাজিক যোগাযোগৰ মাধ্যমসমূহ তথ্য প্ৰকাশ আৰু যোগাযোগৰ এখন নতুন মঞ্চ য'ত ব্যৱহাৰকাৰীয়ে বিভিন্ন বিষয় পঢ়িব, সেই বিষয়ৰ প্ৰয়োজনীয় তথ্য, ছবি ইত্যাদি ডাউনল'ড কৰিব পাৰে।

২। **বিভিন্ন বিষয়ৰ ওপৰত অভিমত প্ৰকাশ ঃ** সামাজিক মাধ্যমৰ ব্যৱহাৰকাৰীয়ে ইয়াত যিকোনো বিষয়ত নিজৰ অভিমত প্ৰকাশ কৰি মুকলিভাৱে আলোচনা কৰিব পাৰে। আৰু এই অভিমত পঢ়ি আনসকলেও সেই বিষয়ত তেওঁলোকৰ মতামত প্ৰকাশ কৰিব পাৰে।

৩। **বিদ্যায়তনিক উদ্দেশ্য ঃ** সামাজিক মাধ্যমক বিদ্যায়তনিক উদ্দেশ্যতো ব্যৱহাৰ কৰা দেখা যায়। বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে অধ্যয়ন কৰি থকা শিক্ষাৰ্থীসকলে সামাজিক মাধ্যমত বিভিন্ন বিদ্যায়তনিক আলোচনা, পৰীক্ষাৰ প্ৰশ্নকাকতৰ উত্তৰ সম্পৰ্কীয় আলোচনা আদিত অংশগ্ৰহণ কৰা দেখা যায়। কিছুমানে বিশেষ গোট (Group)ত অন্তৰ্ভুক্ত হৈও বিষয়সমূহত অংশগ্ৰহণ কৰে। আকৌ কেৰিয়াৰ সম্পৰ্কীয় আলোচনা, চাকৰিৰ বিজ্ঞাপন ইত্যাদিৰ বিষয়েও সামাজিক মাধ্যমৰ যোগেদি ইয়াৰ ব্যৱহাৰকাৰীয়ে জানিব পাৰে।

৪। **বন্ধু আৰু পৰিয়ালবৰ্গৰ সৈতে যোগাযোগৰ বাবে ঃ** সামাজিক মাধ্যম হ'ল বন্ধুবৰ্গ আৰু পৰিয়ালবৰ্গৰ সৈতে যোগাযোগ কৰা ক্ষীপ্ৰ আৰু অত্যন্ত শক্তিশালী মাধ্যম। কৰ্মসূত্ৰে বিভিন্ন ঠাইত থকা ন, পুৰণি বন্ধু, পৰিয়ালৰ বিভিন্ন বয়সৰ সদস্য, নিজৰ ৰুচি অনুযায়ী বিভিন্ন ক্ষেত্ৰৰ লগত জড়িত ব্যক্তিসকলৰ সৈতে যোগাযোগ স্থাপন, কৰ্মৰাজী, ছবি আৰু ব্যক্তিগত অভিমত প্ৰকাশৰ উৎকৃষ্ট মাধ্যম হ'ল সামাজিক মাধ্যম।

৫। **ব্যৱসায় আৰু বৃত্তিগত উৎকৰ্ষৰ উদ্দেশ্যে ব্যক্তিগত কৰ্মৰাজীৰ বিজ্ঞাপন প্ৰকাশ কৰা ঃ** সামাজিক মাধ্যমসমূহক ব্যৱসায়ৰ উদ্দেশ্যেও ব্যৱহাৰ কৰিব পাৰি। কোনো ব্যৱহাৰকাৰীৰ দ্বাৰা উৎপাদিত সামগ্ৰী আদিক এই মঞ্চত সামগ্ৰীৰ ছবি আৰু সবিশেষ লিখি উপস্থাপন কৰা দেখা যায়। আকৌ কোনো কোম্পানী বা স্ব-উৎপাদিত সামগ্ৰীসমূহৰ বিষয়েও আগতীয়াকৈ সামাজিক মাধ্যমৰ যোগেদি জনাব পাৰি।

৬। **শিল্প, কলা, ভাষা-সাহিত্যৰ ন ন সৃষ্টিক পাঠকলৈ আগবঢ়োৱাৰ মাধ্যম ঃ** সামাজিক মাধ্যমৰ যোগেদি শিল্প আৰু সাহিত্য জগতখনত আন এক দিগন্ত সূচিত হোৱা বুলিও ক'ব পাৰি। সাম্প্ৰতিক সময়ত কলা, শিল্প, সাহিত্যক প্ৰদৰ্শন কৰাৰ আটাইতকৈ সহজ আৰু দ্ৰুত মাধ্যম হৈ পৰিছে এই সামাজিক মাধ্যমসমূহ। সামাজিক মাধ্যমে এচাম নতুন লেখক আৰু পাঠকৰো সৃষ্টি কৰিছে।

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন ১. ভাষা আৰু প্ৰযুক্তিৰ সম্পৰ্ক কি?

প্ৰশ্ন ২. সামাজিক মাধ্যম কি?

প্ৰশ্ন ৩. সামাজিক মাধ্যমৰ ভূমিকা আলোচনা কৰা।

### ৩.৩.৩ সামাজিক মাধ্যম আৰু অসমীয়া ভাষা ঃ

ইণ্টাৰনেটত অসমীয়া ভাষাৰ চৰ্চা আৰম্ভ হৈছে বিংশ শতিকাৰ শেষ দশকতহে। এই সময়ছোৱাৰ পৰাই অসমীয়া ব্লগ, ই-মেগাজিন আদি ক্ৰমাৎ জনপ্ৰিয় হ'বলৈ লৈছে। আন বহু ভাষাতে ব্লগিং এক জনপ্ৰিয় পেছালৈ ৰূপান্তৰিত হৈছে যদিও গুগলত অসমীয়া ভাষা প্ৰতিষ্ঠিত নোহোৱা বাবে অসমীয়া ভাষাৰ ব্লগৰ সংখ্যা এতিয়াও অতি সীমিত। সামাজিক মাধ্যম ফেচবুক, টুইটাৰ আদিত অসমীয়া ভাষাইও অন্যান্য প্ৰান্তীয় ভাষাসমূহৰ দৰে যথেষ্ট সমাদৰ লাভ কৰিছে। যি সময়ত যুৱ প্ৰজন্মই অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষা কৰিব পৰিবনে নোৱাৰে বুলি এক সন্দেহ আৰু উদ্বেগে গা কৰি উঠিছিল, ঠিক সেই সময়খিনিতে ইণ্টাৰনেট আৰু সামাজিক যোগাযোগৰ মাধ্যমসমূহে যুৱ প্ৰজন্মৰ মাজত অসমীয়া ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত এক নতুন ধাৰণাৰ সংযোজন ঘটালে। এই ক্ষেত্ৰত এই মাধ্যমসমূহক অসমীয়া

ভাষাত বৈদ্যুতিন মাধ্যমত শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰাৰ এক সুবৰ্ণ সুযোগ প্ৰদানকাৰী হিচাপে অভিহিত কৰিব পাৰি।

প্ৰাৰম্ভিক অৱস্থাত সামাজিক মাধ্যমত ইংৰাজী ভাষাইহে গুৰুত্ব লাভ কৰিছিল যদিও প্ৰান্তীয় ভাষাসমূহৰ সংযোজনে এই মাধ্যমৰ ব্যৱহাৰকাৰীৰ সংখ্যা দুগুণতকৈও অধিক বৃদ্ধি কৰিলে। সামাজিক মাধ্যমসমূহ ব্যৱহাৰকাৰীসকলৰ মাজত কেৱল ব্যক্তিগত যোগাযোগৰ মাধ্যমেই নহয়, ই সাহিত্য চৰ্চা, বিনোদন আৰু মনোৰঞ্জনৰো মাধ্যম। ব্যস্ততাৰ পৃথিৱীখনত মানুহে য'তেই সুৰুঙা পায়, ত'তেই স্মাৰ্ট ফোনটো উলিয়াই এই মাধ্যমসমূহত বিচৰণ কৰে আৰু ৰুচি অনুসৰি বিভিন্ন বিষয়ৰ সন্ধান কৰে। মানুহৰ মন ক্ৰমাৎ বাতৰি কাগজ, আলোচনীৰ পৃষ্ঠাতকৈ বৈদ্যুতিন স্ক্ৰীণলৈ গতি কৰিছে। সেই অনুসৰি আজিৰ লেখকসকলেও নিজৰ লিখনিসমূহ কিতাপ আলোচনীত প্ৰকাশ কৰাৰ উপৰিও ফেচবুক বা ইণ্টাৰনেটৰ বিভিন্ন মাধ্যমত প্ৰকাশ কৰে। এনেদৰে প্ৰকাশ কৰা লিখনি আৰু বিভিন্ন বিষয়ৰ চৰ্চা অসমতে সীমাবদ্ধ নাথাকি মুহূৰ্ততে বিশ্বৰ সকলো প্ৰান্তৰ অসমীয়াভাষী লোকে পঢ়াৰ সুবিধা লাভ কৰে।

অসমীয়া ভাষাৰ ডিজিটেলকৰণত সহায় কৰা প্ৰথম গুৰুত্বপূৰ্ণ আহিলা হ'ল অসমীয়া কীব'ৰ্ডসমূহ। ইণ্টাৰনেটত ইউনিক'ডত অসমীয়া লিখিবলৈ ব্যৱহাৰ কৰা কেইখনমান উল্লেখযোগ্য লিখন সঁজুলি বা কী ব'ৰ্ড হ'ল - ৰ'দালি, জাহ্নৱী, মাইক্ৰ'ছফ্ট  ইণ্ডিক, লিপিকাৰ, লাচিত ইত্যাদি। এই কী ব'ৰ্ডসমূহৰ যোগেদিয়ে ইণ্টাৰনেটৰ বিভিন্ন মাধ্যমত অসমীয়া ভাষাত নিজৰ ভাৱ ব্যক্ত কৰিব পাৰি আৰু গুগলৰ দৰে চাৰ্চ ইঞ্জিনত বিভিন্ন তথ্যৰ সন্ধান কৰিব পাৰি।

**জানি থওঁ আহাঁ**

**ইউনিক'ড ঃ**

ইউনিক'ড হ'ল এনে এটা পদ্ধতি যাৰ দ্বাৰা বিশ্বৰ প্ৰায় সকলো ভাষাৰ লিপিসমূহক একোটা বিশেষ মানদণ্ডত ৰখাৰ প্ৰয়াস কৰা হৈছে। ১৯৯১ চনত ইউনিক'ড কনচ'ৰটিয়াম (Unicode) নামৰ অপেছাদাৰী সংগঠন এটাই ইয়াক উদ্ভাৱন কৰে। উল্লেখযোগ্য যে অসমীয়া ভাষা এতিয়াও সম্পূৰ্ণৰূপে ইউনিক'ডত প্ৰতিষ্ঠা হোৱা নাই।

ইণ্টাৰনেটত অসমীয়া ভাষাক সুদৃঢ় আৰু শক্তিশালী কৰাত সহায় কৰিছে অনলাইন অভিধান, সংবাদপত্ৰ আৰু আলোচনীসমূহে। অসমীয়া ভাষাৰ প্ৰথমখন অনলাইন অভিধান হ'ল 'শব্দ' (Xobdo)। প্ৰায় ৪০,০০০ অসমীয়া শব্দৰ ইংৰাজী প্ৰতিশব্দৰ লগতে ফকৰা যোজনাও ইয়াত সন্নিবিষ্ট হৈছে। ২০০৬ চনত শব্দ সংঘৰ বেনাৰত এই অভিধানৰ ৱেবচাইট

মুকলি কৰা হৈছিল (www.xobdo.org)। অসমীয়া ছফ্‌টৱেৰ অভিধানৰ ভিতৰত প্ৰথম হ'ল ২০১০ চনত প্ৰকাশিত অনিল বৰুৱাৰ 'অসমীয়া ছফ্‌টৱেৰ অভিধান।'

অসমীয়া ভাষাক বিভিন্ন লিখনিৰে সমৃদ্ধ কৰা কেইখনমান ই-আলোচনী হ'ল- অসমীয়া, অভিজ্ঞান, আখৰ, বৌদ্ধিক বিচাৰ, এনাজৰী, নীলা চৰাই, সন্ধান, নিয়ৰ, মণিকূট, সাহিত্য ডট্ অৰ্গ, প্ৰজন্ম, আমি অসমীয়া, ফেঁহুজালি, সুবাস ইত্যাদি। এই আলোচনীসমূহত বিভিন্ন বিষয়বস্তুৰ আলোচনাই স্থান লাভ কৰিছে। ই-আলোচনীসমূহে বহুতো ন লেখকৰো সৃষ্টি কৰিছে। উক্ত আলোচনীসমূহৰ উপৰিও অসমীয়া ভাষাৰ প্ৰায় ত্ৰিছখনমান বাতৰি কাকতৰ ইণ্টাৰনেট সংস্কৰণ আছে। লগতে ছপামাধ্যমত প্ৰকাশিত কেইবাখনো আগশাৰীৰ আলোচনীৰ ইণ্টাৰনেট সংস্কৰণও আছে। অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰসাৰ আৰু প্ৰচাৰত এই ই-আলোচনী আৰু ই-কাকত আদিয়ে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে।

ফেচবুকৰ মঞ্চখনে সাহিত্য চৰ্চা আৰু অধ্যয়নৰ ক্ষেত্ৰত যুৱ প্ৰজন্মৰ মাজত এক নতুন জোৱাৰ আনিছে। ফেচবুকত সাহিত্য চৰ্চাৰ প্ৰসংগত পোন প্ৰথমেই ক'ব লাগিব ফেচবুকৰ মঞ্চত গঢ় লৈ উঠা গোটসমূহৰ কথা। অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰক মূল মন্ত্ৰ হিচাপে লৈ আৰম্ভ হোৱা 'অসমীয়াত কথা বতৰা' গোটটোৱে অসমীয়া ভাষাক বিশ্বমুখী কৰাৰ ক্ষেত্ৰত অশেষ অৱদান আগবঢ়াইছে। চিন্তাশীল ৰচনা, প্ৰবন্ধ, গল্প, কবিতা আদি কেৱল অসমীয়া লিপিত লিখাৰ এক অনন্য প্ৰচেষ্টাক এই গোটটোৱে সফলভাৱে তুলি ধৰিছে। এই গোটটোৱেই আন এক প্ৰকল্প 'সাহিত্য ডট্ অৰ্গ'ৰ জৰিয়তেও অসমীয়া সাহিত্যৰ চৰ্চা অব্যাহত ৰাখিছে। এই গোটটোৱে ভাষাৰ শুদ্ধ ব্যৱহাৰ, বানান আৰু ব্যাকৰণৰ শুদ্ধ প্ৰয়োগৰ প্ৰতি বিশেষ দৃষ্টি ৰাখিছে।

শেহতীয়াভাৱে চৰ্চালৈ অহা আন এটা গোট হ'ল 'অৰ্দ্ধ আকাশ'। কেৱল নাৰীৰ বাবে নিৰ্মিত এই গোটটোৱে বহুতো নাৰীৰ সুপ্ত প্ৰতিভাক বিকশিত কৰাৰ সুযোগ প্ৰদান কৰিছে। এই গোটতেই বিভিন্ন ধৰণৰ সাহিত্য সৃষ্টি কৰি জনপ্ৰিয়তা অৰ্জন কৰা এই গোটৰ কেইবাগৰাকীও লেখিকাৰ গ্ৰন্থ কিতাপ আকাৰেও ছপা হৈছে আৰু অন্যান্য পাঠকেও আদৰি লৈছে। সাহিত্যৰ আন এক শিতান পত্ৰ লেখনক জনপ্ৰিয় কৰিছে 'চিঠি' নামৰ গোটটোৱে। ব্লগসমূহেও ফেচবুকত নিজ নিজ অনুভৱ, গল্প, কবিতা আদি বিভিন্ন দিশক লিপিবদ্ধ কৰি ৰখাৰ এটা মাধ্যম হিচাপে ঠিয় দিছে।

ইণ্টাৰনেট আৰু ইয়াৰ সামাজিক মাধ্যমসমূহে সাহিত্য সৃষ্টিৰে অসমীয়া ভাষালৈ অৰিহণা যোগোৱাৰ লগতে ভাষিক ক্ষেত্ৰত বেছিকৈ প্ৰভাৱ পেলাইছে শব্দ সম্ভাৰৰ জৰিয়তে। অসমীয়া শব্দ সম্ভাৰত ইণ্টাৰনেট আৰু সামাজিক মাধ্যম সম্পৰ্কীয় ইংৰাজী ভাষাৰ বহুতো শব্দই স্থান লাভ কৰিছে। এই শব্দবোৰৰ অধিকাংশ শব্দকে ইংৰাজীৰ পৰা অসমীয়াত

লিপ্যন্তৰ কৰি ব্যৱহাৰ কৰা হয়। যেনে— প্ৰ'ফাইল, আপল'ড, ইম'জি, ডাউনল'ড, টুইট, শ্বেয়াৰ, প'ষ্ট, চাব্চক্ৰাইব, ৱেবপেজ, লগ ইন, লগ আউট, ক্লিক, চফট্‌ৱেৰ, ব্লগ, ব্লগাৰ, ব্ৰাউজাৰ, হটস্পট, ষ্ট্ৰিমিং, অনলাইন, অফলাইন, প'ৰ্টেল, চাৰ্ফিং, ৱাই-ফাই, টেগ, ষ্টেটাচ, টাইম লাইন, ৱেবচাইট, ভাইৰেল, ট্ৰ'ল, ইত্যাদি। উল্লেখযোগ্য যে এনেধৰণৰ শব্দবোৰৰ কিছুমান শব্দৰ অসমীয়া প্ৰতিশব্দ নিৰূপণ কৰা হৈছে যদিও এই শব্দসমূহৰ ইংৰাজী ৰূপটোৱেই অধিক জনপ্ৰিয়।

এনেদৰে সামাজিক মাধ্যমত অসমীয়া ভাষাই জনপ্ৰিয়তা লাভ কৰা দেখা যায়। ফেচবুকৰ মজিয়াখন সকলোৰে বাবে এক মুকলি মঞ্চ। এই মঞ্চ ন ন লেখকসকলৰ বাবে অনুশীলনৰ থলী। ফেচবুকত কোনো এটা লেখা প'ষ্ট কৰাৰ লগে লগে লেখকজনৰ বন্ধু তালিকাত থকাসকলে মুহূৰ্ততে এই লেখা পঢ়িবলৈ পায় আৰু মন্তব্যৰ জৰিয়তে ভাল বেয়া, ভুল ত্ৰুটিবোৰ উল্লেখ কৰাৰ সুবিধাও লাভ কৰে। এনেদৰে এজন ন-লিখকে লিখাৰ অনুপ্ৰেৰণা তথা লিখনিৰ মাজৰ আঁসোৱাহবোৰ জানিব পাৰে।

ফেচবুক, টুইটাৰত অসমীয়া ভাষাই স্থান লাভ কৰাৰ পৰা নতুন চামটোৰ মাজত অসমীয়া লিপিত মনৰ ভাৱ লিখাৰ ক্ষেত্ৰত এক সুকীয়া উৎসাহ দেখা গৈছে। নতুন লিখক, নতুন পাঠক আৰু নতুন ধাৰণাৰ বিভিন্ন সমল এই মাধ্যমসমূহে সৃষ্টি কৰিলে।

সামাজিক মাধ্যসমূহৰ জনপ্ৰিয়তা বৃদ্ধিৰ অন্যতম কাৰক হ'ল স্থানীয় ভাষাক এই মাধ্যমসমূহত ব্যৱহাৰ কৰিব পৰাৰ স্বাধীনতা। কেৱল ইংৰাজী ভাষাতহে যদি এই মাধ্যম ব্যৱহাৰ কৰিব পৰা গ'লহেঁতেন, তেতিয়া হয়তো এনে জনপ্ৰিয়তা লাভ কৰিব নোৱাৰিলেহেঁতেন। তথাপিও এই মাধ্যমসমূহে ভাষাত ঋণাত্মক প্ৰভাৱো নেপেলোৱাকৈ থকা নাই। এই মাধ্যমসমূহত জধে মধে অসমীয়া ভাষা ব্যৱহাৰ কৰাৰ ফলস্বৰূপে ভাষালৈ অশনি সংকেত অহা বুলিও প্ৰায়ে অভিযোগ শুনা যায়। নতুনকৈ ব্যৱহাৰ কৰিবলৈ শিকাসকলে বা কী ব'ৰ্ডৰ সঠিক প্ৰয়োগ নজনাসকলে বা ভাষাৰ জ্ঞান নথকাসকলেও ভুলে শুদ্ধই ফেচবুক আদিত বিভিন্ন মনোভাৱ দাঙি ধৰে। যিটোৱে ভাষাৰ শুদ্ধ প্ৰয়োগৰ ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলায়। আকৌ কেতিয়াবা দেখা যায় যে অতি নিম্ন মানদণ্ডৰ ভাষা ব্যৱহাৰ কৰি লিখা গল্প, কবিতা আদিয়েও যথেষ্ট জনপ্ৰিয়তা লাভ অথবা বিতৰ্কৰ সৃষ্টি কৰে। সেইবাবে সামাজিক মাধ্যমৰ জৰিয়তে কৰা সাহিত্য চৰ্চাৰ গুণগত মানদণ্ডৰ ওপৰতো ধ্যান দিয়াৰ প্ৰয়োজন আছে। যি কি নহওক, এনেবোৰ ত্ৰুটিক যদি আওকাণ কৰা হয়, সামাজিক মাধ্যমসমূহে অসমীয়া ভাষাটোক নতুনকৈ জীপাল কৰাৰ ক্ষেত্ৰত এক সুন্দৰ সুযোগ প্ৰদান কৰা বুলি ক'ব পাৰি। কাৰণ এনেবোৰ মাধ্যমেই অসমীয়া লিখি বা কৈ বেয়া পোৱা এচামকো অসমীয়া লিখিবলৈ উদ্বুদ্ধ কৰিছে। ই নিসন্দেহে ভাষাটোৰ পক্ষে এক অত্যন্ত যোগাত্মক দিশ।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

সামাজিক মাধ্যমে অসমীয়া ভাষাৰ প্ৰসাৰত সহায় কৰিছে বুলি ভাবা নে? (৫০ টা শব্দৰ ভিতৰত আলোচনা কৰা)

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

## ৩.৪ সাৰাংশ (Summing Up) ঃ

বৰ্তমান সময়ত ফেচবুক বা অন্যান্য সামাজিক মাধ্যমসমূহ কেৱল যোগাযোগৰ মাধ্যম হিচাপেই সীমাবদ্ধ হৈ থকা নাই। এই মাধ্যমসমূহ বৰ্তমান ভাষা সাহিত্য চৰ্চাৰো অন্যতম জনপ্ৰিয় মাধ্যম। এই পাঠ্য গোটটোৱে সামাজিক মাধ্যমসমূহৰ এক পৰিচয় দাঙি ধৰাৰ লগতে সামাজিক মাধ্যমত অসমীয়া ভাষাৰ প্ৰয়োগ সম্পৰ্কেও এক চমু আলোচনা আগবঢ়াইছে। ইন্টাৰনেট, ফেচবুক আদিয়ে অসমীয়া ভাষাক বৈদ্যুতিন মাধ্যমত প্ৰতিষ্ঠিত হোৱাত সহায় কৰিছে। আনহাতে ভাষা ব্যৱহাৰৰ কেতবোৰ আঁসোৱাহৰ বাবে সময়ে সময়ে তীব্ৰ সমালোচনাৰো সন্মুখীন হৈছে। এনে মাধ্যমত অসমীয়া ভাষাৰ ভৱিষ্যতক লৈও প্ৰশ্ন উত্থাপিত হৈছে। বৈদ্যুতিন মাধ্যমত অসমীয়া ভাষাৰ প্ৰয়োগ এক নতুন বিষয়। অসমীয়া লিপিক ইউনিক'ডত সম্পূৰ্ণৰূপে স্থান দিয়াৰ যুঁজখন বৰ্তমানেও চলিয়েই আছে। তথাপিও সামাজিক মাধ্যমত অসমীয়া ভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰত নতুন প্ৰজন্মৰ যি অভূতপূৰ্ব সঁহাৰি দেখা গৈছে, সেই সঁহাৰিয়ে ভাষাটোৰ ভৱিষ্যতক লৈ উঠা শংকাক বহুপৰিমাণে হ্ৰাস কৰিছে। অৱশ্যে, সামাজিক মাধ্যমত ভাষাৰ প্ৰয়োগ যাতে শুদ্ধ ৰূপত হয়, তাৰ বাবে অগ্ৰজসকলে ভুল-ত্ৰুটি আঙুলিয়াই দি নতুন চামক অনুপ্ৰাণিত কৰা উচিত।

## ৩.৫ প্ৰসংগ গ্ৰন্থ (References & Suggested Readings) ঃ

Barton, David, Page, Ruth E., Unger, Johann Wolgang, Zappavigna, Michele. (2014). *Researching Language and Social Media: A Student Guide*. London: Routledge.

Preeti, Mahajan. (2009) "Use of Social Networking in a Linguistically and Culturally Rich India. *The International Information & Library Review.*

## ৩.৬ আৰ্হি প্ৰশ্ন (Model Questions) ঃ

১) সামাজিক মাধ্যমৰ সংজ্ঞা আগবঢ়াই ইয়াৰ বিকাশ সম্পৰ্কে আলোচনা কৰা।

২) সামাজিক মাধ্যমে অসমীয়া ভাষাক কিদৰে প্ৰভাৱান্বিত কৰিছে আলোচনা কৰা।

৩) সামাজিক মাধ্যমৰ কোনটো দিশে আপোনাক সকলোতকৈ আকৰ্ষণ কৰে?

৪) সামাজিক মাধ্যমত অসমীয়া ভাষাৰ ভৱিষ্যত সম্পৰ্কে তোমাৰ ধাৰণা কি?

*****

# চতুৰ্থ বিভাগ
## কম্পিউটাৰ আৰু অসমীয়া ভাষাঃ অসমীয়া মুদ্ৰণ, অসমীয়া ভাষাৰ ছুউটৱেৰৰ ব্যৱহাৰ

**বিভাগৰ গঠন ঃ**


৪.১ ভূমিকা (Introduction)
৪.২ ভাষা প্ৰযুক্তি আৰু অসমীয়া ভাষা
৪.৩ কম্পিউটাৰত অসমীয়া ছুফটৱেৰৰ ব্যৱহাৰ
৪.৪ সাৰাংশ (Summing Up)
৪.৫ প্ৰসংগ গ্ৰন্থ (References & Suggested Readings)
৪.৬ আৰ্হি প্ৰশ্ন (Model Questions)


### ৪.১ ভূমিকা (Introduction)

কম্পিউটাৰ হ'ল আধুনিক জীৱন যাত্ৰাৰ এক অত্যাৱশ্যকীয় আহিলা। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অগ্ৰগতিৰ লগে লগে মানৱ সমাজে বিভিন্ন আহিলাৰ জৰিয়তে তথ্য আহৰণ আৰু যোগাযোগৰ ক্ষেত্ৰখনত ন ন ধাৰণা আৰু ব্যৱস্থাক আদৰি লৈছে। এই ক্ষেত্ৰত কম্পিউটাৰ হ'ল এক উল্লেখযোগ্য আধাৰ। কম্পিউটাৰক অসমীয়াত পৰিকলন যন্ত্ৰ বুলি কোৱা হয়। লেটিন ভাষাৰ 'কম্পিউট' (অৰ্থাৎ গণনা) শব্দৰ পৰা ইংৰাজী ভাষাৰ কম্পিউটাৰ শব্দটো আহিছে। বৰ্তমান যুগত কম্পিউটাৰ কেৱল গণনা কৰাৰ আহিলাই নহয়, মানৱ জীৱনৰ প্ৰায়বোৰ ক্ষেত্ৰতে এতিয়া কম্পিউটাৰৰ বহুল প্ৰয়োগ হোৱা পৰিলক্ষিত হয়। সময়ৰ লগে লগে ইয়াৰ কাৰ্যৰ পৰিসৰো বৃদ্ধি হৈ আহিছে। হিচাপ-নিকাচ, যান-বাহন নিয়ন্ত্ৰণ, তথ্য সংগ্ৰহ, কল-কাৰখানাৰ কাৰ্য সম্পাদন ইত্যাদিৰ লগতে বাৰ্তা প্ৰেৰণ, মুদ্ৰণ, ছপাকৰণ ইত্যাদি প্ৰায় আটাইবোৰ গুৰুত্বপূৰ্ণ কাম কম্পিউটাৰৰ দ্বাৰা সম্পাদন কৰিব পাৰি।

সময়ৰ লগে লগে লিখিত ভাষা প্ৰকাশৰ মাধ্যমতো অভূতপূৰ্ব পৰিবৰ্তন আহিছে। শিলালিপি, তাম্ৰলিপি, সাঁচিপাতৰ পৰা কাগজত লিখালৈকে আৰু তাৰ পৰৱৰ্তী সময়ত টাইপৰাইটাৰ আগমনলৈকে যি ধাৰা অব্যাহত আছিল সেই ধাৰাক কম্পিউটাৰ তথা ইলেকট্ৰনিক মাধ্যমে এক নতুন মাত্ৰা প্ৰদান কৰিলে।

## ৪.২ ভাষা প্ৰযুক্তি আৰু অসমীয়া ভাষা

সৰ্বসাধাৰণে ব্যৱহাৰ কৰা ভাষাক কম্পিউটাৰ বা তেনেধৰণৰ যন্ত্ৰ-পাতি বিলাকৰ বোধগম্য কৰিবৰ বাবে যেনেধৰণৰ কাৰিকৰী ব্যৱস্থা ব্যৱহাৰ কৰা হয় তাকে ভাষা প্ৰযুক্তি বুলিব পাৰি। তথ্য আৰু প্ৰযুক্তিৰ জগতখনত বহুলভাৱে ব্যৱহৃত ভাষাটো হ'ল ইংৰাজী ভাষা। কিন্তু যোৱা কেইদশকমান ধৰি কম্পিউটাৰত আন আন ভাষা ব্যৱহাৰ কৰাৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছে। স্থানীয় আন ভাষাৰ ব্যৱহাৰে প্ৰযুক্তিৰ সুবিধাসমূহ সৰ্বসাধাৰণৰ বাবে সহজে উপলব্ধ হ'ব আৰু ইংৰাজী ভাষা ভালদৰে নজনাসকলে এই সুবিধাসমূহ গ্ৰহণ কৰিব পাৰিব বুলি কম্পিউটাৰত স্থানীয় ভাষাৰ ব্যৱহাৰত গুৰুত্ব দিয়া হৈছে। এনে দিশসমূহৰ কথা চিন্তা কৰিয়েই আশী দশকৰ শেষৰ ফালৰ পৰা কম্পিউটাৰত স্থানীয় ভাষাৰ ব্যৱহাৰ উদ্যোগ লোৱা হয়।

অসমীয়া ভাষাৰ ব্যৱহাৰ ভাষা প্ৰযুক্তিৰ ক্ষেত্ৰখনত একেবাৰে চালুকীয়া অৱস্থাতে আছে। ইণ্টাৰনেটত অসমীয়া ভাষাত প্ৰাপ্ত তথ্যৰ পৰিমাণ অতি কম। বৰ্তমান অধিকসংখ্যক লোকে কম্পিউটাৰ আৰু ইণ্টাৰনেটত অসমীয়া ভাষা ব্যৱহাৰ কৰাত অধিক আগ্ৰহী হৈ উঠিছে যদিও ইউনিক'ডত অসমীয়া ভাষাই সম্পূৰ্ণৰূপে স্বীকৃতি লাভ কৰা নাই বাবে কাৰিকৰী দিশত অসমীয়া ভাষাৰ ব্যৱহাৰ অন্য ভাষাৰ তুলনাত বহুত পিছ পৰি থকা দেখা গৈছে। এতিয়াও গুগল, ইণ্টাৰনেট এক্সপ্ল'ৰাৰ আদি অনুসন্ধানমূলক যন্ত্ৰ (Search Engine)ত অসমীয়া ভাষা নিৰ্বাচন কৰিব পৰাকৈ বিকল্প গঢ় লৈ উঠা নাই। ইউনিক'ডত অসমীয়া ভাষাৰ স্বীকৃতি লাভৰ যুঁজখন এতিয়াও চলি আছে। কিন্তু অধিকসংখ্যক লোকেই ইউনিক'ডৰ বিষয়ে এতিয়াও অৱগত নহয়। এনে সন্ধিক্ষণতো কম্পিউটাৰত অসমীয়া ভাষাত টাইপিং আৰু প্ৰিণ্টিং চলি আছে আৰু বিভিন্ন গ্ৰন্থ প্ৰকাশিত হৈ আছে। ইয়াৰ লগতে ম'বাইল আৰু কম্পিউটাৰত সমানেই অসমীয়া ভাষা লিখনৰ উদ্দেশ্যে অনেক ছফটৱেৰৰ বিকাশ হৈ আছে।

পোন প্ৰথমে মুদ্ৰণ পদ্ধতিৰ আৱিষ্কাৰ হৈছিল চীন দেশত। কাঠত কাটি লোৱা আখৰৰ সাঁচবোৰতত চিয়াঁহি সানি কাগজত ছাপ মৰা পদ্ধতিটো চীনৰ বৌদ্ধ সন্যাসীসকলে আৱিষ্কাৰ কৰিছিল। পিছলৈ ইউৰোপত কাঠ বা ধাতুৰ পাতত আখৰ খোদিত কৰি মুদ্ৰণ ব্যৱস্থাৰ বিকাশ ঘটোৱা হৈছিল যদিও এই ব্যৱস্থাৰ দ্বাৰা কেৱল নিৰ্দিষ্ট কিতাপৰ বাহিৰে অন্য একো ছপাব পৰা নগৈছিল। কাগজ আৱিষ্কাৰৰ পিছতে জন গুটেনবাৰ্গে ছপাশাল আৱিষ্কাৰ কৰাৰ লগে লগে মুদ্ৰণ জগতলৈ বৈপ্লৱিক পৰিৱৰ্তন আহিল। জন গুটেনবাৰ্গে তেওঁৰ ছপাশালৰ যোগেদি পোন প্ৰথম বাৰৰ বাবে ১২৮২ পৃষ্ঠাৰ বাইবেল ছপা কৰি উলিয়ায়। জাৰ্মানীৰ পিছতে ক্ৰমে ইটালি আৰু ফ্ৰান্সত ছপাশাল স্থাপন হয়। ভাৰতত প্ৰথমে ১৯৫৬ চনত পৰ্তুগীজসকলে গোৱাত ছপাশালৰ কাম আৰম্ভ কৰে। অসমত খ্ৰীষ্টান মিছনেৰীসকলৰ প্ৰচেষ্টাত প্ৰথম ছপাশাল প্ৰতিষ্ঠা হয়। এই ছপাশালৰ পৰা ১৮১৩ চনত প্ৰথমখন ছপা কিতাপ আত্মাৰাম শৰ্মাৰ ধৰ্মপুস্তক প্ৰকাশিত হয়।

ছপাযন্ত্ৰৰ আৱিষ্কাৰে মুদ্ৰণ জগতলৈ অভূতপূৰ্ব পৰিৱৰ্তন অনাৰ লগে লগে ছপাযন্ত্ৰৰ বিকাশ ঘটি এদিন লেটাৰ প্ৰেছৰ ৰূপ ল'লে। লেটাৰ প্ৰেছৰ সমান্তৰালভাৱে লিথোগ্ৰাফি পদ্ধতিৰো উদ্ভাৱন হয়। পৰ্যায় ক্ৰমে লিথোগ্ৰাফি পদ্ধতিৰো পৰিৱৰ্তন হৈ অফছেট প্ৰেছৰ সৃষ্টি হ'ল। অফছেট প্ৰেছত ছপা হোৱা গ্ৰন্থবোৰ উন্নত মানৰ আৰু আকৰ্ষণীয়। কম্পিউটাৰৰ ব্যাপক প্ৰয়োগৰ লগে লগে মুদ্ৰণৰ জগতখনত অফছেট প্ৰিন্টিঙৰ সমান্তৰালভাৱে ডিজিটেল প্ৰিন্টিং বা কম্পিউটাৰ প্ৰিন্টিঙৰ চাহিদাও বৃদ্ধি পাইছে। ডিজিটেল প্ৰিন্টিং বা কম্পিউটাৰ প্ৰিন্টিং পদ্ধতিত ডিজিটেল বা ইলেক্ট্ৰনিক ফাইলসমূহ কম্পিউটাৰ বা অন্য কোনো বৈদ্যুতিন সঁজুলিৰ দ্বাৰা মুদ্ৰণ কৰা হয়। কম্পিউটাৰ মুদ্ৰণৰ লগত আন পৰম্পৰাগত মুদ্ৰণ ব্যৱস্থাৰ মূল পাৰ্থক্য হ'ল- কম্পিউটাৰ মুদ্ৰণত মুদ্ৰণত ব্যৱহাৰ কৰা প্লেট বা পাটসমূহ সলনি কৰিব লগা নহয়। সেইবাবে এই ব্যৱস্থা খৰতকীয়া আৰু কম খৰচী।

## ৪.৩ কম্পিউটাৰত অসমীয়া ছফটৱেৰৰ ব্যৱহাৰ ঃ

যিসমূহ নিৰ্দেশনাৰ জৰিয়তে কম্পিউটাৰৰ কামসমূহ সমাধান হয়, তেনে নীতি নিৰ্দেশনাসমূহকে ছফটৱেৰ বুলি কোৱা হয়। অৰ্থাৎ কম্পিউটাৰ ছফটৱেৰ হ'ল কম্পিউটাৰক নিৰ্দেশ দিব পৰা কেতবোৰ প্ৰগ্ৰেমৰ সংগ্ৰহ। কম্পিউটাৰ ছফটৱেৰ প্ৰধানঃ তিনি প্ৰকাৰৰ— ছিষ্টেম ছফটৱেৰ, প্ৰগ্ৰামিং ছফটৱেৰ আৰু এপ্লিকেশ্বন ছফটৱেৰ। এই ছফটৱেৰসমূহে কম্পিউটাৰৰ মাধ্যমত সকলো প্ৰকাৰৰ কাম সম্পাদন কৰাত সহায় কৰে।

কম্পিউটাৰত অসমীয়া ভাষাৰ ব্যৱহাৰ বহু পুৰণি কথা নহয় আৰু অসমীয়া ভাষাক কম্পিউটাৰ মাধ্যমত ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত এতিয়াও যথেষ্ট পৰীক্ষা-নিৰীক্ষা আৰু বাক বিতণ্ডা চলি আছে। অসমীয়া ভাষা কম্পিউটাৰত ব্যৱহাৰ কৰিবলৈ বিভিন্ন ছফ্টৱেৰ উদ্ভাৱন হৈছে আৰু বৰ্তমানেও এনে বহু ছফটৱেৰৰ ব্যৱহাৰ হৈ আছে। ৰামধেনু, লিপ অফিচ, Sree Lipi আদি এনে ছফটৱেৰ বা লিখন সঁজুলি আৰু Geetanjalilight, Assamese (Sankar) Vrinda আদি অসমীয়া ফণ্ট।

কম্পিউটাৰত অসমীয়া লিখন পৰম্পৰাৰ ক্ষেত্ৰত এক অনবদ্য সংযোজন হ'ল 'ৰামধেনু' ছফটৱেৰ। এই ছফটৱেৰৰ উদ্ভাৱকজনৰ নাম ত্ৰিদীপ কুমাৰ বৰুৱা। ৰামধেনু ছফটৱেৰে অসমীয়া লিখন পৰম্পৰাক কলমৰ দ্বাৰা হাতেৰে লিখিব পৰাৰ পৰা কী ব'ৰ্ডৰ দ্বাৰা কম্পিউটাৰ স্ক্ৰীণত লিখালৈ উত্তৰণ ঘটালে। এই ছফ্ট্ৱেৰৰ সহায়তে বৰ্তমানলৈকে অধিকাংশ গ্ৰন্থই মুদ্ৰিত ৰূপ লাভ কৰিবলৈ সক্ষম হৈছে। ৰামধেনুত অসমীয়া বৰ্ণমালাৰ প্ৰতিটো আখৰ আৰু যুক্তাক্ষৰ আসোঁৱাহ নৰখাকৈ টাইপ কৰিব পাৰি। অন্যান্য প্ৰায়বোৰ ছফটৱেৰত এইক্ষেত্ৰত কিছু অসুবিধাৰ সন্মুখীন হোৱা পৰিলক্ষিত হয়। অসমীয়া লিখন পৰম্পৰালৈ বৈপ্লৱিক পৰিৱৰ্তন অনা ছফটৱেৰ ৰামধেনুৱে অসমীয়া মুদ্ৰণ বা ডেস্কটপ পাব্লিছিঙৰ ক্ষেত্ৰখনত এক নতুন যুগৰ সূচনা কৰিলে।

শ্ৰীলিপি, লিপ অফিচ, ৰামধেনুৰ দৰে ছফটৱেৰসমূহৰ কেতবোৰ সীমাবদ্ধতা আছিল। এই ছফট্ৱেৰত থকা ফণ্ট ব্যৱহাৰ কৰি লিখা আখৰসমূহ সকলো ইলেকট্ৰনিক সৰঞ্জাম বা অপাৰেটিং ছিষ্টেমত দেখা নাযায়। এই ছফট্ৱেৰ থাকিলেহে আখৰসমূহ দেখা যায়। সেইবাবে এনে এটা পদ্ধতিৰ প্ৰয়োজনীয়তা আহি পৰিল, যিটোৰ সহায়ত প্ৰায় সকলো ভাষাৰ লিপি যিকোনো ইলেকট্ৰনিক সৰঞ্জাম তথা অপাৰেটিং চিষ্টেমত দেখা বা ব্যৱহাৰ কৰিব পৰা যায়। এনে উদ্দেশ্য আগত ৰাখিয়ে ১৯৮৭ চনত 'ইউনিক'ড কনছ'ৰ্টিয়াম' (Unicode Consortium) গঠিত হৈছিল। ইউনিক'ড কনছ'ৰ্টিয়াম এটা বে-চৰকাৰী সংস্থা, যি সংস্থাই সমগ্ৰ বিশ্বৰ বাবে ভাষা লিখাৰ এটা উমৈহতীয়া ছফটৱেৰ প্ৰস্তুত কৰাৰ কাম আৰম্ভ কৰিছিল। বিভিন্ন ভাষাৰ আখৰবোৰ কম্পিউটাৰত ব্যৱহাৰ কৰিবৰ বাবে এই সংস্থাই Universal Charcter Set (UCS) গঢ়ি তুলিছে। এই ব্যৱস্থাত প্ৰতিটো আখৰৰ বিপৰীতে একোটা কোড (code) বা সাংকেতিক চিহ্ন নিৰূপণ কৰা হয়। এনে কোড ব্যৱহাৰ কৰি লিখিলে বিশ্বৰ সকলো কম্পিউটাৰতে আখৰবোৰ দেখা পোৱা যায়। বৰ্তমান এটা ভাষাৰ আখৰসমূহক কম্পিউটাৰত ব্যৱহাৰ কৰিবলৈ ইউনিক'ডে মান্যতা প্ৰদান কৰে। ডিজিটেল মাধ্যমত ভাষা এটাক প্ৰতিষ্ঠা কৰিবলৈ ইউনিক'ডৰ স্বীকৃতি বৰ্তমান সময়ত অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছে। এই পদ্ধতিক বিশ্বৰ সকলো দেশে গ্ৰহণ কৰিছে আৰু মাইক্ৰ'চফ্ট (microsoft), গুগল (gogle), য়াহু (yahoo), এপল (appolo) আদি প্ৰযুক্তি প্ৰতিষ্ঠানসমূহে তেওঁলোকৰ আহিলা আৰু ব্যৱস্থাসমূহত ইউনিক'ড ব্যৱহাৰ কৰিছে।

কম্পিউটাৰ, ম'বাইল আৰু আন বহুতো ছফটৱেৰ নিৰ্মাণকাৰী কোম্পানীয়ে ইউনিক'ড ব্যৱস্থাক আদৰি লোৱাৰ লগে লগে ম'বাইল, কম্পিউটাৰ আদিত ইউনিক'ড লিখিব পৰা সঁজুলিৰ প্ৰয়োজনীয়তা আহি পৰিল। অসমীয়া ভাষাৰ মুঠ বৰ্ণ ৫২ টা- অ, আ, ই, ঈ, উ, ঊ, ঋ, এ, ঐ, ও, ঔ, ক, খ, গ, ঘ, ঙ, চ, ছ, জ, ঝ, ঞ, ট, ঠ, ড, ঢ, ণ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, য, ৰ, ল, ৱ, শ, স, ষ, হ, ক্ষ, ড়, ঢ়, য়, ৎ, ং, ঃ, আৰু বহু সংখ্যক যুক্তাক্ষৰ আছে। এই সকলোবোৰ কম্পিউটাৰত লিখাৰ বাবে কম্পিউটাৰ কি-ব'ৰ্ডত থকা ২৬ টা ইংৰাজী বৰ্ণ আৰু আন চিহ্নসমূহৰ সহায় ল'ব লগা হয়। সেইবাবে এনে এটা সঁজুলি বা ছফটৱেৰ নিৰ্মাণ কৰিবলগীয়া হয়, যিটোৱে কম্পিউটাৰত ইয়াৰ নিৰ্দ্ধাৰিত নিয়ম অনুসৰি অসমীয়া ভাষাটো লিখিব পাৰে। এনেদৰে নিৰ্মাণ কৰা কেইটামান উল্লেখযোগ্য অসমীয়া ছফটৱেৰ হ'ল— উৎপল ফুকনৰ 'জাহ্নৱী কী-বৰ্ড', মৃদুল কুমাৰ শৰ্মাৰ 'লাচিত কী-বৰ্ড', 'ভাষা প্ৰযুক্তি বিকাশ পৰিষদ, অসম'ৰ 'ৰ'দালী কী-বৰ্ড', 'শব্দ.অৰ্গ'ৰ 'শব্দ কী-ৰ্ড' Omicronlab ৰ দ্বাৰা বিকশিত অভ্ৰ, লিপিকাৰ, বৰহ (www.baraha.com) শব্দলিপি ইউনিক'ড, মাইক্ৰ'ছফ্ট ইণ্ডিক ইনপুট, লুইতপেড ইত্যাদি।

কিছুমান অসমীয়া ছফটৱেৰত অসমীয়া কথন পদ্ধতি বা উচ্চাৰণ (phonetic) অনুসৰি কম্পিউটাৰৰ কী-ব'ৰ্ডৰ কীবোৰৰ অসমীয়া লিখিব পাৰি। উদাহৰণ স্বৰূপে, k= ক,

kh=খ, g=গ, gh=ঘ ইত্যাদি। আৰু আন কিছুমান কী-ব'ৰ্ড হৈছে ইনস্ক্রিপ্ট কী-ব'ৰ্ড, অৰ্থাৎ সকলো ভাষাৰ বাবে উমৈহতীয়াকৈ সজাই থোৱা কী সম্বলিত কী-ব'ৰ্ড। ফ'নেটিক কী-ব'ৰ্ড সাধাৰণ ব্যৱহাৰকাৰীৰ বাবে সহজ। কিন্তু ইনস্ক্রিপ্ট কী-ব'ৰ্ড ব্যৱহাৰৰ বাবে বিশেষ অনুশীলনৰ প্ৰয়োজন হয়। কম্পিটাৰত অসমীয়া লিখিবৰ বাবে আন এটা প্ৰয়োজনীয় উপকৰণ হ'ল- ফন্টসমূহ। উল্লেখযোগ্য যে সম্পূৰ্ণ অসমীয়া ইউনিক'ড ফন্ট এতিয়াও গঢ় লৈ উঠা নাই। বৰ্তমান ব্যৱহাৰ কৰি থকা ইউনিক'ড ফন্টসমূহ বাংলা ফন্টৰ প্ৰভাৱৰ পৰা মুক্ত নহয়। 'ক্ষ' অসমীয়া ভাষাত এটা বৰ্ণ। কিন্তু ইউনিক'ডত 'ক্ষ' হ'ল 'ক' আৰু 'ষ'-ৰ যুক্তাক্ষৰ। কম্পিউটাৰত অসমীয়া লিখিবলৈ ব্যৱহাৰ কৰা বৃন্দা, বিদিশা, সোণাৰ বাংলা, আদৰ্শ ৰত্নে ইত্যাদি ফন্টসমূহ বাংলা ফন্ট। বাংলাৰ প্ৰভাৱৰ পৰা মুক্ত সুকীয়া মৰ্যাদাসম্পন্ন অসমীয়া ফন্টৰ ব্যৱহাৰ হোৱাটো সাম্প্ৰতিক সময়ত এক গুৰুত্বপূৰ্ণ বিচাৰ্য বিষয়। বৰ্তমান অসমীয়া লিপিয়ে ইউনিক'ডত 'বাংলা-অসমীয়া লিপি' হিচাপেহে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। সুকীয়া মৰ্যাদাৰে অসমীয়া লিপি হিচাপে স্বীকৃতি লাভ কৰিলেহে কম্পিউটাৰৰ পৃথিৱীখনত অসমীয়া ভাষাইও নিজস্ব স্থিতি লাভ কৰিব। সেইবাবে ইউনিক'ডত অসমীয়া লিপিক স্বকীয় মৰ্যাদাৰে প্ৰতিষ্ঠা কৰাৰ বাবে যাৱতীয় সকলোখিনি প্ৰচেষ্টা অব্যাহত ৰখা উচিত আৰু যিমান দূৰ সম্ভৱ কম্পিউটাৰত অসমীয়া লিপিত লিখাৰ অভ্যাস কৰা উচিত।

**জানি থওঁ আহক**

ইউনিক'ডৰ যোগেদি অসমীয়া লিখিবলৈ লোৱাৰ পূৰ্বে ৰামধেনু আৰু লিপ অফিচ ছফটৱেৰৰ যোগেদি অসমীয়া লিপিক কম্পিউটাৰ স্ক্ৰীনলৈ নিয়া হৈছিল। ইউনিক'ডৰ বিকাশ সাধন কৰাৰ পিছতহে আন আন ছফটৱেৰবোৰৰ দ্বাৰা অসমীয়া লিখিবলৈ আৰম্ভ কৰা হ'ল।

কেৱল অসমীয়া লিপি লিখিবৰ বাবেই অসমীয়া ছফটৱেৰ নিৰ্মাণ হোৱা নাই। কম্পিউটাৰত অসমীয়া ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত অসমীয়া ছফটৱেৰ অভিধানসমূহো সমানেই গুৰুত্বপূৰ্ণ। ২০১০ চনত অসমীয়া ভাষাৰ প্ৰথমখন ছফটৱেৰ অভিধান প্ৰকাশ পাইছিল। 'অসমীয়া ছফটৱেৰ অভিধান' নামৰ এই অভিধানখনৰ ব্যৱস্থাপকজনৰ নাম অনিল বৰুৱা। এই অভিধানখনত শব্দ আৰু অৰ্থৰ লগতে ফকৰা-যোজনা, সততে হোৱা ভুল শুদ্ধ ৰূপৰ তালিকা আদি দিশবোৰতো গুৰুত্ব দিয়া হৈছে। তালিকাখনত অন্তৰ্ভুক্ত হোৱা মুঠ শব্দৰ সংখ্যা হৈছে ৭০,৫২০টা। এই অভিধানখনৰ বিষয়ে অনিল বৰুৱাই কৈছে—

*বৰ্তমান দ্ৰুত কাৰিকৰী যুগত লেখক লেখিকাই ব্যৱহাৰ কৰা জটিল শব্দ একোটাৰ বাবে মুদ্ৰিত অভিধানবোৰৰ দৰে বৃহৎ কলেৱৰৰ পুথিৰ সহায় লোৱাতো বহুতৰে বাবে*

*সম্ভৱপৰ হৈ নুঠেগৈ। এইখিনিতে কম্পিউটাৰত উপলব্ধ হোৱাকৈ অসমীয়া ভাষাৰ এখন অভিধানৰ প্ৰয়োজনীয়তা আহি পৰে। যাতে তথ্য-প্ৰযুক্তি নিৰ্ভৰ বৰ্তমান প্ৰজন্ম ছাত্ৰ-ছাত্ৰী তথা চৰকাৰী বিষয়া কৰ্মচাৰীসকলৰ লগতে অসমীয়া লেখক, সাহিত্যিক, কবি তথা ছপাশালৰ কৰ্মচাৰী সকলেও আধুনিক অসমীয়া মুদ্ৰণ পদ্ধতিত সঘনাই দেখা দিয়া আখৰ জোটনি বিভ্ৰাটৰ বিপৰীতে ভাষাটোৰ শুদ্ধ তথা দ্ৰুত কাৰিকৰী ব্যৱহাৰৰ দিশত এক সুফল পায়।* (user manual ব্যৱহাৰকৰোঁতাৰ হাতপুথি)

ইয়াৰ পিছত ২০১২ চনত দুৰ্লভ গগৈৰ 'সহজ সন্ধান অসমীয়া অভিধান' নামৰ আন এখন ছফটৱেৰ অভিধান প্ৰকাশ পায়। এই অভিধানত প্ৰায় ৬৫,২৮৫ টা শব্দৰ প্ৰবিষ্টি পোৱা যায়। শব্দবোৰৰ অসমীয়া অৰ্থৰ লগতে এই অভিধানখনত ইংৰাজী অৰ্থও দিয়া হৈছে। লগতে ব্যাকৰণৰ কিছুমান উল্লেখযোগ্য নিয়ম, বিভ্ৰান্তিৰ সৃষ্টি কৰা কিছুমান শব্দৰ উচ্চাৰণৰ নিৰ্দেশ, কেতবোৰ শব্দৰ বিপৰীত অৰ্থ ইত্যাদিও সন্নিবিষ্ট কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

অসমীয়া ছফটৱেৰসমূহে অসমীয়া ভাষাক কম্পিউটাৰ তথা অন্যান্য ডিজিটেল মাধ্যমত আগুৱাই নিয়াত সহায় কৰিছে বুলি ভাবে নে? (৫০ টা শব্দৰ ভিতৰত আলোচনা কৰক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ৪.৪ সাৰাংশ (Summing Up)

বৰ্তমান কম্পিউটাৰ আৰু কম্পিউটাৰৰ সেৱাসমূহত আঞ্চলিক ভাষাই যথেষ্ট গুৰুত্ব লাভ কৰিছে। ইয়াৰ ভিতৰত শেহতীয়াকৈ অসমীয়া ভাষাৰো ব্যৱহাৰ হোৱা দেখা গৈছে। কিন্তু তৎস্বত্তেও অসমীয়া ভাষাই আন আন ভাষাৰ দৰে কম্পিউটাৰৰ জগতখনত খোপনি পুতিব পৰা নাই। বিভিন্ন ছফটৱেৰৰ নিৰ্মাণ হৈছে যদিও আন্তৰ্জাতিকভাৱে স্বীকৃতি পাবৰ বাবে প্ৰয়োজনীয় ইউনিক'ড ব্যৱস্থাত অসমীয়া ভাষা এতিয়াও এলাগী হৈয়ে আছে। অসমীয়া লিপি বাংলা লিপিৰেই এটা উপ-লিপি হিচাপে ধৰি লৈ কেতবোৰ কাৰিকৰী অসুবিধা দৰ্শাই অসমীয়া লিপিক এতিয়াও বাংলা লিপিৰ লগতে সাঙুৰি ৰাখিছে। কিন্তু এই কথা স্বীকাৰ্য যে ইউনিক'ডৰ মৰ্যাদা পোৱালৈ ৰৈ নাথাকি অসমীয়া ভাষাক ডিজিটেল মাধ্যমত প্ৰতিষ্ঠা কৰিবৰ বাবে এচাম সচেতন ব্যক্তিয়ে অহৰহ চেষ্টা চলাই আছে। এই চেষ্টাৰ ফলস্বৰূপে আমি অসমীয়া লিপিত কম্পিউটাৰত লিখিব পাৰিছো, বাতৰি কাকত, কিতাপ আলোচনীক কম্পিউটাৰত পঢ়িব পাৰিছো। অসমীয়া

ভাষাক যাতে সমগ্ৰ বিশ্বৰ লোকে কম্পিউটাৰত ব্যৱহাৰ কৰিব পাৰে তাৰ বাবে ইউনিক'ডে অসমীয়া ভাষাক সুকীয়া স্বীকৃতি নিদিয়া পৰ্যন্ত আন্দোলন অব্যাহত ৰাখিব লাগিব।

## ৪.৫ প্ৰসংগ গ্ৰন্থ (References & Suggested Readings)


"user manual ব্যৱহাৰকৰোঁতাৰ হাতপুথি।" গুৱাহাটী ঃ অসমীয়া ছফটৱেৰ প্ৰকল্প, মাৰ্চ ২০১১ । মুদ্ৰিত।

www.xahitya.org

http://as.vikaspedia.in/education

www.sldtassam.com


## ৪.৬ আৰ্হি প্ৰশ্ন (Model Questions)

১) কম্পিউটাৰত অসমীয়া ভাষা লিখিবৰ বাবে ব্যৱহাৰ হোৱা কেইটামান ছফটৱেৰৰ নাম লিখক। এই ছফটৱেৰসমূহে অসমীয়া লিখন প্ৰণালীলৈ কেনেধৰণৰ পৰিৱৰ্তন আনিলে আলোচনা কৰক।

২) ইউনিক'ডৰ বিষয়ে এক চমু পৰ্যালোচনা আগবঢ়াৱক।

৩) বৰ্তমান কম্পিউটাৰত অসমীয়া ভাষা ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত কেনেধৰণৰ সুবিধা আৰু অসুবিধা আছে বুলি ভাবে?

৪) অসমীয়া ছফটৱেৰৰ বিষয়ে এটা আলোচনা যুগুত কৰক।

*****

UG-ASM-AE-1014

Semester- I

যোগ্যতামূলক অসমীয়া

# GUIDOL also offers the following programmes:

## Master Degree Programme:

*M.A. in* Assamese, English, Political Science, History, Philosophy, Bodo, Bengali, Sanskrit, Education, Communication & Journalism

*M.A./M.Sc. in* Economics, Mathematics

M.Com

## PG Diploma Programme:

Sales & Marketing Management **(PGDSMM)**

Human Resource Management **(PGDHRM)**

Journalism & Mass Communication **(PGDJMC)**

Business Management **(PGDBM)**

Finance Management **(PGDFM)**

Banking & Financial Services **(PGDBFS)**

Insurance & Risk Management **(PGDIM)**

## IT Programme:

M.Sc.-IT, PGDCA

## Under Graduate Programme:

B.A(General)., B.Com(General), BCA, B.Sc.-IT


**GAUHATI UNIVERSITY**

**Institute of Distance and Open Learning**

Gopinath Bardoloi Nagar, Guwahati - 781014

www.idolgu.in

9 788194 417941